# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৰৰণী
## তাৰিখ ঃ ১/১০/২০১৮ সোমবাৰ

---

**আজি ইংৰাজী ০১-১০-২০১৮ তাৰিখে ৰাতিপুৱা ৯ঃ৩০ বজাত অসম বিধান সভাৰ মাননীয় অধ্যক্ষ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী দেৱৰ অধ্যক্ষতাত নিদ্ধাৰিত সময় সূচী মতে সদনৰ কাম-কাজ আৰম্ভ হয়।**

মাননীয় অধ্যক্ষঃ- Good Morning, Question No-101, Dr. Numal Momin. Minister Please.

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত ৰখা আছে।

**ড° নোমল মমিন, সদস্য ঃ-** উত্তৰ সমূহ পাইছো। কিন্তু উত্তৰ সমূহ পোৱাৰ পাছত দেখা গৈছে যে বৰ উদ্বেগজনক পৰিস্থিতি অসমত, কাৰণ ২০১৭ লৈকে ২০১৩ ৰ পৰা ৮৪৪৩ Children, Minor children অসমৰ পৰা নাইকীয়া হৈছিল। তাৰ ভিতৰত ৪৩৭৭ গৰাকী recovery হ'ল। ৪০৬৪ গৰাকী still missing আধাতকৈ বেছি আমি recovery কৰিব পৰা নাই। কাৰণটো কি? কিয় আমি rcovery কৰিব পৰা নাই। এই বিষয়টো যদি আমি গুৰুত্ব সহকাৰে নলওঁ, এই minor missing children বিলাক আমি ঘূৰাই নাপাম নেকি?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** অধ্যক্ষ মহোদয়, এই minor যিখিনি শিশুৰ কথা কৈছে, যে ১৮ বছৰৰ তলত ১৭ বছৰলৈকে সকলোকে minor বুলিয়েই ধৰা হয়। এই ক্ষেত্ৰত এতিয়া ইয়াতে যিখিনি ডাটা দিয়া হৈছে, আমাৰ সদস্য গৰাকীয়ে কৈছে যে উদ্বেগজনক । উদ্বেগজনক সচাঁকৈ হয়, নোহোৱা নহয়। কিন্তু ইয়াতে কেইটামান বিষয় আছে, বিষয়টো হ'ল যে কিছুমান Student টো missing হৈ যায়। missing হোৱাৰ পিছত Police য়ে সেই খিনি যেনেকৈ নহওঁক Police য়ে track কৰে আৰু ধৰে। আৰু ধৰাৰ পিছত সেইখিনিৰ কিছু ব্যৱস্থা আছে, আপুনি নিশ্চয় উত্তৰটোত পাইছে, যে তেনেকুৱা ধৰণৰ তেওঁলোকক যত্ন লোৱা হয়, বা তেওঁলোকক নিজৰ পৰিয়ালত গতাই দিয়া হয়। গতিকে তাৰে ভিতৰত এটা Portion আছে। এই ৮০০০ যে ডাঙৰ Figure হৈছে, তাৰ ভিতৰত এটা Portion আছে, এনেকুৱা যে ধৰি লওঁক যে কোনোবা ল'ৰা-ছোৱালী নিজৰ মতে বিয়া হৈ গ'ল, ঘৰৰ কথা অমান্য কৰি। তেতিয়া মাক দেউতাকে কৈ দিয়ে যে ১৭ বছৰৰ তলত আছিল ছোৱালীজনী, এনেকৈ অমুকৰ লগত বিয়া হৈ গুচি গ'ল। গতিকে Police য়ে ধৰিব লাগে। সেইটো minor ৰ ভিতৰত ধৰা হয়। যাৰ বয়স ১৭ বছৰ হৈছে। ১৮ বছৰৰ তলত আছে। গতিকে ইয়াতে এই Figure যে ডাঙৰ হৈছে, সেই ডাঙৰ হোৱাত এইটোও এটা কাৰণ। গতিকে এতিয়া সেইখিনিক Police য়ে কেতিয়াবা ধৰে, যদি বিছাৰি পালে আৰু ধৰাৰ পিছত দুয়োটা পক্ষই যদি লগ হৈ ভাৰে যে ঠিক আছে, বিয়াখন হৈয়ে যাওঁক বা কথাখিনি থাকক। গতিকে তেতিয়া, সেই কথাটো সংখ্যাটো ঠিকে থাকিল, কিন্তু এই Portion টো ইয়াত আছে, নথকা নহয়। তাৰ উপৰি genuinely আমাৰ শিশু, অপহৰণৰ যিটো ঘটনা হৈছে, এইটো genuinely উদ্বেগজনক হয়, তাৰ ভিতৰত এটা ডাঙৰ Portion ইয়াত থাকে। সেই কাৰণে আমাৰ চৰকাৰে এই সম্পৰ্কত কিছুমান ব্যৱস্থা লৈছে। তথ্য মতে ১৮ বছৰৰ তলৰ শিশু নিৰুদ্দেশ

হৈছে, এইটো সত্য। গতিকে নিৰুদ্দেশ ৰোধ কৰাৰ বাবে নিৰ্দিষ্ট শিশু উদ্ধাৰ কাৰ্য্যৰ বাবে কিছুমান ব্যৱস্থা লোৱা হৈছে, চৰকাৰে ব্যৱস্থা লৈছে। আমি যিটোত উদ্বেগ প্ৰকাশ কৰিছো। এই ব্যৱস্থা বিলাকৰ ভিতৰত এটা আছে, যেতিয়া শিশুৰ নিৰুদ্দেশ হোৱাৰ খবৰ থানাত পোৱা যায়, উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশ মৰ্মে মানৱ সৰবৰাহ বা অপহৰণৰ ধাৰাত অপৰাধ মুলক গোচৰ ৰুজু কৰা হয়। মানৱ সৰবৰাহ জনিত অপৰাধ মোকাবিলা কৰিবলৈ অসমৰ প্ৰতিখন জিলাত Anti Human trafficking Unit গঠন কৰা হৈছে। Anti Human trafficking Unit সমুহৰ ভিতৰত ১০ টা কেন্দ্ৰীয় চৰকাৰে আৰ্থিক সাহাৰ্য্য আগবঢ়ায় আৰু বাকীকেইটা অসম চৰকাৰে নিজাকৈ কৰে। তাৰোপৰি নিৰুদ্দিষ্ট হোৱা শিশুৰ গোচৰ সমুহে সঠিক ভাৱে তদন্ত কৰাৰ বাবে তদন্তকাৰী বিষয়া সকলক সংবেদনশীল আৰু কৰ্মপটু কৰাৰ উদ্দেশ্যে CID ৰ তৰফৰ পৰা Districl level, Range level আৰু CID Head quarter level ত নিয়মীয়া ভাবে প্ৰশিক্ষণ দি থকা হৈছে। ৪ নং হৈছে যিবিলাক missing শিশুৰ গোচৰ সমুহ যাতে সঠিক ভাবে তদন্ত হয়, তাৰ বাবে তদন্ত প্ৰক্ৰিয়া সন্নিবিষ্ট কৰাৰ বাবে Standard Operating Procedure মানে তদন্তকাৰী বিষয়া সকলৰ মাজত জিলাৰ SP সকলৰ জৰিয়তে বিতৰণ কৰা হৈছে। তাৰ উপৰিও যিবিলাক শিশু missing হৈছে, তেওঁলোকক উদ্ধাৰৰ বাবে ৰাষ্ট্ৰীয় পৰ্য্যায়ত চলোৱা অভিযান, Operation Muskan, আৰু Operation Smile, অসমতো কাৰ্য্যকৰী কৰা হৈছে। উক্ত অভিযানত যথেষ্ট শিশু উদ্ধাৰ হৈছে। ইয়াৰ ভিতৰত Operation Smile ত ২০১৬ চনত ৯০ টা শিশু Operation Muskan, ত ২০১৬ চনত ৩৯ টা শিশু, আৰু Operation Muskan, ত ২০১৭ চনত ১৫৩ টা শিশু উদ্ধাৰ কৰা হৈছে। তাৰো পৰি JJ Act, Juvenile Justice (Care and Protection of Children) Act, 2015 চনৰ মতে অসমৰ প্ৰতিখন জিলাতে একোটাকৈ Juvenile Justice Police Unit গঠন কৰা হৈছে। এই Juvenile Justice Police Unit ত এজন DSP পৰ্য্যায়ৰ Officer ক মুৰব্বী হিচাপে লোৱা হৈছে। প্ৰতিখন থানাৰ একোজনকৈ আৰক্ষী বিষয়া সদস্য হিচাপে Social Welfare Department ৰ পৰা ২ গৰাকী Social Welfare থাকে আৰু এই Special Juvenile police Unit ত থকা আৰক্ষী থানাৰ বিষয়াজনক ইয়াত Child Welfare Officer বুলি কোৱা হয়। গতিকে SJPU যি শিশুৰ লগত জড়িত ঘটনা সমুহ চোৱাচিতা কৰে। এই SJPU ৰ সদস্যই শিশু সৰ্ম্পকীয় ঘটনা সমুহৰ লগত কেনেদৰে মোকাবিলা কৰিব লাগে তাৰ বাবে নিয়মীয়াকৈ প্ৰশিক্ষণ দিয়া আছে। তাৰোপৰি Track the missing child নামৰ ভাৰত চৰকাৰে যি বিশেষ Portal কাৰ্য্যকৰী কৰিছে, ইয়াত ইয়াত missing হোৱা বা উদ্ধাৰ হোৱা শিশুৰ তথ্যসমুহ সন্নিবিষ্ট কৰা হয়। Track Child কাৰ্য্যসূচীত অপৰাধ তদন্ত বিষয়া CID ৰ কাৰ্য্যালয়ত নিৰীক্ষণ কৰা হয়। এই কামৰ উদ্দেশ্যে National Informatics Centre আৰু Track child Protection Society ৰ সহায় লোৱা হৈছে। CID ৰ ফালৰ পৰা DIG ক নিৰুদ্দেশ হোৱা শিশুৰ বিষয়টোত Nodal Officer হিচাপে মনোনীত কৰা হৈছে। অসমৰ পৰা নিৰুদ্দেশ হোৱা বহুটো শিশু অসম আৰক্ষীয়ে অন্য ৰাজ্যত উদ্ধাৰ কৰে। লগতে অসমৰ পৰা নিৰুদ্দেশ হোৱা শিশু যেতিয়া অন্য ৰাজ্যত উদ্ধাৰ হোৱা তথ্য লাভ কৰা হয়, আৰু অন্য ৰাজ্যৰ State Home ত আৰু অসমৰ নিৰুদ্দেশ হোৱা শিশুৰ উদ্ধাৰৰ খবৰ পোৱা যায়, তেতিয়া, উক্ত ৰাজ্যৰ আৰক্ষীৰ লগত যোগাযোগ কৰি NGO, Social Welfare Department আৰু State Child Protection Society ৰ সহযোগত শিশু সকলক উদ্ধাৰ কৰা হয়। গতিকে ১৭-০৭-২০১৪ ত ১৬ জন শিশুক

বিশ্বনাথ চাৰি আলি Police য়ে মধ্যপ্ৰদেশৰ পৰা উদ্ধাৰ কৰিছিল। এই গোটেই খিনিত এজন ব্যক্তি জড়িত আছিল আৰু তেওঁক আটক কৰা হৈছিল। এই গোটেইখিনি ব্যৱস্থা চৰকাৰে হাতত লৈছে আৰু চৰকাৰ এই ক্ষেত্ৰত যথেষ্ট সচেতন।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্নবিলাক চাৰ্প কৰিব নহ'লে আপুনি যেনেকৈ সুধিছে, কি কৰিছে গোটেইখিনি পঢ়িবলগীয়া হৈছে? সময়ৰ কথা আছে।

**ডাঃ নোমল মোমিন, বোকাজান ঃ** মাননীয় অধ্যক্ষ মহোদয়, North India ৰ যিবিলাক State, তাত উত্তৰ পূৰ্বাঞ্চলৰ পৰা বেছিভাগ ল'ৰা-ছোৱালী Child Trafficking হয় আৰু কামৰ লোভ দি বহু ক্ষেত্ৰত বেংগালুৰু, চেন্নাই, দিল্লী, চণ্ডিগড়ত যায়। উত্তৰ পূৰ্বাঞ্চলৰ ল'ৰা-ছোৱালী বা উত্তৰ পূৰ্বাঞ্চলৰ মানুহৰ কাৰণে এটা সুবিধা কৰি দিবৰ কাৰণে Commissionerate খুলিছে, দক্ষিণ ভাৰততো তেনেকৈ খুলিবলৈ ৰাজ্য চৰকাৰৰ ফালৰ পৰা প্ৰপ'জেল কেন্দ্ৰীয় চৰকাৰক দিব নেকি? চেন্নাই, বেংগালুৰু, হাইদৰাবাদ এই অঞ্চলতে চাকৰি কৰিব পৰা যায়।

**মাননীয় অধ্যক্ষ ঃ** ক'ত খুলিলে ভাল?

**ডাঃ নোমল মোমিন, বোকাজান ঃ** মাননীয় অধ্যক্ষ মহোদয়, দক্ষিণ ভাৰতৰ বেংগালুৰুত সৰহ সংখ্যক যায়।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, বেংগালুৰুত তেনেকুৱা এটা খুলিব পৰা যাব নেকি?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই ইতিমধ্যে Government of India এটা portal পঠিয়াব কৈছো। প্ৰত্যেক জিলাতে ইউনিট গঠন হৈছে। এনেকুৱা কথা এটা আছে। মই মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰস্তাৱ দিছে। এই প্ৰস্তাৱটো দিল্লী বা বেংগালুৰুত খুলিব লাগে নে নাই এই কথাখিনি মই গৃহ বিভাগৰ লগত আলোচনা কৰি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া, শ্ৰী গুৰুজ্যোতি দাস।

**শ্ৰী গুৰুজ্যোতি দাস, মঙ্গলদৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো অহাৰ কাৰণে এইটো উত্থাপন কৰিলো। বৰকোলাৰ শ্ৰীশুভ্ৰজিত ডেকা নামৰ জ্ঞানবিজ্ঞানৰ এজন ১৭ বছৰীয়া ছাত্ৰ হেৰাইছে। মোক WhatsApp, facebook ত এটা লিংক দি কৈছে যে, ল'ৰাজন বিচাৰি পোৱা নাই। মই এছ পি মহোদয়ক কৈছো। সেই কাৰণে মই সদনত জনাইছো। লিষ্টত যাতে আকৌ নাহে। অতি সোনকালে যাতে বিচাৰি উলিয়ায়।

**মাননীয় অধ্যক্ষ ঃ** কেতিয়া হেৰাইছে।

**শ্ৰী গুৰুজ্যোতি দাস, মঙ্গলদৈ ঃ** আজি তিনিদিনমান হ'ল।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া, এইটো Note কৰিব। এতিয়া শ্ৰীমামুন ইমদাদুল হক চৌধুৰী।

**শ্ৰীমামুন ইমদাদুল হক চৌধুৰী, নাওবৈচা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ইতিমধ্যে কৈছে যে, প্ৰত্যেকখন জিলাত Anti- Human Traffic Unit খুলিছে। কিন্তু মোৰ প্ৰশ্নটো হ'ল Anti- Human Traffic Unit য়ে ভালদৰে কাম কৰা নাই বুলি প্ৰমাণ হৈছে। এই কাৰণে প্ৰমাণ হৈছে ২০১৪ চনৰ পৰা ২০১৭ চনলৈ ফিগাৰটো যদি চাও, ক্ৰমান্বয়ে বাঢ়িগৈছে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো যাতে Anti- Human Trafficing যিটো ফিগাৰ আপুনি দিলে ৮৪৪৩ টা শিশু হেৰাই গ'ল আৰু পালে মাত্ৰ ৪৩৭৭ টা। এইটো পৰ্য্যায়লৈকে যাব লগা নহয়।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই সেইটো উত্তৰ দিছে কিয় কমিছে বাঢ়িছে? মন্ত্ৰী ডাঙৰীয়াই যদি এই বিষয়ত কিবা কয় কব।

**শ্ৰীমামুন ইমদাদুল হক চৌধুৰী, নাওবৈচা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰু ইয়াত এটা কথা ইয়াত ১ নং প্ৰশ্নৰ (গ) ৰ উত্তৰ মাননীয় মন্ত্ৰী মহোদয়ে ক'লে, Rehabilitation ৰ কাৰণে ।যিবিলাক শিশু উদ্ধাৰ হ'ল তেওঁলোকৰ কাৰণে কি পদক্ষেপ লৈছে। All the services are provided as per the norms under Juvenile Justice Act and support of integrated child protection scheme.এতিয়া মোৰ অনুৰোধ হ'ল খুৰ কম কথাত এই কথাখিনি যাতে বুজাই দিয়ে। আচলতে আপোনালোকে কি লৈছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, যিবিলাক শিশু উদ্ধাৰ হয়, তেওঁলোকৰ কাৰণে যিবিলাক ব্যৱস্থা লোৱা হৈছে তাৰ ভিতৰতে আছে। শিশু গৃহ চৰকাৰে দান কৰা ৪ টা শিশুগৃহ আছে অসমত। তাৰোপৰি observation Home আছে that is also run by Government of 5 nos.আছে Place of Safty, that is also run by Government এটা আছে। Child Home run by NGO ICPS Fund ত, সেইটো ২৭ টা আছে। তাৰোপৰি শিশু গৃহ এইটো ৫৯ টা আছে। Open shelter এইবিলাক সকলো NGO, এইটো ৩ টা আছে। SAA (Specialise Adoption Agency) SAA ২৩ টা আছে। গতিকে এনেকুৱা As per the provisions of the rule of Juvenile Justice Act Childrens Home creats agency to the children for care and protection. তেওঁলোকৰ care and protection ৰ কাৰণে ব্যৱস্থা লোৱা হয়। তাৰোপৰি ইয়াতে কিছুমান আছে যে, তেওঁলোকক integrated support scheme আছে ইয়াৰ জৰিয়তে তেওঁলোকক বিভিন্ন ধৰণৰ সহায় কৰা হয়। During the period of stray. পৰিয়ালৰ সহায়ৰ ক্ষেত্ৰতো পুলিচষ্টেশ্যন সমূহে বিভিন্ন ব্যৱস্থা লোৱা হয়। Social Welfare Department ৰ ফালৰ পৰা বেছিভাগ NGO তেওঁলোকে চলাই আছে Social Welfare Department ৰ ফালৰ পৰা আৰু তাতে Home Department, Social Welfare Department মাজে মাজে ওপৰৰ Level ৰ পৰা inspection কৰি আছে। যাতে তেওঁলোকক ভালকৈ চোৱা-চিতা কৰিছে নে নাই।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ঋতুপৰ্ণ বৰুৱা।

**শ্ৰী ঋতুপৰ্ণ বৰুৱা, লাহোৱাল ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এটা বিষয় দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে, ইয়াত যিবোৰ শিশু গৃহ, NGO ৰ দ্বাৰা চলোৱাৰ যিটো কোৱা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, এই শিশু গৃহটো চৰকাৰে চোৱাটো প্ৰয়োজন আছে। যিবোৰ NGO ই চলায়। এই NGO বিলাক লক্ষ্য কৰে এটা এটা NGO ৰ গৰাকীয়ে ১০-১২ টাকৈ চলায়। তেওঁলোকে দিল্লীৰ পৰা অনুমোদন কৰি লৈ আহে ICPS Fund ত। গতিকে ইয়াত সাংঘাটিকভাৱে অনিয়ম হৈ আছে। এই বিষয়টো চোৱাতো যথেষ্ট চৰকাৰৰ প্ৰয়োজন আছে বুলি ভাৱো। মাননীয় অধ্যক্ষ মহোদয়ৰ যোগেদি মই এই বিষয়টো উপস্থাপন কৰিব বিচাৰিছো। তাৰ লগে লগে আৰু এটা বিষয় আছে যে কিছুমান NGO ই ভালকৈ চলায় আছে, তেওঁলোকক চৰকাৰে সময়মতে **শ্ৰী ঋতুপৰ্ণ বৰুৱা, লাহোৱাল ঃ** মাননীটো প্ৰদান নকৰে। যাৰ কাৰণে বহু শিশু গৃহৰ লোক হাত পাতি চলাব লগা হৈছে। এনেকুৱা হৈছে যে, কাৰোবাৰ ল'ৰা-ছোৱালীৰ জন্মদিন, গতিকে সেই NGO ৰ গৰাকীয়ে কব লগা হয় যে, আপোনাৰ ল'ৰা-ছোৱালীৰ জন্মদিনটো ইয়াত

পাতক। ল'ৰা-ছোৱালী বিলাকে খাবলৈ পাব। এনেকুৱা ধৰণৰ ঘটনা চলি আছে। এনে ঘটনা মই সদনত দৃষ্টিগোচৰ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ফাগুটো সময় মতে দিব লাগে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, সন্মানীয় বিধায়ক শ্ৰীঋতুপৰ্ণ ডাঙৰীয়াই যিটো কথা কৈছে যে, আমাৰ এটা Joint inspection হয় Social Welfare, Home Departmentএই বিলাক inspection হয়। যিহেতু মাননীয় সদস্য গৰাকীয়ে এই কথাখিনি উত্থাপন কৰিছে, মই আজি গৃহ বিভাগৰ কথাখিনি জনাম আৰু এনেকুৱা ধৰণৰ যাতে ভৰিষ্যতে নহয় আৰু যিবিলাক NGO ই ভাল কাম কৰিছে, তেওঁলোকে যাতে টকাটো পায়। গতিকে মই মাননীয় সদস্য গৰাকীক এই কথাখিনি আশ্বস্ত কৰিলো। আজিয়ে গৃহবিভাগৰ তৰফৰ পৰা যিখিনি কৰণীয় থাকে,সেইখিনি কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং- ১০২। শ্ৰী শ্বেৰমান আলি আহমেদ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী শ্বেৰমান আলি আহমেদ, বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন আছিলে, যিসকল 'ডি' ভোটাৰ ভাৰতীয় বুলি declare হয়, তেওঁলোকৰ নামত আগৰ পৰা 'ডি' আতৰোৱা সম্পৰ্কে মোৰ প্ৰশ্নটো আছিল। মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে, এইটো সাধাৰণতে আতৰোৱা হয়। ইয়াৰ পৰা speaking order আহিলে 'ডি' বোৰ আতৰাই ৰখা হৈছে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, এই কথাখিনি সত্য নহয়। এই বিষয়ে উপায়ুক্ত ডাঙৰীয়াৰ লগত গোটেই কেইজন বিধায়ক আৰু চক্ৰ বিষয়া তেওঁলোকৰ সহযোগত এখন বৈঠক অনুষ্ঠিত কৰিছিলো আৰু বাঘবৰৰ চক্ৰ বিষয়াই এটা ৰিপোৰ্টও দিছে। এই ৰিপোৰ্টত কোৱা হৈছে যে, ২০১৬ চনৰ ডিচেম্বৰ মাহৰ পৰা যিহেতু আগৰ ERMS ৰ পৰিৱৰ্তে ERO Net ত ভোটাৰ তালিকাৰ কাম কৰা আছে, য'ত 'ডি' আতৰোৱাৰ কোনো ধৰণৰ সুবিধা নাই। সেয়েহে ২০১৬ ইংৰাজী চনৰ ডিচেম্বৰৰ পাছৰপৰা কোনো 'ডি' মচিব পৰা নাই। বৰ্তমান পৰ্য্যন্ত বাঘবৰ বিধান সভাৰ অন্তৰ্গত ৭৪২ জনৰ আবেদন পত্ৰ পঠিওৱা হৈছে, কিন্তু এতিয়ালৈকে 'ডি' মচা হোৱা নাই। এইটো আগষ্ট মাহত দিয়া ৰিপোৰ্ট। এই চিঠিখন লিখিছে ২০১৮ চনৰ আগষ্ট মাহত। সেই অসুবিধাৰ কাৰণে বোধহয়, ৬৭ হাজাৰ যদিও ভাৰতীয় বুলি declear হৈছে, তাৰে ৩৫ হাজাৰহে 'ডি' মচা হৈছে। এতিয়া মোৰ প্ৰশ্নটো হ'ল যে, Election Commission য়ে এই অসুবিধাটো নিশ্চয় জানে। জনাৰ পাছতো কিয় ভূলতথ্য দিলে। মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব খুজিছো যে, যদি কিবা আসোঁৱাহ আছে, সেইখিনি দূৰ কৰি অতি সোনকালে declare হোৱা মানুহখিনি ভাৰতীয় বুলি তেওঁলোকৰ নামৰ আগত যাতে 'ডি' আতৰোৱা হয়। তাৰ কাৰণে তাৎক্ষনিক ব্যৱস্থা লব নেকি?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, শ্ৰী শ্বেৰমান আলি ডাঙৰীয়াই যিটো কথা কৈছে, এই 'ডি' ভোটাৰৰ গোটেই concept টো কিয়া বিলম্ব হৈছে। Foreigner বুলি যিবিলাক FT ত আছিল, FT য়ে যেতিয়া foreigner নহয়,ভাৰতীয় বুলি ক'লে, তাৰ পাছতে কিছুমানৰ নাম এতিয়ালৈকে আপুনি কোৱাৰ দৰে 'ডি' টো delete হোৱা নাই। ইয়াৰে কাৰণ কেইবাটাও আছে। এই গোটেই বিষয়টোৰ ক্ষেত্ৰত আমি সকলো মাননীয় সদস্যই এক সহযোগৰ মাধ্যমেৰে কামটো কৰিব লাগিব। এজন মানুহ যেতিয়া ভাৰতীয় বুলি FT বুলি de-

clare কৰি দিয়ে, তেওঁৰ নামৰ আগত 'ডি' থাকিলে মানুহজনৰ মনত এটা দুখ থাকিব। গতিকে সেইটো আমি ৰাজনৈতিক দৃষ্টিভঙ্গী, মানৱীয় দৃষ্টিভঙ্গীৰে সকলো সদস্যই একেলগে আমি কামখিনি কৰিব লাগিব । আমাৰ যে Delay হৈছে- তাৰ কাৰণটো হ'ল যে- এজন মানুহক Foreigners Tribunal য়ে যদি কয় যে তেও ভাৰতীয় হয় আৰু ভাৰতীয় বুলি কোৱাৰ লগে লগে সেইটো Election Commision ত গ'ল। ইলেকশ্যন কমিশ্যনে সেইটো District Election Commision ক দিলে। District Election Officer সেইটো আকৌ E.R.O ক দিলে তাৰ পিছতE.R.Oয়ে verification কৰে। এজন মানুহৰ নাম ধৰি লওক গোপাল দাস। গোপাল দাসৰ থকা ঠাইৰ এ ই আৰ গৰাকীয়ে তেওঁৰ ভোটাৰ তালিকাত নাম , দেউতাকৰ নাম, খণ্ড নম্বৰ, গাওৰঁ নম্বৰ , চিৰিয়েল নম্বৰ, মানুহজন তাত আছেনে নাই ইত্যাদি ভেৰিফিকেশ্যন কৰি এটা ৰিপোৰ্ট দিব। এতিয়া এই ৰিপোৰ্টটো দিওঁতে তাতে দুটামান কথা হৈছে। এইখিনি আপোনালোকো নিশ্চয় আমাৰ লগত একমত হ'ব। এইটো হ'ল যে, গোপাল দাস নামৰ মানুহ এজন যেতিয়া foreignerৰ পৰা Indian হ'ল তেতিয়া দেখা যায় . যে, নং (১) গোপাল দাস নামৰ তেনেকুৱা বহুত মানুহ আছে। নং(২) কেতিয়াবা দেখা যায় গোপাল দাস নামৰ তেনে মানুহ সেই খণ্ডত , সেই চিৰিয়েল নম্বৰত পোৱাই নাযায়। নং (৩) এই system টো কিছু মানুহে নাজানে সেই কাৰণে দূৰে দূৰে ঘূৰি ফুৰে। এনেধৰণৰ কাৰণ তাত দেখা গৈছে। তাৰ ওপৰিও আপুনি যিটো কথা কৈছে যে, আগষ্ট মাহত E R O ৰ ৰিপোৰ্ট হ'ল। আৰু এটা ডাঙৰ কথা অধ্যক্ষ মহোদয়, এই কেইটা পইন্টৰ ওপৰিও আৰু এটা কথা হ'ল - গভৰ্ণমেন্টৰ গোটেইখিনি verification হৈ যেতিয়া 'D' টো যেতিয়া যাব আমাৰ Electoral Roll revision এতিয়া আৰম্ভ হৈছে। গতিকে আমাৰ intensive Revision আগতে ১৯৯৭ হৈছিল আৰু ২০০৫ চনত এবাৰ হৈছিল। তাৰ পিছত আমাৰ ভোটাৰ তালিকা যেতিয়া ৰিভিজন হৈছে । এই ৰিভিজনৰ কামটো চেপ্টেম্বৰৰ পৰা জানুৱাৰীলৈকে চলে আৰু জানুৱাৰীত ৰিভিজন ভোটৰ লিষ্টখন ওলায়। এই গোটেইখিনি আঁসোৱাহ দুৰ কৰি A E R জনে যেতিয়া ৰিপোৰ্ট দিয়ে যে- এখেতৰ ঠিকে আছে, এখেতৰ নামৰ বিপৰীতে 'ডি' আঁতৰাব লাগে, সেইটো পৰীক্ষা কৰিলে Election Commission of India ৰ এটা Database Portail আছে । ভাৰত চৰকাৰৰ সেই ডাটাবেচ পোৰ্টেলটো চেপ্টেম্বৰৰ পৰা জানুৱাৰীলৈকে খোলা থাকে । বাকীসময়ত নাথাকে । শ্বেৰমান আলি ডাঙৰীয়াই কোৱা সমস্যা হৈছে সেইটো । ডাটাবেচত যেতিয়া এই কথাখিনি আপলোড কৰি দিব তাতে নামৰ বিপৰীতে 'ডি' টো ডিলিট কৰি দিব । সেইটো কাৰেকশ্যন হ'ব লাগিব। গতিকে অধ্যক্ষ ডাঙৰীয়া এই গোটেইকেইটা ,সমস্যাৰ কাৰণে আমাৰ কিছুমান অসুবিধা হৈছে । শ্বেৰমান আলি ডাঙৰীয়াৰ যিটো কনচাৰ্ণ , এইক্ষেত্ৰত আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে এটা সিদ্ধান্ত লৈছে।- শিক্ষিত মানুহখিনিয়েতো প্ৰয়োজনীয় কামখিনি কৰি লয় কিন্তু যিখিনি নজনা মানুহ আছে তেওলোকে 'ডি' বুলি কেতিয়া গম পায় যেতিযা Election Commission Database Portail টো খুলি দিয়াৰ পিচত জানুৱাৰীত Voter List ওলায় তেতিয়াহে গম পায়। তাৰ পিছত আকৌ ১ বছৰ বন্ধ হৈ থাকিল। এতিয়া মই সদনক জনাবলৈ পাই আনন্দিত হৈছো যে আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত এটা বলিষ্ঠ পদক্ষেপ লৈছে। আমাৰ যিখিনি মানুহৰ নামৰ বিপৰীতে ' ডি' থাকিব বা যিবিলাক মানুহক foreigner Tribunal ক'ব যে 'ডি' টো আঁতৰাই দিয়া হওঁক । তেতিয়া প্ৰত্যেক চাৰ্কোল অফিচাৰক গোটেইখিনি লিষ্ট মাৰি দিয়াৰ কাৰণে আমাৰ চৰকাৰে সিদ্ধান্ত লৈছে। যাতে কাৰো অসুবিধা নহয়। এইটো এটা ডাঙৰ পদক্ষেপ মুখ্যমন্ত্ৰী ডাঙৰীয়াই লৈছে। আৰু দ্বিতীয়

পদক্ষেপটো হৈছে যে, আমাৰ শ্বেৰমান আলি ডাঙৰীয়াৰ যিটো Concern সেইটো গুৰুত্বপূৰ্ণ কথা যে আগষ্ট মাহত কিয় নহ'ল। আমাৰ Election Commission ৰ ডাটাবেচ পোৰ্টেল, যিটো চেপ্টেম্বৰ মাহৰ পৰা জানুৱাৰীলৈকে এবাৰ খুলি দিয়ে , যাৰ বাবে যাৰ নামৰ বিপৰীতে ' ডি' থাকে. তেও ১ বছৰ ৰৈ থাকিব লগা হয় গতিকে মাননীয় মুখ্যমন্ত্ৰীয়ে সিদ্ধান্ত লৈছে Chief Election Commissioner of Election Commission of India ক এখন চিঠি দিব যে, অসমৰ কাৰণে স্পিচিয়েলী , যিহেতু অসম এখন চেনচেটিভ এৰিয়া গতিকে এই ডাটাবেচ পোৰ্টেলটো ৩বছৰৰ কাৰণে অসমৰ বাবে খোলা ৰাখিব লাগে যাতে ' ডি' ভোটাৰৰ সমস্যাটো আমি সমাধান কৰিব পাৰো। এইটো মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এটা যুগান্তকাৰী পদক্ষেপ। এইখিনি মই সদনক জনালো। তাৰ ওপৰিও কিছুমান মানুহৰ ফৰ্ম ফিলআপ্ , লেখা -মেলা অসুবিধা হয়। সেই কাৰনে আমাৰ পুলিচৰ Border Department মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত তেওলোকে এটা অভিযোগসমূহ নিস্পত্তি কৰাৰ বাবে এটা Cell খুলিছে। তাৰ বাবে গোৰ্খা সন্মিলন বা অন্যান্য সংগঠন, যিমান সংগঠন আছে , সকলো সংগঠনৰ লগত 'বৰ্ডাৰ ' বিভাগে ইতিমধ্যে আলোচনা কৰিছে আৰু এই চেলটোৰ জৰিয়তে বৰ্ডাৰ পুলিছে এই মানুহখিনিক সহায় কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। গতিকে এই তিনিটা stage যদি হৈ যায় তেতিয়া হ'লে আমাৰ সমস্যাখিনি বহু পৰিমানে আঁতৰিব। ইলেকশ্যন কমিশ্যনে যদি আমাক কথাখিনি মানি লয় তেন্তে সোনকালে 'ডি' সমূহ নামবিলাকৰ পৰা delete হ'ব। এই কথাখিনি অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মই সদনক অৱগত কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। .. শ্বেৰমান আলি ।

**শ্ৰীশ্বেৰমান আলি আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কোৱা কথাখিনি মাননীয় মন্ত্ৰী মহোদয়ে চাগৈ ভালকৈ শুনা নাই। তেখেতে যিখিনি অসুবিধাৰ কথা কৈছে - সেই গোটেই অসুবিধাখিনি, after enquiry , A D C য়ে ৰিপোৰ্ট দিয়াৰ পিচতো, E R O য়ে ৰিপোৰ্ট দিয়াৰ পিচতো, - District Level ত কৰিব পৰা নাই। District Authority য়ে জনাইছে যে, বৰ্ত্তমান যিটো Database Portail ৰ ব্যৱস্থা আছে তাতে delete কৰাৰ ব্যৱস্থাটোৱে নাই। আপুনি যিটো কৈছে- চেপ্টেম্বৰৰ পৰা জানুৱাৰী লৈ খোলা থাকে - ২০১৬ চনৰ চেপ্টেম্বৰৰ - জানুৱাৰী পৰা আজি ২০১৮ চনৰ চেপ্টেম্বৰ মাহ যোৱাকালি শেষ হ'ল । যদিও মন্ত্ৰী মহোদয়ে কৈছে- ৬ মাহ খোলা থাকে এই কাৰণে পৰা নাই । যদিহে এইটো হয় তেতিয়াহ'লেতো এনেকুৱা হ'ব নালাগিছিল। সেই কাৰণে কৈছো - systemটোত এটা বিসংগতি আছে। যিহেতু মাননীয় মুখ্যমন্ত্ৰীয়ে এই বিষয়টোত যথেষ্ট সচেতনতা দেখুৱাইছে, মই মাননীয় মন্ত্ৰীক জনাব বিচাৰো যে কিবা এটা খুঁত আছে, এইটো অফিচাৰে জনোৱা কথা। আমি জনোৱা কথা নহয়। অফিচাৰে কৈছে যে, ডিলিট কৰা provision টোৱে নাই Portail টোত । গতিকে অসুবিধাখিনি চালি জাৰি চাই যাতে আঁতৰ কৰে, সেইটো মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিলো।

এতিয়া মোৰ দ্বিতীয় প্ৰশ্নটো হৈছে অধ্যক্ষ মহোদয়, কাবেল মিঞাঁ আৰু মমতাজ বেগম তেওলোকৰ নাম দুটা NRC Draft ত আহিছে । তেওঁলোক 'ডি'ও নহয়। তেওলোকৰ ৫ জন ল'ৰা-ছোৱালী তাৰে এজন হ'ল চাৰমিনা বেগম , বয়স হ'ল মাত্ৰ ৯ বছৰ।

**মাননীয় অধ্যক্ষ ঃ** কোৰেশ্যনটো মইও চাইছো। দৰকাৰী কোৰেশ্যন যে, মাক -বাপেকৰ নাম আছে -লৰা-ছোৱালীৰ নাম NRC ত নাই।

**শ্ৰীশ্বেৰমান আলি আহমেদ ঃ** হয় ছাৰ। আৰু এটা কোৰেশ্যন ছাৰ, চাৰমিনা বেগমৰ বয়স হৈছে

মাত্ৰ - ৯ বছৰ , কাৰণটো দিছে যে declared Foreigner, যদি ফৰেইনাৰ বুলি ঘোষণাই হৈছে অৰ্ডাৰটো মোক দিয়ক। এন আৰ চি কৰ্তৃপক্ষৰ হ'ব পাৰে ছাৰ, কিন্তু Home Department টো State Government ৰ হয় , এতিয়া যদি foreigner declared হৈছিল তেতিয়া হ'লে Order টো মই Home Departmentৰ পৰা বিচাৰিছো । গতিকে অধ্যক্ষ মহোদয় এইধৰণৰ খেলিমেলি ধৰা পৰিছে। প্ৰকৃত কথা হ'ল- চাৰমিনা বেগমক লৈ এই ৫ জন কেতিয়াও foreigner declare হোৱাই নাই All are below 18, They were never "d" কিন্তু declared Foreigner বুলি এন আৰ চি কৰ্তৃপক্ষই লিখি দিলে। সেই কাৰণে ভাবিছিলো সঁচা হয় জানো , যদি সঁচা হয় চাওঁচোন ফৰেইনাৰ বুলি কোৱা Order টো। কিন্তু কোনো তথ্য নিদিলে । Home Departmentটো আমাৰ ৰাজ্য চৰকাৰৰ। এইটো যদি foreigner declared হৈছে, তেতিয়া হ'লে অৰ্ডাৰটো মই Home Departmentৰ পৰা বিচাৰিছো। গতিকে অধ্যক্ষ মহোদয়, এইধৰণৰ খেলিমেলি, আচল কথাটো হ'ল এই চাৰ্মিনা বেগমৰ এই পাঁচ জন খেতিয়কৰ foreigner declared হোৱা নাই, all are below 18 year, they were never D Voter, কিন্তু তেতিয়া foreigner বুলি NRC কৰ্তৃপক্ষই লিখি দিয়ে। সেই কাৰণে মই ভাৱিছিলো সঁচা হয় জানো? যদি সঁচা হয় চাওঁ বাৰু foreigner Orderটো, কিন্তু কোনো তথ্য নিদিলে। Home Departmentত যদি foreigner declared হৈছে নিশ্চয় তথ্য থাকিব। এতিয়া Either the NRC Authority is wrong, they are shown wrong reason or the Home Department has been given wrong information, they have provided the order. যদি Order হৈছে। এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টিকৰণো বিচাৰিলো আৰু এই ধৰণৰ খেলিমেলি যাতে ভৱিষ্যতে নহয়, NRC এটা গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়া এই ধৰণৰ খেলিমেলিৰ কাৰণে যাতে কোনো Harassment নহয়, তাৰ কাৰণে বিষয়টো অতি গুৰুত্ব সহকাৰে ল'বলৈ অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** Thank you.

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, এই যে common data base portals টো ভাৰত চৰকাৰৰ, যিটো AEROৰ কথা বাৰে বাৰে কৈ আছে, যে AEROৰ পিছত কোনো provision নাই। গতিকে এইটো centrally বা যিটো portals opporsation সেইটো centrally এইটো কৰা হয়। গতিকে এইটোৰ correctionটো বা upgradationৰ কাৰণে এই ব্যৱস্থাটো আছে, এই যিটো data base, যিটো ভাৰত চৰকাৰৰ common data base. গতিকে তেনেকুৱা এটা ক্ষেত্ৰত আমাৰ এতিয়া কি হৈছে।

**মাননীয় অধ্যক্ষ ঃ** কি?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** যে আমাৰ এই Election Commissionerৰ কাৰণে ভাৰত চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যে এইটো আমাৰ গোটেই বছৰৰ কাৰণে খোলা থাকক। আপোনাৰ যিটো শংকা হৈছে গোটেই বছৰৰ কাৰণে খোলা থাকিলে যাৰ নামৰ পৰা।

**শ্ৰীশেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে মই এটা কথা ক'ব বিচাৰিছো। যিখিনি সময় খোলা আছিল ২০১৬ চনৰ ছেপ্তেম্বৰ মাহৰ পৰা ডিচেম্বৰ মাহলৈ, ২০১৭ চনৰ ছেপ্তেম্বৰ মাহৰ পৰা জানুৱাৰীলৈ, ২০১৫ চনত ছেপ্তেম্বৰত খুলিছিল, এই তিনিটা বছৰত খোলা আছিল। কিন্তু খোলা থকাৰ পিছতো যোৱা দুটা বছৰত কিয় নহ'ল?

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** এইটোৱে আচল পইন্ট। আচল কথাটো আপুনি এতিয়াহে কৈছে।

**শ্ৰীদেৱব্ৰত শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** এক মিনিট।

**মাননীয় অধ্যক্ষ ঃ** এইটোৰ উত্তৰটো দি লওঁক ৰব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** আচল কথাটো আপুনি এতিয়াহে কৈছে। এইটো হ'ল এই যে AERO ৰ তাত গৈ verification হ'ব, verification হওঁতে এটা নামৰ ক্ষেত্ৰত, এজন মানুহৰ নাম সেই অঞ্চলত বহুত সংখ্যক হৈ যায়। হৈ গ'লে AEROয়ে সেইটো আকৌ con-form কৰিব লাগিব, যে এইটো হয়নে নহয়। এতিয়া মানুহটো দহ জন ওলাল, এই দহজন একেই নামৰ মানুহ ওলাল। এক মিনিট এক মিনিট।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, শ্বেৰমান আলী আহমেদ ডাঙৰীয়া, অকমান বহক।

**শ্ৰীদেৱব্ৰত শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়।

**শ্ৰীকমলেক্ষ্য দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়।

**শ্ৰীআব্দুল খালেক ঃ** চাৰ, যেতিয়া D Voter থাকে এজন মানুহৰ নামত Tribunalয়ে Judge-ment দিয়ে তাৰ পিছত বেলেগ বেলেগ।

**মাননীয় অধ্যক্ষ ঃ** আপোনাক মই কবলৈ দিয়া নাই।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, সেই সময়ত।

**মাননীয় অধ্যক্ষ ঃ** নাই, নাই, পাটোৱাৰী ডাঙৰীয়া, কথাটো এইটো এটা বৰ মানৱীয়তাৰ লগত জড়িত বিষয়। কথাটো আপুনিও কৈছে, তেখেত সকলেও কৈছে। মই ভাৱো যে এই বিষয়টো তেখেতে কৈছে ২০১৬ চনতে তেওঁক clear কৰি দিলে নহয় বুলি, তাৰ পিছত AEROৰ তাত গ'ল, AEROও দি দিলে কাগজ এখন যে আমি এইটোৰ কাৰণে কৰা নাই। সেই কাৰণে মই ভাৰিছো AEROয়ে যিখন sheet আপোনাক দিলে, এই যে আপোনাক কপি এখন দিছে ২০১৬ চনৰ বা ২০১৮ চনৰ, এই কাগজ কেইখনৰ কপিটো মোক দিলে ভাল পাম। যাতে কথাটো আমি উত্তৰলৈ যাব লাগিব। আপুনি যিটো কথা কৈছে genuine কথা। তাৰ উত্তৰ পাব লাগিব। তেতিয়া মোক দিলে মই অন্তত তেখেতকো ক'ম যে এই বস্তুটো মোক লাগে। কাৰণ এই বস্তুটো সদনত আহিছে নহয়। সেই কাৰণে মই আপোনাক সেই কপিটোৰ কথা কৈছো। তেখেতে কৈছে যে আমাৰ portals টো ইমান দিন খোলা থাকে কাৰণে পৰা নাই। আপোনাৰ প্ৰশ্নটো হৈছে যে ২ বছৰ portals টো খোলা থাকোতেও কিয় হোৱা নাই। মই সেই কাৰণে চিঠি দুখনো বিচাৰিছো, মই তেখেতকো কম।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** নকব, আৰু বহুতে কবলৈ আছে। আপোনাৰ দলপতিয়েও কব বিচাৰিছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো কৈছে সেইটো en-quiry কৰি।

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাৰ কথাটো বুজিলো।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** নাই ঠিক আছে, যদি ADCয়ে enquiry কৰি ৰিপোৰ্টো দিছে, দিয়াৰ পিছত যদি তেওঁৰ D voter টো Delete হোৱা নাই আপুনি কাগজ খন মোক দিব সেইটো I will delete it.

**মাননীয় অধ্যক্ষ ঃ** আজি I will take action.

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কাগজ দুইখন দিব। আমি দায়িত্ব সহকাৰে কৈছো। এনেকুৱা কথা ঠিক নহয়। শইকীয়া ডাঙৰীয়া আপুনি কওঁক।

**শ্ৰীদেৱব্ৰত শইকীয়া ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিখিনি তথ্য দিছে সেইখিনি অলপমান সঠিক হোৱা নাই বুলি ভাবিছো এই কাৰণে যিহেতু দুবাৰ, তিনিবাৰ তদন্ত কৰাৰ পিছত তেওঁলোকক ভাৰতীয় বুলি কোৱা গ'ল, D voter নহয় বুলি কোৱা গ'ল। কিন্তু, যিহেতু softwareৰ যোগেদি এইখিনি computer ত কৰে, প্ৰকৃততে তাত D voter টো যিহেতু অকল অসমৰ ক্ষেত্ৰত প্ৰযোজ্য, বোধ কৰো Election Commissionerয়ে তেনেকুৱা scope ৰখা নাই। সেই গতিকে এই নামটো বাতিল হোৱা নাই। সেই গতিকে softwareটোহে চাব লাগিব। গতিকে মন্ত্ৰী মহোদয়ে তেনেধৰণে Election Commissionerৰ লগত যোগযোগ কৰিলে ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই এটা ভাল কথা কৈছে। আপোনাৰ কথাটো চাবই লাগিব আছে নে softwareত সেইটো আৰু গোটেই বছৰটোৰ কাৰণে খোলা থাকিলে ভাল। তেতিয়া কোনোৱে Harassed হ'ব নালাগে। এতিয়া দিলীপ কুমাৰ পাল, আপুনি কওঁক।

**শ্ৰী দিলীপ কুমাৰ পাল ঃ** মাননীয় অধ্যক্ষ মহোদয়, গোয়ালপাড়া জেলার কৃষ্ণাইর মাহি গ্রামের 'ডি-ভোটার হিসাবে চিহ্নিত এক চা-বিক্রেতা সুব্রত দে, ৩৭ বছর বয়স। তাকে গিয়েছিলাম 'ডি-ভোটার' করে ডিটেনশন ক্যাম্পে পাঠানো হয়েছে। আশ্চর্যের বিষয়, সেই সুব্রত দে-র পিতা কৃষ্ণপদ দে এবং ঠাকুরদা মনোরঞ্জন দে- র নাম ১৯৫১সনের এনআরসি তালিকাতে সন্নিবিষ্ট আছে। ২৬ মার্চ তাকে ডিটেনশন ক্যাম্পে পাঠানো হয়েছিল।

**মাননীয় অধ্যক্ষ ঃ** ২৬ মার্চ কোন সন? আর লোকটির বয়স কত?

**শ্ৰী দিলীপ কুমাৰ পাল ঃ** ২৬ মার্চ ২০১৮, বয়স ৩৭ বছর। ঠিক দুমাস পর ২৬ মে ২০১৮, তার ডেড্ বডি ডিটেনশন ক্যাম্প থেকে গোয়ালপাড়া সিভিল হাসপাতালে নেওয়া হল। ডেড্ বডি এই কারণেই বলছি, চার মাস পর ডেথ সার্টিফিকেটের জেরক্স কপি দেওয়া হল সেই পরিবারকে। জেরক্স কপিতে লিখা আছে death on the way to hospital. এটা খুব সিরিয়াস মেটার। এইজন্য আমি আপনার ১মিনিট সময় নেব। আমি গত ২৩ তারিখ সেই বাড়িতে গিয়েছিলাম। তার পরিবারে আছে তার বৃদ্ধা মা, বিধবা স্ত্রী, ১৫ বছরের কিশোর ছেলে বিকি দে ও ১০ বছরের মেয়ে স্বেতা দে। এই পরিবারে একমাত্র রোজগারী কর্তা ছিল সেই হতভাগ্য সুব্রত দে। তাদের গ্রামবাসীরা বলেছে তাঁর শরীরে আঘাতের চিহ্ন ছিল। যখন দাহ কার্য হয় তখন দেখা গিয়েছে কপালে কালো দাগ। পিঠের দুই পাশে আঘাতের চিহ্ন ছিল, সমস্ত হাত কালো হয়ে গিয়েছিল। ছবি দেখিয়েছে ওরা। তার মানে, অস্বাভাবিক মৃত্যু সেটা। পোষ্টমর্টেম রিপোর্ট ৪ মাসেও দেয়নি। আমি আমাদের প্রাক্তন অধ্যক্ষ,বর্তমান বিধায়ক মাননীয় রঞ্জিত দাস উনাকে দিয়েও ফোন করিয়েছিলাম। আমি ও করেছি এসপি, ডি সিকে। ওরা বলেছে দেবে। গত পরশু পোষ্টমর্টেম রিপোর্ট দিল। জানিনা কি লিখা আছে। শুনেছি একটা তদন্ত হয়েছে স্থানীয় স্তরে। আমি আপনার মাধ্যমে মাননীয় মন্ত্রীকে অনুরোধ করব যে আমাদের সরকারের ভাবমূর্তি উজ্জ্বল করার স্বার্থে এই অস্বাভাবিক দূর্ভাগ্যজনক ঘটনাটির উচ্চ পর্যায়ের তদন্ত হওয়া উচিত। এবং সেই সঙ্গে এইরকম ঘটনা যাতে আর না হয় -- যে বিচারের বাণী নীরবে নিভৃতে কাঁদে। সেই পরিবারের ১৫ বছরের একমাত্র ছেলে মেট্রিক

পরীক্ষা পাশ করল আর বাবা নীহত হলেন বা মৃত্যু হল। পড়াশোনা ছেড়ে একটি দোকানে কর্মচারীর কাজ করছে ২০০০ হাজার টাকা বেতনে সংসার চালানো জন্য। সেই পরিবারটির ক্ষতি পূরণের ব্যবস্থা করা হোক। মানবিকতার খাতিরে সেটা করা উচিত, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে you have made your point. মন্ত্ৰী ডাঙৰীয়া এইটো।

**শ্ৰীআবুল কালাম ৰছিদ আলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো high levelত enquiry হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এক মিনিট, এক মিনিট। আমাৰ বহুতে হাত দাঙি আছে। I am trying to accommodate.

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য শ্ৰী দিলীপ কুমাৰ পাল ডাঙৰীয়াই যিটো কথা কৈছে আমি আমাৰ চৰকাৰৰ তৰফৰ পৰা এই বিষয়টো ভালকৈ তদন্ত কৰিম। আপুনি হাউচৰ পিচত তথ্যখিনি মোকো দিব। এইটো ভালকৈ তদন্ত কৰি ইয়াত যাতে গোটেই কথাখিনিৰ সত্যটো পোহৰলৈ আহে, কি হৈছে। গতিকে এইটো তদন্ত কৰা হ'ব এইটো মই আশ্বাস দিলো।

**মাননীয় অধ্যক্ষ ঃ** Thank you. এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** Question ত সকলোৰে মই ইয়াৰ পিছতো গুৰুত্বপূৰ্ণ দেখিছো। যদি সৰে কৈ থাকে মোৰ কাৰণে পৰৱৰ্তী প্ৰশ্নলৈ যোৱাটো টান হ'ব। এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে দিলীপ পাল মহাশয় সহ অনেক বিধায়করা এই কথাগুলি উত্থাপন করেছেন। আমিও একমত যে একটা হাউস কমিটি গঠন করা খুবই দরকার। দ্বিতীয়ত অধ্যক্ষ মহোদয়, এই এনআরসির মাধ্যমে বিদেশী সমস্যার সমাধান হওয়ার কথা। কিন্তু দেখা যাচ্ছে এনআরসির মাধ্যমে সমস্যার সৃষ্টি করা হচ্ছে। আমি একটা উদাহরন দিচ্ছি। কেশব চন্দ্র রয়, এই নামটি এনআরসি তালিকায় আসেনি। এনআরসি কতৃপক্ষ থেকে জানানো হল যে কেন আসেনি তার কারণ জানানো হবে। The reason of non-inclusion of name complete NRC Draft. reasonটা দেওয়া হয়েছে others। রাহেনা বেগম, সম্ভবত এই নামটি বিদেশী ঘোষনা করা হয়েছে।

**মাননীয় অধ্যক্ষ ঃ-** They are all D-Voters.

**কমলাক্ষ দে পুরকায়স্থঃ-** No Sir। ভাষিক সংখ্যালঘু, ধর্মীয় সংখ্যালঘুদের হেরাসমেন্ট করা হচ্ছে। অধ্যক্ষ মহোদয় হাই লেভেলে একটা enquiry করা হোক।

**মাননীয় অধ্যক্ষ ঃ** Are they all D voters? I, am very seriously taking this question. ডি-ভোটাৰ related question টো কৰক তাৰ পিছত আৰু এটা আপোনাৰ তেনেকুৱা ধৰণৰ question আৰু আছে আপুনি এইটো কথা কৈছে মই লৈছো। But Minister is not bound to give any answer to that, as these are general things. ইয়াৰ পিছত মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম। মই প্ৰত্যককে এটাকৈ question দিবলৈ চেষ্টা কৰিছো নহলে Next question নাপাম।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, ডি-ভোটাৰৰ যি সকলৰ নাম ইতিমধ্যে ভাৰতীয় বুলি ঘোষিত হৈছে, তেওঁলোকৰ নাম অন্তৰ্ভূক্ত কৰাৰ ক্ষেত্ৰত বহুতে election office ত

তথ্যখিনি দিছে আৰু FRO ত দিছে আৰু District SP কো দিছে, প্ৰায় দুই তিনি বছৰ আগতে। কিন্তু এতিয়ালৈকে যে হোৱা নাই, আৰু কথাটো হ'ল যি সকল ডি-ভোটাৰ, নিয়ম মতে ডি-ভোটাৰ লগাই দিয়াৰ লগে লগে তেওঁৰ পিঠিত এটা কলংকৰ চাব লাগি গল আৰু নিয়ম মতে এজন মানুহ ডি-ভোটাৰ বা Foreigner's Tribunal case refer কৰাৰ পূৰ্বে Border Police য়ে এটা প্ৰাথমিক তদন্ত কৰিব লাগে। তেওঁক এখন Notice দিব লাগে যে এইটো মোৰ সন্দেহ হৈছে, গতিকে আপোনাৰ যদি কিবা তথ্য পাতি আছে, আপুনি দিয়ক আপোনাৰ ওপৰত আমাৰ সন্দেহ হৈছে । কিন্তু আজিলৈকে ডি-ভোটাৰ বা Foreigner's Tribunal ত যাৰ case refer হৈছে, ক'তো এনেকুৱা খবৰ পোৱা নাই যে Border Police য়ে তেখেতেৰ ঘৰত গৈছে বা তেখেতৰ পৰা Document call কৰিছে। Randomly Office ত গৈ তেওঁলোকৰ নামত ডি-ভোটাৰ বুলি লিখি দিয়া হয়। Without any prior investigation or without giving any notice. এতিয়াৰ পৰা চৰকাৰৰ গৃহ বিভাগে হস্তক্ষেপ কৰিব লাগে।

**माননীয় অধ্যক্ষ ঃ** এইটো কথা আমি সদায় কৈ আছো, This is not supplement this is a suggestion.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** माননীয় অধ্যক্ষ মহোদয়, আচলতে Border Police য়ে তেনেকৈ হাৰাশাস্তি কৰো বুলি নকৰে। Border Police য়ে কোনো সন্দেহ জনক ব্যক্তিক সোধা পোচা কৰে, আৰু তেখেতৰ পৰা তথ্য বিচাৰে। .... (সদনত হুলস্থূল).....

**माননীয় অধ্যক্ষ ঃ** Please, sit down. Please listen to him আপোনালোকক আপত্তি কৰিবলৈ আমি সময় দিম।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** माননীয় অধ্যক্ষ মহোদয়, Border Police য়ে কোনো তথ্য নোহোৱাকৈ কোনো মানুহক Foreigner's Tribunal লৈকে refer নকৰে। .... (সদনত হুলস্থূল).....

**माননীয় অধ্যক্ষ ঃ** Please, sit down. I Will make a comment. কথাটো হ'ল মন্ত্ৰী ডাঙৰীয়াই কৈছে, নকৰে আৰু আপোনালোকে কৈছে, কৰে, মই কৈছো এইটো চিঞৰ বাখৰ কৰিলে উত্তৰ নাহে মোৰ মাজত এটা ভাব হৈ আছে, মই এতিয়া নকওঁ I want to see the last part of this matter. আপোনালোকে যদি শান্তিপূৰ্ণ ভাৱে থাকে আমি কামখিনি কৰিব পাৰো, আপোনালোকে যদি Debate কৰি থাকে Debate য়ে হব। মন্ত্ৰী মহোদয় আপুনি কওঁক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** माননীয় অধ্যক্ষ মহোদয়, .... (সদনত হুলস্থূল).....

**माননীয় অধ্যক্ষ ঃ** Question Hour টো utilize কৰক for the betterment of the State. Please, sit down.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** माননীয় অধ্যক্ষ মহোদয়, D voter ৰ গোটেই concept টো এতিয়াৰ নহয়। এইখন BJP চৰকাৰৰ আমাৰ ২০১৬ চনত আহিলে D- voter ৰ টো আমৰ দিনত নহয়। .... (সদনত হুলস্থূল).....

**माননীয় অধ্যক্ষ ঃ** এইটো মোলৈ Address কৰক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** I don't like if anyone put finger on me.... (সদনত হুলস্থূল).....

**माননীয় অধ্যক্ষ ঃ** মোক কবলৈ দিয়ক, মই Ruling দিম আপোনালোকে বহক। মই থিয়

হৈছো আপোনালোকে বহক। মন্ত্ৰী ডাঙৰীয়া আপুনিও বহক। মই এই কথা দুটাত অৰ্থাৎ আজি দুটা question ৰ ক্ষেত্ৰত খুৱ sensitive, মই নিজে আজি ৰাতিপুৱা পঢ়ি চাইছো আৰু These need answers. মানুহৰ মাজলৈ যাতে এটা ভাল Message যায়। কিন্তু আমি যদি কথাটো আকৌ Confusion কৰি ৰাখি দিওঁ তেতিয়া মানুহৰ মাজলৈ আৰু ৬মাহলৈ বেয়া Message যাব। সেই কাৰণে আপোনালোকে প্ৰশ্ন কৰিছে মই মন্ত্ৰীকো কৈছো উত্তৰ দিবলৈ আৰু শেষত মই ভাবি আছো যে এই কথাটো কেনেকৈ শেষ কৰিব পৰা যায়, মোৰ মনতো এটা চিন্তা আছে। I can also share with you. সেই কাৰণে আপোনালোকে মন্ত্ৰী ডাঙৰীয়াক উত্তৰ দিবলৈ দিয়ক আৰু আমাৰ সদস্যৰ সকলৰ মাজতো কিছুমান নিয়ম-নীতি আছে যে সদনত কেনেকৈ থাকিব লাগে, অৱশ্যে তাৰ মাজত কেতিয়াবা ব্যতিক্ৰম হয়, এই বিলাক নোহোৱাতো ভাল।

সেইটোকে যদি ইচ্ছু কৰি লোৱা হয়, তেতিয়া হ'লে সদায় একেতা ইচ্ছু হৈ থাকিব। আপোনালোকে মাজত নামাতিব। মই বহাৰ পিছত আপুনি ক'ব। কথাটো হৈছে আমাৰ চৰকাৰী পক্ষ আৰু বিৰোধী পক্ষ দুয়ো পক্ষই কথাটো কৈছে। এই বিষয়টো এটা স্পৰ্শকাতৰ বিষয়। আমাক ইয়াৰ এটা সমাধান লাগিব যাতে কথাটো আহি নাথাকে। সেই কাৰণে মই ভাবিছো যে প্ৰশ্নখিনি টু দ্যা পইন্ট হওক। নহ'লে মই নিজেই আপোনালোকক কৈছো কাগজখিনি দিব। এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। পাল ডাঙৰীয়াই এটা কথা কৈছে, যদি বিষয়টো ডাইৰেক্ট ৰিলেশ্বন নহয় মই ইমান স্পৰ্শকাতৰ বিষয় এটা কিয় ক'বলৈ দিছো। আপোনালোকে বিষয়তোৰ পৰা আতৰি অন্য এটালৈ গুচি গ'ল। আমিনুল ইছলামেও হাত দাঙি আছে, মইটো এতিয়া আৰু দিব নোৱাৰো। বিষয়টো আমি ভালদৰে আলোচনা কৰাৰ প্ৰয়োজন আছে। সদনৰ ভিতৰত আলোচনা কৰিব বিচৰা নাই, সদনৰ ভিতৰত যদি ভাল আলোচনা নহয়, তেতিয়াহ'লে ৰাইজৰ মাজলৈ এটা বেয়া বাৰ্তাহে যাব। আমি যদি সঁচাই ডি-ভোটাৰৰ বিষয়টো আলোচনা কৰি সমস্যাটো শেষ কৰিব বিচাৰিছো, তেতিয়া হ'লে আমি সদনৰ বাহিৰত আলোচনা কৰিব পাৰো। নহ'লে আপোনালোকে আপত্তি কৰিব - চৰকাৰে ক'ব তেতিয়া আপোনালেকে ক'ব আমি এইটো বিচৰা নাই। ডি-ভোটাৰৰ কথাটো এটা স্পৰ্শকাতৰ বিষয়, দিলীপ পাল ডাঙৰীয়াইয়ো কৈছে, তেনেকুৱা ধৰণৰ বহুত ঘটনা হৈছে। আমাৰ অঞ্চলত ডি-ভোটাৰ নাই কাৰণে আমি ইমান কথাবিলাক নাজানো, আমি শুনিহে আহিছো। চৰকাৰে কৈছে ডি-ভোটাৰ যিসকলক আইনগত ভাবে উলিয়াই দিয়ে তেওঁলোক আমাৰ নাগৰিক হ'ব। তাৰ পিচতো কিবা কিবি অলপ হৈ আছে। ক'ত গন্দোগলটো হৈ আছে? এই কথাখিনি জনাৰ প্ৰয়োজন আছে। আপোনালোকক অনুৰোধ কৰিছো কেতিয়াবা কেতিয়াবা আমি সৰু সুৰা কথাবোৰ অৱজ্ঞা কৰিব লাগিব। এই বিষয়টো সংক্ৰান্তত সকলোৱে কৈছে, মইও এই সন্মানীয় আসনখনত বহি শুনি আছো। কিন্তু এই সদনৰ মৰ্য্যদা ৰক্ষা কৰাৰ কাৰণে, এই বিষয়টো মই ভাবিছো - মই এই আপত্তি সন্দৰ্ভত পাঁচ ঘন্টাৰ এখন সভা পাতিম আৰু তাত সকলোকে ক'বলৈ দিম। সদনত আলোচনা কৰিবলৈ দি ডি-ভোটাৰ সকলৰ মাজলৈ এটা বেয়া বাৰ্তা দিব খোজা নাই। যিসকল ভুক্তভোগী তেওঁলোকে গম পাইছে - কি হৈ আছে। মই যদি ভাৰতীয় নাগৰিক - মোক যদি ডি-ভোটাৰ নহয় বুলি কৈছে - মোক মুক্ত কৰি দিছে - মোৰ ল'ৰা-ছোৱালীটো ডি-ভোটাৰ হ'ব নোৱাৰিব। সেই কথাটো মই বুজি পোৱা কথা। কোনোবাই নাম বিলাক একে হোৱাৰ বাবেও এনেকুৱা হোৱা বুলি কৈছে - এইটো এটা কাৰণ হ'ব পাৰে। আমি গোটেই কথাখিনি কিয় আলোচনা কৰিব নোৱাৰো? অকল সদনত আলোচনা কৰিলেহে হয় নেকি? আপোনালোক যদি সঁচাকৈ বিষয়টোৰ ক্ষেত্ৰত চিৰিয়াচ,

তেতিয়াহ'লে আমি আলোচনা কৰিম। প্ৰথমে সদনৰ বাহিৰত আলোচনা কৰিম, তাৰ পিছত সদনত আলোচনা কৰি বিষয়টো শেষ দিম। শ্ৰীশ্বেৰমান আলী আহমেদ ডাঙৰীয়া অসাংবিধানিক শব্দবোৰ কাৰ্য্যবিৱৰণীৰ পৰা বাদ দিয়া হ'ব - মই সেইটো কৰিম। মই এই বিষয় সম্পৰ্কত সদস্য সকলক এটা কথা ক'ব বিচাৰিছো যে- আপোনালোকক কাৰ্য্যবিৱৰণীসমূহ দিয়া হয় - যদি তাত কিবা বেয়া থাকে আপোনালোকে শুধৰণী কৰি দিব। মোক জনাব যে এইখিনি এনেকুৱা হৈছে - মই লগে লগে শুধৰাই দিম। আজি মই নিজেই সদনৰ কাৰ্য্যবিৱৰণীসমূহ সম্পাদনা কৰি আছো - কোনেওঁটো মোক সহায় কৰা নাই। কাৰ্য্যবিৱৰণীবোৰ আপোনালোকক দিও - আপোনালোকৰো দায়িত্ব আছে - কোনোবাই যদি ভুল কৈছে আপুনি ক'ব পাৰে - এইটো নালাগে বুলি। আপোনালোকক যিখিনি কাৰ্য্যবিৱৰণী দিয়া হয় আপোনালোকে ভালদৰে পঢ়িব। আপোনালোকে মোক জনাব যিটো শব্দ বিলুপ্তি কৰিব লাগে কৰি দিম। সদনৰ আমাৰ বেয়া কথাবোৰ ভৱিষ্যতলৈ ৰাখি যাম নেকি? মই যিটো শব্দ বিলুপ্তি কৰিব লাগে কৰিম। ধন্যবাদ। এতিয়া প্ৰশ্ন নং ১০৩ শ্ৰীঅশোক সিংহল। মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, প্ৰশ্নৰ উত্তৰ সদনৰ মেজত দিয়া হৈছে।

**শ্ৰীঅশোক সিংহল ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আঠ প্ৰশ্ন কৰিছো আৰু তাৰ ভিতৰৰ চাৰিটা প্ৰশ্ন উত্তৰত কোৱা হৈছে যে 'তথ্য মজুত নাই'। অধ্যক্ষ মহোদয়, প্ৰশ্ন নং (ঘ) নেহেৰু-লিয়াকৎ চুক্তি মৰ্মে কিমান সংখ্যক লোকে সম্পত্তি বিনিময় চুক্তিৰ জৰিয়তে ভাৰতীয় নাগৰিকত্ব ত্যাগ কৰি তেতিয়াৰ পূৰপাকিস্থান (বাংলাদেশ)লৈ গুচি গৈছিল? এই প্ৰশ্নটোৰ উত্তৰ দিছে - তথ্য মজুত নাই। প্ৰশ্ন নং (ঙ) ১৯৭১ চনৰ পাছত ইয়াৰে কিমান সংখ্যক লোক পুনৰ অসমলৈ উভতি আহিল? এই প্ৰশ্নটোৰ উত্তৰ পালো - তথ্য মজুত নাই। প্ৰশ্ন নং (ছ) প্ৰত্যাৰৰ্ত্তন কৰা এই লোকসকলে নতুনকৈ ভাৰতীয় নাগৰিকত্বৰ বাবে আবেদন কৰাৰ কিবা তথ্য মজুত আছে নেকি? যদি আছে, বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব। এই প্ৰশ্নটোৰো উত্তৰ দিছে - তথ্য মজুত নাই। প্ৰশ্ন নং (জ) অবৈধভাৱে প্ৰত্যাৰৰ্ত্তন কৰা এনে কিমানজন লোকৰ বিপৰীতে অসমৰ কোন কোন জিলাত কিমানটা গোচৰ ৰুজু হৈ আছে আৰু বৰ্তমান ই কি পৰ্য্যায়ত আছে? বিতং তথ্য জনাব। এই প্ৰশ্নটোৰো উত্তৰ দিছে - তথ্য মজুত নাই। অধ্যক্ষ মহোদয়, ইমান গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত যদি গৃহ বিভাগে কয় তথ্য মজুত নাই - এই কথাটো মানি ল'ব নোৱাৰি। কাৰণ এই কথাতো নেহেৰু-লিয়াকৎ চুক্তিৰ পিছত পূৰপাকিস্থান বৰ্তমানৰ বাংলাদেশত থকা বহুত হিন্দু বাঙালীৰ পৰিয়াল ভাৰতবৰ্ষলৈ আহিছিল, অসমলৈ আহিছিল আৰু ইয়াত থকা অসমৰ মুছলমান সম্প্ৰদায়ৰ মানুহে ভাৰতীয় নাগৰিকত্ব ত্যাগ কৰি পূৰপাকিস্থানলৈ গৈছিল - এই তথ্য বিলাক চৰকাৰৰ হাতত থকা উচিৎ -কিন্তু চৰকাৰে যদি কয় তথ্য মজুত নাই কথাটো ঠিক নহয়। সঁচাকৈ তথ্য নাইনে, তথ্যসমূহ ক'ৰবাত হেৰাই গৈছে, তথ্যসমূহ ধ্বংশ কৰি দিয়া হৈছে নেকি এই কথা বিলাক জনাৰ প্ৰয়োজন আছে। ইমান গুৰুত্বপূৰ্ণ তথ্য যদি চৰকাৰৰ হাতত নাথাকে তেতিয়াহ'লে মই ভাবিম যে ক'ৰবাত চক্ৰান্ত হ'ব পাৰে বা কাৰোবাৰ গাফিলতিও হ'ব পাৰে। অধ্যক্ষ মহোদয় আৰু এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন আছিল (ক)ত বৰ্তমান ৰাজ্যত চলি থকা এন.আৰ.চি উন্নীতকৰণ প্ৰক্ৰিয়াৰ দ্বাৰা অসম চুক্তিৰ পাঁচ নং দফাৰ সাত নং অনুচ্ছেদৰ নীতিক নস্যাৎ কৰা হৈছে, এই বিষয়ে চৰকাৰ অৱগতনে? যদি অৱগত, ইয়াৰ সুৰক্ষাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে? অধ্যক্ষ মহোদয়, ১৯৬১ চনৰ লোকপিয়ল মতে প্ৰায় দুই লাখ বিশ হাজাৰ লোকক বিদেশী বুলি চিনাক্ত কৰা হৈছিল আৰু ইয়াৰে প্ৰায় একলাখ আশী হাজাৰ লোকক বহিস্কাৰ কৰিবলৈ আৰক্ষী বিভাগ সফল হৈছিল বাকী থকা চল্লিছ হাজাৰ লোকক বহিস্কাৰ

কৰিলৈ সক্ষম নহ'ল। অধ্যক্ষ মহোদয় ইয়াৰ পিছত আকৌ বহুত মানুহ ইয়ালৈ ঘূৰি আহিল। বিদেশী বুলি চিনাক্ত হোৱা লোক যদি ১৯৭১ চনৰ আগত ঘূৰিও আহে তেতিয়া হ'লে তেখেতসকলৰ বিদেশী বুলিয়েই চিনাক্ত কৰা হ'ব ভাৰতীয় বুলি কোৱা নহয়। তেওঁলোকক অসম চুক্তিয়েও ভাৰতীয় নগৰিকত্ব প্ৰদান কৰা নাই যদিও তেওলোকে ১৯৭১ চনৰ আগতে অসমলৈ ঘুৰি আহিছে। মোৰ প্ৰশ্নটো হৈছে - চৰকাৰে এন.আৰ.চি বিভাগ নাইবা উচ্চতম ন্যায়ালয়ক এই বিষয়টো জনাইছেনে নাই? যদি জনোৱা নাই তেতিয়া হ'লে মই ভাবো আজিৰ এই সদনে প্ৰস্তাৱ আকাৰে এটা সিদ্ধান্ত গ্ৰহণ কৰিব লাগে আৰু অসম চুক্তিৰ পাঁচ নং দফাৰ সাত নং অনুচ্চেদৰ যিটো ধাৰা সেইটো যাতে উলঙঘা নহয় তাৰ ব্যৱস্থা কৰিব লাগে। এই দুই লাখ বিশ হাজাৰ লোকক বিতাৰিত কৰিব লাগে আৰু এই লোকসকলৰ নাম ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত অন্তৰ্ভূক্ত কৰিব নালাগে। এইটো এটা গুৰুত্বপূৰ্ণ বিষয় অধ্যক্ষ মহোদয়, এই বিষয়টো যদি আলোচনা নকৰাকৈ থাকি যায় তেতিয়া হ'লে ঠিক নহ'ব। গতিকে প্ৰস্তাৱ আকাৰে আমি উচ্চতম ন্যায়ালয়ক এই বিষয়টো অৱগত কৰিব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, যিবিলাকৰ তথ্য নাই, নাই বুলিয়েই ক'ব লাগিব, ন'হলে কি বুলি ক'ম। আমাৰ চৰকাৰ হ'বলৈ মাত্ৰ দুই বছৰ হৈছে - এই নেহেৰু-লিয়াকৎ চুক্তি হৈছিল ....

(সদনত একেলগে বিৰোধী পক্ষৰ চাৰি-পাঁচজন মাননীয় সদস্যই কথা কোৱাৰ ফলশ্ৰুতিত এক হুলুস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষ** ঃ মই আপোনালোক সকলোকে বহিবলৈ কৈছে, আপোনালোকে বহক, মন্ত্ৰীক উত্তৰটো দিবলৈ দিয়ক, উত্তৰটো দিয়াৰ পিছত ক'ব। এতিয়া মন্ত্ৰী ডাঙৰীয়া আপুনি শেষ কৰক।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, নেহেৰু-লিয়াকৎ চুক্তি হৈছিল ১৯৫০ চনত। সেইটো সংসদে পুনৰ ৰেতিফাইঅ' কৰাও নাই। কোন গ'ল, কোন আহিল, কাৰ মাটি ক'ত থাকিল কি হ'ল একো নাই। অসম পুলিচে স্বাধীনতাৰ পিছত আজিলৈকে নগাওঁত এটা কেছ ডিটেক কৰিছে। তাৰ বাহিৰে কোনো তথ্য নাই। সেই তথ্যবিলাক ৰখাৰ দায়িত্ব কাৰ আছিল? তেতিয়াটো অসম গণ পৰিষদৰ চৰকাৰ নাছিল, বিজেপিৰ চৰকাৰো নাছিল। যি চৰকাৰ আছিল তেওঁলোকৰ দায়িত্ব আছিল এই তথ্য বিলাক ৰখাৰ। কাৰ আছিল এই তথ্য ৰখাৰ? .....

(সদনত একেলগে বিৰোধী পক্ষৰ চাৰি-পাঁচজন মাননীয় সদস্যই কথা কোৱাৰ ফলশ্ৰুতিত এক হুলুস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষ** ঃ আপোনালোক সকলোৱে বহক। ১৯৫১ চনৰ পৰা ১৯৭১ চনৰ ভিতৰত যদি কোনোবা গৈছিল তেতিয়া হ'লে সেই তথ্যখিনি, সেই সময়ৰ গৃহ বিভাগে ৰাখিব লাগিছিল। চৰকাৰৰ কোনো কথা কোৱা নাই। তেখেতে কৈছে ১৯৫১ চনৰ পৰা গৃহ বিভাগে কোনো তথ্য নৰখাৰ বাবে মন্ত্ৰীয়ে তথ্য দিব পৰা নাই। মন্ত্ৰী ডাঙৰীয়া আপুনি শেষ কৰক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, গৃহ বিভাগে এই তথ্যবোৰ তেতিয়া নাৰাখিলে। কথা খিনিত সিংহল ডাঙৰীয়াই কৈছে যে - 1961 চনৰ পৰা ইমানখিনি মানুহ খেদা গৈছে, আচলতে দুৰ্ভাগ্যজনক কথাটো হৈছে যে বোৰ্ডাৰত যিটো Check Point আছে, তাত মাত্ৰ সংখ্যাটো ৰাখিছিল, তাত যিজন মানুহ গল তেখেতৰ নাম বা তেখেতৰ মাক-দেউতাকৰ নাম তথা থকা গাওঁ খনৰ নাম এই সম্পৰ্কত কোনো তথ্য নাই।

গতিকে 2012 চনত ইয়াৰ আগৰ চৰকাৰে এখম শ্বেতপত্ৰ দাখিল কৰিছিল। সিংহল ডাঙৰীয়াই কোৱা কথাখিনিত 1961 আৰু 1966 চনৰ যিখিনি কথা আছে, বিমলা প্ৰসাদ চলিহা মূখ্যমন্ত্ৰী হৈ থকা অৱস্থাত কিমান মানুহ ইয়াৰ পৰা Depot কৰা বুলি সংখ্যাটো কৈছে। এইটো census ৰ ওপৰত ভিত্তি কৰি কোৱা হৈছে। সেই একেখন চৰকাৰে অধ্যক্ষ ডাঙৰীয়া 2012 চনত শ্বেতপত্ৰ দিলে আৰু 2014 চনত NRC ৰ Modality প্ৰস্তুত কৰিলে। কিন্তু 2012 চনত 2.00 লাখ মানুহ বহিস্কাৰ কৰা বুলি সেইখন চৰকাৰেই কৈছিল। সেই বস্তুখিনি NRC ৰ Modality ত তেওঁলোকে নভৰালে, এইটো দুৰ্ভাগ্যজনক।

**মাননীয় অধ্যক্ষ ঃ এতিয়া** Point of Order.

**ডাঃনোমল মোমিন, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তৰাবিহীন প্ৰশ্ন নং 233 ত মই চুৰি হোৱা গাড়ী বিলাকৰ নম্বৰৰ তথ্য বিচাৰি আবেদন কৰিছিলো, কিন্তু আচৰিত কথাটো হ'ল যে - AS - 01- MB - 050 5 নম্বৰৰ গাড়ীখনৰ সম্পৰ্কত ( C.M. Vigilenceটো Enquiry কৰিবলৈ আবেদন কৰিছিলো) তাৰ কোনো তথ্যই নাপালো। মই জনাত এই গাড়ীখন নাগালেণ্ডত নতুনকৈ Registration কৰা হৈছে। গতিকে এই বিষয়টো গুৰুত্ব সহকাৰে লৈ এখন সদন সমিটি বহুৱাই তদন্ত কৰাৰ ব্যৱস্থা কৰিলে ভাল হয়, নহলে Enquiry কৰাৰ কাৰণে CBI ক দায়িত্ব দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মই আপোনাৰ কথাটো বিবেচনা কৰি চাম।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টি বৰপেটা ৰাজহ চক্ৰৰ অন্তৰ্গত পহুমাৰা, টিহু, কালদিয়া, বুঢ়াদিয়া আদি নদীৰ জানে ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলবিলাকত যোৱা সাঁত দিনত ব্যাপক ৰূপত বানপানীৰ সৃষ্টি কৰিছে আৰু এই সম্পৰ্কত মই যোৱা কালি Zero Hour Notice ৰ যোগে আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিছিলো,

**মাননীয় অধ্যক্ষ ঃ** Zero Hour ৰ Notice সমুহ এতিয়াও Consideration stage তে আছে, মই এতিয়ালৈকে Cancel কৰা নাই যিহেতুকে আমি মাত্ৰ তিনিটা হে Notice House ত place কৰিব পাৰো, সেই কাৰণেহে আপোনাৰটো দিয়া নহল. মই কিন্তু মনত ৰাখিছো কথাবোৰ as it is a very very sensitive matter. এতিয়া ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ 214 No. Unstarred Question এটা আছিল, মোৰ মৰিয়ণি সমষ্টিত 2015-16 চনতেই তিনিটা BOP sanction কৰিছিল। সেইকেইটা হল- নাগিনিজান, মুগৰৈ আৰু লক্ষিমপুৰৰ মইনাজুলি। মইনাজুলিত প্ৰায় 80% কাম সম্পুৰ্ণ কৰা হৈছে, নাগিনিজানতো প্ৰায় 80% কাম সম্পূৰ্ণ কৰা হৈছে কিন্তু মুগৰৈ BOP টোৰ কাম এতিয়ালৈকে আৰম্ভ কৰা হোৱা নাই। এই সম্পৰ্কত দিয়া বিভাগীয় উত্তৰটোও Specific হোৱা নাই। সেয়েহে মহোদয় মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে- অতি শীঘ্ৰে যেন এই BOP টোৰ কাম কৰি সম্পূৰ্ণ দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** ইয়াত নাগালেণ্ডৰ Boarder ৰ কথা আছে, গতিকে বিষয়টো অতি স্পৰ্শকাতৰ আৰু I will definitly look into this matter. এতিয়া শ্বেৰমান আলী আহমেদ ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ২০০৩ চনৰে প্ৰশ্ন এটাৰ উত্তৰ যোৱা কালি বিভাগৰ ফালৰ পৰা পালো। Question টোত Clearly mention কৰা আছিল যে - although Daisy Hazarika, the then DCPO ইত্যাদি ইত্যাদি, কিন্তু প্ৰশ্নটোত লিখিছে the then CDPO. এনেকুৱা ধৰণৰ ভুলবিলাক কিয় হয়?

**মাননীয় অধ্যক্ষ ঃ** মই বাৰু চাম কথাটো কিয় এনেকুৱা হৈছে। আমি সাধাৰণতে নামটো নিলিখো, Designation টোহে লিখো।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বিধায়ক ঃ** প্ৰশ্নটোত থকা এই ভুলটোৰ ফলস্বৰূপে বিভাগৰ ফালৰ পৰা উত্তৰত আহিলে যে - the CDPO, Barpeta had never been absent.

**মাননীয় অধ্যক্ষ ঃ** I will make it confirm that you will receive the answar within this Session.

**শ্ৰী শ্বেৰমান আলী আহমেদ, বিধায়ক ঃ** চাৰ, in future যাতে এনেকুৱা নহয়।

**মাননীয় অধ্যক্ষ ঃ** সেইটো মই চাম বাৰু।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বিধায়ক ঃ** Regarding Question No. 102. Question No. 102 টোৰ ওপৰত যিখিনি হস্তক্ষেপ কৰিলে তাত আমি সন্তুষ্টি প্ৰকাশ কৰিছো।

দ্বিতীয় কথাটো হল - Law আপুনিও জানে। Law ৰ basic principle টো হ'ল যে 100 জন যদি দোষী মানুহ শাস্তি নোপোৱাকৈ সাৰি যাব পাৰে, তেতিয়া তাৰ লগে লগে আমি চাব লাগে যাতে এজনো নিৰ্দোষী মানুহেও যাতে বিনাকাৰণত শাস্তিৰ সন্মুখীন হ'বলগীয়া নহয়। এতিয়া Question No. 102 ৰ Reply আৰু Verbal Reply ত জনাইছে যে পুলিছে তদন্ত কৰি তথ্যৰ ভিত্তিত হে শাস্তি প্ৰদান কৰে। এই উত্তৰ মতে গলে দেখা যায় যে 67,000 মানুহ দশক বছৰ ধৰি তেওঁলোকৰ ভোটাধিকাৰকে ধৰি সকলো ধৰণৰ অধিকাৰ হৰণ হল। মাননীয় অধ্যক্ষ মহোদয়, এটা, দুটা ভুল হব পাৰে, সেইটো consider কৰিব পাৰি, even 5% mistake is Ok, কিন্তু such a huge number have been declared. Then how this police enquiry is going on !

**মাননীয় অধ্যক্ষ ঃ**এই ক্ষেত্ৰত Leader of the Oppositionত খুউব সোনকালে Modality টো ঠিক কৰি বৈঠকত আমি বহিম। আপোনাৰ লগতে যি সকল Concerned MLAs আছে তেখেত সকলো তাত থাকিব। Let us see how to find a solution, Past is Past. এতিয়াৰ পৰা যাতে এনেকুৱা নহয়।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বিধায়ক ঃ** চাৰ, এজন মানুহৰ মানৱ অধিকাৰ উলংঘন হোৱাটোৱেই ডাঙৰ কথা।

**মাননীয় অধ্যক্ষ ঃ** শ্বেৰমান ডাঙৰীয়া, আমাৰ ইয়াৰ দায়িত্ব হৈছে যিমান পাৰো কথাখিনি ভালকৈ আৰু শুদ্ধকৈ কোৱা। মই ইয়াত দেখিছো আমাৰ MLAs সকলে তেওঁলোকৰ সমষ্টিৰ কথা বহু কয়, কিন্তু মই কতো এটাও গুৰুত্বপূৰ্ণ বিষয়ত কোৱা দেখা নাপাওঁ। সমষ্টিৰ কথা বিলাক তাৰ মানুহে জনাৰ অধিকাৰ আছে, কিন্তু এটা কথাই বাৰে বাৰে কৈ থকাটোও ঠিক নহয়। মোৰ দৃষ্টিগোচৰ হৈছে, চৰকাৰৰ দৃষ্টিগোচৰ হৈছে আৰুনো কাৰ দৃষ্টিগোচৰ কৰিবলগীয়া আছে !

কথাযাৰ কোৱাৰ বাবে বেয়া নাপাব। আপোনাৰ বক্তব্যটো মানি ললো আৰু নালাগে কব। এতিয়া খালেক ডাঙৰীয়া।

**শ্ৰী আব্দুল খালেক, বিধায়কঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মোৰ লিখিত প্ৰশ্ন নং ২১৫ আৰু সিংহল ডাঙৰীয়াৰ মৌখিক প্ৰশ্ন নং ১০৩ দুয়োটা related matter হয়। মোৰ প্ৰশ্নৰ উত্তৰত চৰকাৰে কৈছে যে - ৰাজ্যিক সমন্বয়কে NRC ৰ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ত দাখিল কৰা প্ৰতিবেদনৰ বিষয়ে চৰকাৰক জনোৱা নাই আৰু সিংহল ডাঙৰীয়াৰ উত্তৰত কৈছে যে NRC উন্নীতকৰণৰ কাম মহামান্য উচ্চতম ন্যায়ালয়ৰ প্ৰত্যক্ষ তত্বাৱধানত ৰাজ্যিক সমন্বয়কে ৰূপায়ন

কৰি আছে আৰু ৰাজ্যিক সমন্বয়কে NRC খচৰাত অন্তৰ্ভুক্ত আৰু কৰ্তন হোৱা লোকৰ তথ্য ৰাজ্য চৰকাৰক জনোৱা নাই। এতিয়া কথাটো হৈছে চাৰ, NRC ৰ ৰাজ্যিক সমন্বয়কক ৰাজ্য চৰকাৰে নিযুক্তি দিছে। উচ্চতম ন্যায়ালয়ৰ পৰ্য্যবেক্ষণত চলি থাকিলেও বিধান সভাই কথাবোৰ জানিব লাগিব। সেইকাৰণে চাৰ, যদিও উচ্চতম ন্যায়ালয়ে এটা Order দিছে যে Court ৰ পৰা অনুমতি নোহোৱাকৈ কোনো তথ্য জনাব নোৱাৰিব, গতিকে আমি যেতিয়া প্ৰশ্ন কৰো তেতিয়া Court ৰ পৰা অনুমতি লৈ আমাক জনাব লাগে। কিন্তু আমাক যদি তথ্য জনাৰ অধিকাৰৰ পৰা বঞ্চিত কৰে কথাটো ঠিক নহব। সেই কাৰণে আপোনাৰ জৰিয়তে মন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, বিধায়ক ঃ** অধ্যক্ষ মহোদয়, মোৰ Starred Question-116, গোৱালপাৰাৰ Detention Camp ৰ 13-11-2017, 14-11-2017 আৰু 19-03-2018 চনত তিনিবাৰকৈ উন্মোচিত কৰিলে । তাত 165 জন D-Voter আছে। বাৰে বাৰে TV ত দেখুৱাই থকা হৈছে, বাৰে বাৰে মানৱ অধিকাৰ লংঘন হৈ আছে আৰু তেওঁলোক নৈতিক অধিকাৰৰ পৰা বঞ্চিত হৈ আছে। গতিকে উচ্চ পৰ্য্যায়ৰ তদন্ত কৰি মন্ত্ৰী মহোদয়ক এইটো চোৱাৰ কাৰণে অনুৰোধ জনালো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, ঠিকেই কৈছে, এইটো চাব লাগে।

**শ্ৰী মৃণাল শইকীয়া, বিধায়ক ঃ** অধ্যক্ষ মহোদয়, মোৰ 109 নম্বৰত এটা প্ৰশ্ন আছিলে অসম বন্ধ আৰু ৰাস্তাত Tyre জ্বলোৱা সম্পৰ্কত। মোক উত্তৰটো দিছে, কিন্তু মই সন্তুষ্ট হোৱা নাই। মাননীয় উচ্চ ন্যায়ালয়ে বহু দিনৰ আগতে চৰকাৰক এটা জাননী দিছিল যে - অসম বন্ধক লৈ এটা কঠোৰ আইন প্ৰনয়ণ কৰা হওঁক। কিন্তু ৰাজ্য চৰকাৰে এতিয়াও আইনখন প্ৰনয়ণ কৰা নাই। অসমত অসম বন্ধটো এটা ব্যাধি ৰূপে পৰিচিত হৈছে।

দ্বিতীয়তে, অসমৰ ৰাস্তাত Tyre জ্বলাই থকা দৃশ্যটো অতি সুলভ। যতে ততে জ্বলাই 4/5 জন মানুহে অসম বন্ধ কৰি দিব পাৰে, ৰাস্তা বন্ধ কৰি দিব পাৰে। মোৰ প্ৰশ্নৰ উত্তৰত এইটো বেআইনী বুলি কৈছে আৰু আইনী প্ৰক্ৰিয়াৰে ব্যৱস্থা লৈ থকা বুলি কৈছে। কিন্তু আজিলৈকে কতো Tyre জ্বলোৱা Case ত কাকো গ্ৰেপ্তাৰ কৰা নাই আৰু এইক্ষেত্ৰত কোনো Case আজিলৈকে  লোৱা দেখা নাই। গতিকে এইক্ষেত্ৰত আইন বিলাক কঠোৰ হোৱা উচিত।

**মাননীয় অধ্যক্ষ ঃ** এই ক্ষেত্ৰত মই অধ্যক্ষ হিচাবে কৈছো যে গনতান্ত্ৰিক ব্যৱস্থাত প্ৰতিবাদ এটা অন্যতম অংগ। প্ৰতিবাদ নহ'লে গনতন্ত্ৰ জীয়াই নাথাকে আৰু সেই প্ৰতিবাদ কৰাৰ অধিকাৰ সকলোৰে আছে। কিন্তু প্ৰতিবাদ বিলাক এনেকুৱা হ'ব নালাগে যাৰ ফলত গোটেই দেশৰ অৰ্থনৈতিক ক্ষতি হয় বা ৰাজ্যৰ অৰ্থনৈতিক ক্ষতি হয় বা মানুহৰ অসুবিধা হয়। মই বিদেশৰ  বহু ঠাইত দেখিছো যে প্ৰতিবাদ পিছবেলা  বা গধূলি সময়ত কৰে যাতে কাৰো অসুবিধা নহয়। আমাৰ ইয়াত কিন্তু গোটেই দিনটো প্ৰতিবাদ কৰি সাধাৰণ মানুহৰ জীৱন দুৰ্বিসহ কৰি তোলে। গতিকে হাই কোৰ্টে যিখিনি নিৰ্দ্দেশ দিছে সেইটোক আমি স্বাগতম জনাইছো। কিন্তু implementation কৰাৰ ক্ষেত্ৰত এইটো অকল চৰকাৰৰ কাম নহয়। মই আপোনাৰ কথাটো মানিছো যে আইন এখন প্ৰনয়ণ কৰিবলৈ দিছে যিহেতু চৰকাৰে সেইটো মানিব লাগে। আমি সকলো ৰাজনৈতিক দলৰ পৰা অহা। আমি যেতিয়া শাসনত থাকো তেতিয়া আমি বন্ধ নিদিওঁ। কিন্তু বিৰোধীলৈ গ'লে আমিও বন্ধ আহ্বান কৰো। এইটো মিছা কথা নহয়। গতিকে যিহেতু বন্ধ নিদিলে উপায় নাই এই কথাবিলাক কিছুমান ক্ষেত্ৰত কোৰ্টৰ কথাবিলাক আপোনালোকে খুব মানে যে এইটো কৰিব লাগে কিন্তু মই

ভাৱো যে কিছুমান ক্ষেত্ৰত কোৰ্টে ডিৰেকশ্যন দিলেও চাব লাগে যে wheather Government can implement it or not ? মই কাকো প্ৰশ্ন কৰা নাই। কাৰণ we all are independent. মই আপোনাৰ কথাটোত একমত কাৰণ আগতেও কোৰ্টত এটা অৰ্ডাৰ হৈছে। কিন্তু চৰকাৰেও এইটো কথা চাব লাগে যে যদি আইন এখন প্ৰনয়ণ কৰিবলৈ দিছে সেইটো মানিবলৈ হ'লে আমি আইনখন প্ৰনয়ণ কৰিব লাগে আৰু এই ক্ষেত্ৰত আমি এইটোৱে কম যে প্ৰথমতে আমি ৰাজনৈতিক দল বিলাকে ঠিক কৰিব লাগিব যে আমি কেতিয়াও বন্ধ ঘোষণা নকৰো। তেতিয়াহে আমি বাকী বিলাকক ক'ব পাৰিম। এই কথাটো সকলোৰে ভাৰক। মই কোৱা নাই কৰিব লাগে বুলি। মোৰ ক'ব পৰা অধিকাৰটো আজি আছে কাৰণে কৈছো। এই cotradiction বোৰ সকলোৰে আছে। আপোনাৰ যদি বেলেগ পইণ্ট অফ অৰদাৰ আছে এইটোৰ বাহিৰে তেতিয়াহ'লে ক'ব পাৰে।

**শ্ৰী অতুল বৰা ঃ** মই পৰিপূৰক প্ৰশ্ন এটা উত্থাপনৰ বাবে বহুবাৰ হাত দাঙিলো কিন্তু আপুনি প্ৰত্যক্ষ নকৰিলে। যাৰ ফলত মই সুবিধাটো নাপালো। মোৰ অনুভৱ হৈছে আপুনি যেন মোক বক্তব্য ৰাখিবলৈ সুবিধা দিব বিচৰা নাই। মোৰ সুধিব লগা কথাটো আছিল মাননীয় মন্ত্ৰী শ্ৰী পৰিমল শুক্লবৈদ্যই কৈছে সকলোতে মাছ- মাছ ক'ত আছে ? মইটো ক'তো মাছ দেখা নাই.............................

**মাননীয় অধ্যক্ষ ঃ** বৰা ডাঙৰীয়া আপুনি এজন চিনিয়ৰ মেম্বাৰ। আপুনি আগতে মন্ত্ৰীও আছিল। মই মাত্ৰ চাপলিমেণ্টৰী দুটা প্ৰশ্ন এলাও কৰিব পাৰো। সাধাৰণতে হাউচটো বিৰোধী পক্ষৰ। শাসকীয় পক্ষৰো হয় কিন্তু হাউচৰ অপজিশ্যনৰ মানুহৰ কাৰণে হাউচটো চলাওঁ। শাসকীয় পক্ষ্কো সুবিধা দিওঁ। আপুনি যিটো কথা কৈছে ইয়াত discrimination ৰ কথা নাই। আপুনি কেতিয়াবা স্লিপও দিব পাৰে। মই বিশেষকৈ চিনিয়ৰ মেম্বাৰ সকলক গুৰুত্ব বেছিকৈ দিওঁ। আমি সাধাৰণতে শাসকীয় পক্ষৰ এটা বা দুটাতকৈ বেছি নিদিওঁ কিয়নো শাসকীয় পক্ষই মন্ত্ৰীক লগ ধৰি সুধিব পাৰে আৰু এইটো হাউচ চলোৱাৰ এটা পৰম্পৰা বুলি মই ভাৱো। মই যিখিনি পাৰো অধ্যয়ণ কৰিছো আৰু সেই অধ্যয়ণৰ পৰা গম পাইছো যে বিৰোধী পক্ষৰ কণ্ঠটো যাতে হাউচত প্ৰতিফলিত হয়। আপোনাৰ ক্ষেত্ৰত মই চকু ৰাখিম যাতে আপুনি কেতিয়াও বঞ্চিত হ'ব লগীয়া নহয়। আপুনি যিহেতু চিনিয়ৰ মেম্বাৰ আপুনি মোক ক'ব পাৰে যে মোক আপুনি অলপ কম সময় দিছে নেকি ?

**শ্ৰী নুৰুল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ২০৮ নম্বৰত এটা তৰাবিহীন প্ৰশ্ন আছিল। " নগাওঁ জিলাৰ উন্নতম ব্যৱসায়িক আৰু উদ্যোগিক কেন্দ্ৰস্থল ৰূপহী অঞ্চলত সঘনাই অগ্নি সংযোগৰ ফলত বছৰি লাখ লাখ টকাৰ সম্পত্তি ধ্বংস হোৱাৰ বিষয়ে চৰকাৰ অৱগত আৰু পুঁজি সাপেক্ষে অগ্নি নিৰ্ব্বাপক আস্থান স্থাপনৰ বাবে পূৰ্বতে দিয়া আশ্বাস কাৰ্য্যকৰণৰ ব্যৱস্থা হাত ত লোৱা হৈছে নেকি"? এইক্ষেত্ৰত মন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে ৪২ টা অগ্নি আৰু আপাতকালীন সেৱা কেন্দ্ৰ সক্ৰিয় ভাৱে কাৰ্য্যক্ষম কৰাৰ বাবে অনুমোদন জনাইছে আৰু পৰ্য্যায়ক্ৰমে বাকী থকা প্ৰস্তাৱ সমূহো অনুমোদনৰ বাবে বিবেচনা কৰি থকা হৈছে। কিন্তু এই যে ৪২ টা কৰিলে, এই ৪২ টাত মোৰ ৰূপহী সমষ্টিটো নোসোমালে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ ২০৮ প্ৰশ্নটো কাৰ্য্যকৰী নহ'ল গতিকে মন্ত্ৰী ডাঙৰীয়া অকনমান চকু ৰাখিব। এতিয়া শূন্যকালীন ঘণ্টা। মাননীয় সদস্য শ্ৰী গুনীন্দ্ৰ নাথ দাসক তেওঁৰ জিৰ' আৱাৰটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী গুনীন্দ্ৰ নাথ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৩০ চেপ্তেম্বৰত আমাৰ অসম কাকতত "সত্ৰৰ উন্নয়ণত চৰকাৰৰ হথকাৰী সিদ্ধান্ত কেৱল ৩ কোটি কিয় ? অস্তিত্বৰ সংকটত ৰাজ্যৰ ১৪০

খন সত্ৰ"। এইটো এটা গুৰুত্বপূৰ্ণ বিষয় আপুনি উত্থাপন কৰিবলৈ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ যাচিছো আৰু মই এই গুৰুত্বপূৰ্ণ ঘটনাটো মই আমাৰ মন্ত্ৰী মহোদয়ক অৱগত কৰি দুআষাৰ ক'ব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, অসম আন্দোলনৰ চুক্তিৰ ৬ ধাৰা মতে অসমৰ সত্ৰ সমূহ আৰু বিভিন্ন দেৱ-দেৱালয় সংৰক্ষণ আৰু শ্ৰীবৰ্ধনৰ কাৰণে ব্যৱস্থা লৈছে। আমি সকলোৱে জ্ঞাত যে যোৱা আমাৰ চৰকাৰৰ দিনত ২০১৬-১৭ চনত অসমৰ সত্ৰ সমূহ উন্নয়ণৰ কাৰণে ২৫ কোটি টকা ধাৰ্য্য কৰিছে। কিন্তু দুখৰ কথা যে এইবাৰ মাত্ৰ ৩ কোটি টকা ধাৰ্য্য কৰিছে। আমি সকলোৱে জানো যে আমাৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱ, মাধৱ দেৱ এই গুৰু দুজনাৰ লগতে আতাপুৰুষ সকলৰ গোটেই অসমতে ৯২৬ খন সত্ৰ আছে। এই ৯২৬ খন সত্ৰৰ ভিতৰত যোৱা ২০১৭-১৮ চনত এই ২৫ কোটি টকাৰে এই ১৪০ খন সত্ৰ সংৰক্ষণ আৰু উন্নয়ণ কৰাৰ ব্যৱস্থা কৰিছিল আৰু মোৰ বৰপেটা জিলাতো প্ৰায় ৩০ খন সত্ৰ এই টকাৰে আমি উন্নয়ণ কৰিছিলো। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, আজি দুখ লগা কথা যে ২০১৬ চনত মাননীয় শ্ৰী সৰ্ব্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰখন আহিলে অসমৰ ৰাইজ বিশেষকৈ অসমৰ খিলঞ্জীয়া ৰাইজে ভাৱিছিল যে আমাৰ সমস্যা বিলাক সমাধান হ'ব আৰু বিশেষকৈ এই সত্ৰ সমূহৰ লগত অসমৰ জনসাধাৰণৰ অন্তৰৰ এটা সম্বন্ধ আছে। আমি সকলোৱে আশা কৰো যে গুৰু দুজনাৰ এই সত্ৰ সমূহৰ আমি সংৰক্ষণ কৰিব লাগিব আৰু উন্নয়ণ কৰিব লাগিব। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো অসমৰ লগতে বৰপেটা জিলাৰ এতিয়াও বহু কেইখন সত্ৰ জহি-খহি গৈছে। যেনেকৈ আজি পাটবাউসী সত্ৰ, নসত্ৰ, শ্ৰী শ্ৰী দামোদৰ সত্ৰ, হৰিদেৱ সত্ৰ, জনিয়া সত্ৰ, খিলাজাৰী সত্ৰ, কালজাৰ সত্ৰ ইত্যাদি বহুতো সত্ৰ এতিয়াও জৰাজীৰ্ণ-অৱস্থাত আছে আৰু মই ভাৱো যে অসমৰ বিভিন্ন ঠাইত এনেকুৱা সত্ৰ আছে। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয় তথা চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যে যি ৩ কোটি টকাৰ আৱন্টন এইবাৰ বাজেটত দিয়া হৈছে এই ৩ কোটি টকা আচঁলতে অতি নগন্য। গতিকে আমি আশা কৰো চৰকাৰে যাতে অতি কমেও ১০০ কোটি টকা আৱন্টন কৰে। কাৰণ অসমৰ ৰাইজে এই চৰকাৰখনৰ ওপৰত বহুত আশা ৰাখিছে আৰু মই ভাৱো যে সত্ৰ সমূহৰ সংৰক্ষণ হ'লে অসমীয়া জাতিটোৰ সংৰক্ষণ হ'ব। সেইকাৰণে অধ্যক্ষ মহোদয়, মই গুৰুত্বপূৰ্ণ বিষয়টো পুনৰ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যাতে যথেষ্ট পুঁজি দি অসমৰ সত্ৰ সমূহ সংৰক্ষণ কৰক, উন্নতি কৰক তাকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অৱগত কৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী কেশৱ মহন্ত, মাননীয়, জলসম্পদ মন্ত্ৰী ঃ** আজি শ্ৰী গুনীন্দ্ৰ নাথ দাস ডাঙৰীয়াই শূণ্য কালীন ঘণ্টাত যিটো বিষয় উত্থাপন কৰিছে, সেইটো "আমাৰ অসম কাককতত প্ৰকাশ পোৱা ,সত্ৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰৰ হঠকাৰী সিদ্ধান্ত, কেৱল ৩ কোটি কিয় ? অস্তিত্বৰ সংকটত ৰাজ্যৰ ১৪০ খন সত্ৰ। সত্ৰ উন্নয়নৰ বাবে চৰকাৰে মুকলি কৰক ১০০ কোটি টকাৰ পেকেজ"। এই শীৰ্ষক বাতৰিটোৰ সন্দৰ্ভত তেখেতে ইয়াত বিভিন্ন কথা উল্লেখ কৰিছে। এই সত্ৰ বা দৌল-দেৱালয়ৰ বিষয়টো ইয়াৰ আগতে বিশেষভাৱে উল্লেখ হ'বলগীয়া নাছিল। এই বিষয়টো যেতিয়া অসম চুক্তিৰ ৬ নং দফাত অসমৰ যিখিনি ঐতিহ্য, ভাষিক, সাংস্কৃতিক সম্পদসমূহক সুৰক্ষা দিয়াৰ প্ৰতিশ্ৰুতি লিপিবদ্ধ হ'ল আৰু সেই প্ৰতিশ্ৰুতি লিপিবদ্ধ হোৱাৰ পিছত কেন্দ্ৰীয় চৰকাৰৰ লগত যি ত্ৰিপাক্ষিক বৈঠক হৈছিল- অসম চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত। ইয়াত এই বিষয় সমূহ বিতংভাৱে উত্থাপন হৈছিল আৰু বিতংভাৱে উত্থাপন হোৱাৰ পিছত অসম চুক্তি বিভাগৰ তৰফৰ

পৰা ভূ-তাত্বিক (Archaeology) বিভাগক কিছু টকা মঞ্জুৰী দিছিল আৰু এই মঞ্জুৰী দি অসমৰ বিভিন্ন সত্ৰ, বিভিন্ন ঐতিহ্য, দৌল-দেৱালয়, ৰজা দিনীয়া যি সমূহ কীৰ্তি-চিহ্ন, মৈদাম ইত্যাদিক চাৰ্ভে কৰিবলৈ দিয়া হৈছিল। সেই মতে ভূ-তাত্বিক বিভাগে এই সকলোবোৰ চাৰ্ভে কৰি ইয়াৰ তথ্য যোগাৰ কৰিছে। তথ্য যোগাৰ কৰাৰ পিছত পুনৰ ত্ৰি-পাক্ষিক বৈঠক আৰু অসম চৰকাৰৰ সিদ্ধান্ত মতে কিছু সাহাৰ্য্য ইতিমধ্যে আগবঢ়োৱা হৈছে। কিন্তু এই সাহাৰ্য্য সমূহ পৰ্য্যাপ্ত পৰিমাণৰ নহয়, কাৰণ তাত কোনোধৰণৰ আগতীয়াকৈ ক'ত কিমান টকাৰ প্ৰয়োজন তাৰ কোনো Plan Estimate কৰা হোৱা নাছিল। উদাহৰণ স্বৰূপে মাজুলীৰ এখন সত্ৰৰ কথা কৈছো। ইয়াত বহুতো পূৰণি কীৰ্তি-চিহ্ন আছে। সেইবোৰ সংৰক্ষণৰ কাৰণে সংগ্ৰাহলয়ৰ প্ৰয়োজন। অথবা কীৰ্ত্তন ঘৰৰ ভাঙি-ছিঙি যোৱা অংশ সমূহ মেৰামতিৰ কাৰণে কাম কৰিব লাগিব। সেইবোৰৰ কাৰণে কিমান পইচাৰ প্ৰয়োজন সেইবোৰৰ আগতীয়াকৈ Estimate কৰা হোৱা নাছিল। Estimate আনিছিল যদিও বা যোগাযোগ কৰিছিল যদি কাৰোবাক এক লাখ টকাও দিছে, কাৰোবাক **১৫** লাখ বা কোটিৰ ওচৰলৈ দিয়াৰ উদাহৰণ আছে। গতিকে এনধৰণে কিছু টকা ইয়াৰ আগতে দিয়া হৈছিল যাৰ কাৰণে বহুত সত্ৰত উন্নয়নো হৈছে। আমি দেখিবলৈ পাওঁ যে ২০০৬-০৭ চনত General Plan ৰ পৰা ৪ কোটি টকা দিছিল। তাৰ পিছত ২০০৭-০৮ চনত General Plan ৰ ১ কোটি টকা দিছিল। ২০০৮-০৯ চনত General Plan ৰ পৰা টকা মঞ্জুৰ কৰা হোৱা নাছিল। আকৌ ২০০৯-১০ চনত 'অসম বিকাশ যোজনা'ৰ পৰা **৭৫** লাখ টকা দিয়া হৈছিল। তাৰ পিছত পুনৰ ২৫ লাখ টকা দিয়া হৈছিল। ঠিক তেনেদৰে ২০০৯-১০ চনত Additional Central Assistance ৰ ফালৰ পৰা ৩ কোটি টকা দিয়া হৈছিল। ২০১০-১১ ইয়াত কোনো টকা দিয়া হোৱা নাছিল। ঠিক তেনেদৰে ২০১১-১২ চনত Additional Central Assistance ৰ ফালৰ পৰা প্ৰায় ১০ কোটি টকা দিয়া হৈছিল। তাৰ পিছত ২০১২-১৩ চনত Additional Central Assistance ৰ ফালৰ পৰা ২ কোটি টকা দিয়া হৈছিল। তাৰ পিছত ২০১৩-১৪, ১৪-১৫, ১৫-১৬ চনত ইয়াত কোনো টকা দিয়া হোৱা নাছিল। ২০১৬-১৭ চনত Additional Central Assistance ৰ ফালৰ পৰা কিছু টকা দিয়া হৈছিল। ২০১৬-১৭ চনত এই চৰকাৰ শাসনলৈ অহাৰ পিছত ৰাজ্যিক বাজেটৰ পৰা ২৫ কোটি টকা দিছিল । তাৰ পিছত বৰ্তমান ২০১৮-১৯ চনৰ এই বাজেটত ৩ কোটি টকা ধাৰ্য্য কৰা হৈছে। এইদৰে ২০০৬-০৭ চনৰ পৰা টকা দিয়া আৰম্ভ হৈছিল । এতিয়া অসম চৰকাৰে মুঠতে ৮৬২ খন সত্ৰৰ তালিকা প্ৰস্তুত কৰি ৰাখিছে। ইয়াতকৈ সত্ৰ আৰু অধিক আ্ছে। ইতিমধ্যে চৰকাৰে ২০০৬-০৭ চনৰ পৰা বৰ্তমানলৈকে ৩৫৯ খন সত্ৰক মুঠ ৬৮ কোটি ৰ ৫৯ লাখ টকাৰ অনুদান দিছে।

বৰ্তমানৰ চৰকাৰে ২০১৬-১৭ চনত ২৫ কোটি টকা ১৪০ খন সত্ৰক অনুদান হিচাপে আগবঢ়াইছে। তাৰ পিছত এই বছৰৰ বাজেটত মাত্ৰ ৩ কোটি টকা ধাৰ্য্য কৰা হৈছে। মই কেইটামান কথা প্ৰশ্নোত্তৰ কালতো কৈছো যে আমাৰ প্ৰায়সকল বিধায়কে যিসকলৰ সমষ্টিত অসমৰ বিভিন্ন সত্ৰ,বিভিন্ন ঐতিহ্য, দৌল-দেৱালয়, ৰজা দিনীয়া যি সমূহ কীৰ্তি-চিহ্ন, মৈদাম ইত্যাদি আছে, তাৰ এখন, দুখন আৰু তিনিখন Priority দি এখন তালিকা আবেদন আকাৰে দি থৈছে আৰু মইয়ো ফাইলত সকলো যোগাৰ কৰি থৈছো আৰু বিভাগতো দিছো। কিন্তু আমাৰ এই ক্ষেত্ৰত টকা-পইচা যথেষ্ট কম।

**শ্ৰী আব্দুল খালেক, বিধায়ক (জনীয়া) ঃ** আপুনি শাসকীয় বিধায়কৰ ফালৰ পৰা বিচাৰিছে নে সকলো বিধায়ক পৰা বিচাৰিছে? আমি এতিয়া দিব পাৰিম নে?

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, জলসম্পদ ইত্যাদি ঃ** মই কাৰোপৰা বিচৰা নাই। যিহেতু আমাৰ হাতত টকা নাই। যিসকলে উপযাচি দিছে, সেইসকলৰ কথাহে কৈছো। আপুনি যদি দিব বিচাৰে দিব পাৰে। যদি টকা থাকে কামখিনি কৰা হ'ব। এতিয়া কথা হ'ল যে আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই ক'ৰোবাত ইয়াৰ উপৰিও অন্য Untide Fund পৰা হ'লেও সত্ৰ সমূহত সাহাৰ্য্য দিছে। বৰদোৱাৰ আলিপুখুৰী সত্ৰত তেখেতে Untide Fund পৰা ৫০ লাখ টকা দিছে। ঠিক তেনেদৰে টিংখং সমষ্টিতো তেখেতে ৫০ লাখ টকা দিছে। ঠিক তেনেদৰে শ্ৰীমন্ত শংকৰদেৱৰ যিখন বটদ্ৰৱা থানৰ নৰোৱা সত্ৰ, তাতো ইতিমধ্যে তেখেতে ৪ কোটি টকা আগবঢ়াইছে। বিভিন্ন সময়ত তাত প্ৰায় ৫ কোটি টকা আগবঢ়োৱা হৈছে। আগৰ বিভাগৰ বাহিৰেও যে চৰকাৰে ইয়াত গুৰুত্ব দিয়া নাই তেনে নহয়। মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই বিভিন্ন আবেদনৰ ভিত্তিত বিভিন্ন সময়ত অসমৰ বিভিন্ন স্থানৰ সত্ৰ, বিভিন্ন ঐতিহ্য, দৌল-দেৱালয়, ৰজা দিনীয়া যি সমূহ কীৰ্তি-চিহ্ন, মৈদাম ইত্যাদি সংৰক্ষণৰ কাৰণে অনুদান আগবঢ়াই আহিছে। আপোনালোকে অসমৰ বিভিন্ন সত্ৰ, বিভিন্ন ঐতিহ্য, দৌল-দেৱালয়, ৰজা দিনীয়া যি সমূহ কীৰ্তি-চিহ্ন, মৈদাম ইত্যাদি সংৰক্ষণৰ কাৰণে পৰামৰ্শ আগবঢ়াইছে। কিছুদিন আগতে আমাৰ বিৰোধী দলপতি মাননীয় শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ নাজিৰা সমষ্টিৰ যিখিনি মৈদাম আছে, তাত তিনিটা সমষ্টি পৰে। সোণাৰি আৰু মাহমৰা সমষ্টিৰ সংযোগস্থল। এই তিনিও ঠাইতে আমাৰ যথেষ্টখিনি কাম মন্ত্ৰী শ্ৰী তপন গগৈ ডাঙৰীয়াৰ উপস্থিতিত হাতত লোৱা হৈছে। আমাৰ প্ৰত্নতাত্বিক স্থান সমূহৰ ভিতৰত ২৫ টা প্ৰত্নতাত্বিক স্থান সংৰক্ষণ আৰু উন্নয়নৰ বাবে ৯৫ কোটি টকাৰ এটা অনুমোদন পোৱা গৈছে। এতিয়া তাত ৯৮ খন সত্ৰও আছে আৰু ২৫ টা প্ৰত্নতাত্বিক স্থানো আছে। ইয়াৰোপৰি, কেন্দ্ৰীয় চৰকাৰৰ Archaeological Survey of India ই ইতিমধ্যে বহু স্থান লৈছে। এই বিষয়ে মই ইতিমধ্যে কৈছো যে, আগতে Archaeology বিভাগে অসমৰ কেইটামান স্থান, যেনে শিৱসাগৰ জিলা, চৰাইদেউ জিলাৰ স্থান সমূহলৈহে সীমাবদ্ধ আছিল। কিন্তু অসম চুক্তিৰ ৬ নং দফাত এইখিনি সন্নিবিষ্ট হোৱাৰ পিছত ইয়াক অলপ বিস্তৃত আকাৰে লোৱা হৈছে আৰু এই বিষয়টোত গুৰুত্ব আৰোপ কৰা হৈছে। এই বিষয়টোত অসম চুক্তি ৰূপায়ণ বিভাগৰ দ্বাৰা Archaeology Department ক কিছু টকা মঞ্জুৰি দি পূৰ্বতে survey কৰা হৈছিল। গতিকে এই গোটেই খিনি ব্যৱস্থাৰ মূৰত ই এক আগবাঢ়ি যাব পৰা পৰিকল্পনালৈ অহাৰ পিছত এইবাৰ আমাৰ বিভাগে ৩ কোটি টকা থকাৰ উপৰিও ২২ কোটি টকা ৰ SD হিচাপে আমি বাজেটত দিছিলো। গতিকে যোৱা বছৰৰ বিধান সভাত দিয়া অনুমোদনৰ দৰে এইবাৰো যাতে ২৫ কোটি টকাৰ অনুদান দিব পাৰো। কিন্তু SD ত আমি পোৱা নাই। এই বিষয়ে মই বিত্ত বিভাগৰ মন্ত্ৰীৰ লগত আলোচনা কৰিছো আৰু বিত্ত বিভাগৰ মন্ত্ৰীয়ে কথাটো পুনৰ বিবেচনা কৰিব বুলি কৈছে। মই আশা কৰিছো ইয়াত বিত্তীয় ব্যৱস্থা কিছু হ'লেও হ'ব। আপোনালোকৰ যি সকলে Archaeology বিভাগৰ হাতত তথ্য অনুসৰি পুনৰ অনুদান দিয়াৰ বাবে সত্ৰ নিৰ্ধাৰণ কৰি দিছে। গতিকে এই সত্ৰ সমূহে পুঁজি অনুসাৰে ভৱিষ্যতে আমাৰ অনুদান পাব বুলি আশা কৰিছো আৰু এই কথাটো আজি সদনৰ দৃষ্টি আকৰ্ষণ কৰাৰ বাবে মই মাননীয় বিধায়ক শ্ৰী গুণিন নাথ দাস ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়াক তেখেতৰ শূন্যকালীন ঘণ্টাৰ বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**মাননীয় শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ

শূন্যকালীন ঘণ্টাত যোৱা ২৮ ছেপ্টেম্বৰ, ২০১৮ তাৰিখৰ অসমীয়া খবৰ কাকতত প্ৰকাশিত 'চাহ-নিগমৰ শ্ৰমিকৰ  সমস্যা সমাধানৰ দাবীত মজদুৰ সংঘৰ ৫ দিনীয়া আন্দোলন' শীৰ্ষক বাতৰিটোৰ গুৰুত্ব উপলব্ধি কৰি সদনত  উত্থাপন কৰাৰ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। উপাধ্যক্ষ মহোদয়, অসম চাহ-মজদুৰ সংঘই যোৱা ২৪ ছেপ্টেম্বৰৰ পৰা ৫ দিনীয়া আন্দোলনৰ কাৰ্যসূচী  গ্ৰহণ কৰিছে। ইয়াৰ পূৰ্বেও চাহ-জনজাতি ছাত্ৰ সংস্থা, AATTSA য়েও বিভিন্ন দাবী পূৰণৰ বাবে বিভিন্ন ধৰণৰ কাৰ্যসূচী পালন কৰি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ যত্ন কৰিছিল। ইয়াৰ মূল দাবী সমূহ হৈছে যে- আমাৰ বাগিচা সমূহত যিবোৰ আইন আছে, প্ৰায় ২৭ খন আইন, ইয়াৰ ১৯৫১ চনৰ Plantation Labour Act খনৰ ভালদৰে কাৰ্যকৰী ভাৱে ৰূপায়ণ হোৱা, ৰাজ্য  চৰকাৰে ঘোষণা কৰা  অন্তৰ্বৰ্তী কালীন দৈনিক মজুৰি আদায় কৰা, পূৰ্বৰ বকেয়া  দিয়া, ইত্যাদি। মহোদয়,  চৰকাৰৰ এটা প্ৰতিশ্ৰুতি আছে যে চাহ কৰ্মচাৰীক প্ৰতি দিনে ৩৫০ টকাকৈ হাজিৰা দিয়া, কিন্তু সেইটো নোহোৱাকৈয়ে এই বছৰতে ৩০ টকাকৈ interim এটাৰ ঘোষণা কৰিছিল যে প্ৰতিদিনৰ হাজিৰা বৃদ্ধি হ'ব আৰু এই অনুসৰি অসমৰ বাগিচা সমূহত  পূৰ্বৰ ১৩৭ টকাৰ লগত ৩০ টকা যোগ হৈ ১৬৭ টকালৈ বৃদ্ধি  হ'ব আৰু ৰেচনৰ ব্যৱস্থা বৰ্তমান হৈ আছে। কিন্তু বৰাক উপত্যকাত ইয়াৰ ৰূপায়ণ সম্পূৰ্ণভাৱে হোৱা নাই। বিশেষকৈ, অসম চাহ নিগমৰ যি ১৫ খন চাহ-বাগিচা আছে, এই বাগিচা সমূহত এতিয়াও চৰকাৰৰ এই ঘোষণা কাৰ্যকৰী কৰা হোৱা নাই। বৰ্তমান তাত ১১৫ টকাকৈ হাজিৰা  চলি আছে আৰু এই হাজিৰাৰ লগত অন্যান্য যিবোৰ আনুসংগিক benefit, যেনে- Ration, firewood, medical  ইত্যাদি অন্যান্য সুবিধাবোৰো সদ্যহতে দি থকা হোৱা নাই। অকল দৰমহাটো দিয়াৰ বাবে তেখেত সকলৰ যথেষ্ট অসুবিধা হৈছে কাৰণ যিবোৰ ঠাইত ৰেচন দিয়া হয় তাত একোজন শ্ৰমিকে ৫০ পইচাতে চাউল পায় আৰু এটা পৰিয়ালৰ দুজন  শ্ৰমিকে কাম কৰিলে প্ৰায় ৩০ কেঃজিঃ চাউল ১৫ টকাতে সংগ্ৰহ কৰিব পাৰে। যাৰ ফলত  তেওঁলোকৰ পৰিয়াল চলোৱাত সুবিধা হয়। ঠিক তেনেকৈয়ে, অসম চাহ নিগমৰ  কিছুমান বাগিচাত ডাক্তৰৰ লগতে অন্য কৰ্মচাৰীও নিয়োগ কৰা হোৱা নাই। তাত কিছুদিন পূৰ্বে কিছু কৰ্মচাৰী নিয়োগ কৰা হৈছিল যদিও contractual সকলক terminate কৰাৰ ফলত কামবোৰ সম্পন্ন কৰাত কিছু অসুবিধা হৈছে। যোৱাকালি চৰকাৰে ১০০ কোটি টকা চাহ-বাগিচা সমূহৰ বাবে ঘোষণা কৰিছিল । কিন্তু এই ঘোষণাটো প্ৰকৃততে  Hon'ble Supreme Court ৰ যোৱা  ৪ এপ্ৰিলৰ ৰায়  অনুসৰি পূৰ্বৰ বকেয়া ২৪৭ কোটি টকা যি দিব লগা আছে তাৰ অৰ্ধেক দিবলৈ আদেশ দিয়া  অনুসৰিহে হ'ব।  গতিকে  বৰ্তমান যোৱা দুবছৰৰ যিখিনি বাকী আছে  সেই খিনিৰ ক্ষেত্ৰত এই টকাখিনি ব্যৱহাৰ কৰিব পৰা নাযাব। এই কথাখিনি যথেষ্ট গুৰুত্ব পূৰ্ণ। যোৱা অধিৱেশনত মন্ত্ৰী মহোদয়ে কৈছিল যে, অসম চাহ-নিগমৰ বাগিচা সমূহৰ পৰা প্ৰতি বছৰে ৫২ কোটি টকাকৈ লোকচান হয়। কিন্তু অন্যান্য কিছুমান উপায় প্ৰয়োগ কৰি ইয়াৰ উপাৰ্জন বৃদ্ধি কৰিব পাৰি নেকি সেই ক্ষেত্ৰত যাতে চৰকাৰে অলপ চায় আৰু তাৰ বাবে কিছু Consultancy নিয়োগ কৰি এই বাগিচা সমূহ  কেনেদৰে পুনৰোজ্জীৱিত কৰিব পাৰি সেই বিষয়তো যাতে গুৰুত্ব দিয়ে। যিহেতু ইয়াত লাখ-লাখ শ্ৰমিকৰ অন্ন, বাসস্থান, সংস্থাপনৰ কথা জড়িত হৈ আছে, গতিকে এই বিষয়ে মই মাননীয়  মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব  বিচাৰিছো। যোৱা ২৮ ছেপ্টেম্বৰ তাৰিখে অসম চৰকাৰৰ তৰফৰ পৰা এটা W.T. message  দিয়া হৈছিল যে সকলো বাগিচাৰ বনাচ ২০%, ২৮ ছেপ্টেম্বৰৰ আগতেই দিব লাগে। কিন্তু চাহ নিগমৰ বাগিচা সমূহৰ বনাচৰ বিষয়ে এতিয়ালৈকে ঘোষণা হোৱা নাই। গতিকে এই ক্ষেত্ৰতো মই মাননীয় মন্ত্ৰী মহোদয়ৰ যোগেৰে

অসম চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। যোৱা সময়ছোৱাত দেখা গৈছিল যে, চাহ-বাগিচা সমূহ যদি ভালদৰে চলোৱা যায় তেন্তে ই ভালদৰে চলিব পাৰে। উদাহৰণ স্বৰূপে, ছিকিম চৰকাৰে Temi Tea Garden নামৰ এখন বাগান চলাই আছে আৰু তাত শ্ৰমিক সকলক প্ৰতিদিনে মজুৰী ৪০০ টকাকৈ দিয়ে। এই বাগানৰ চাহে যথেষ্ট সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। গতিকে অসমত অসমৰ চাহৰ ক্ষেত্ৰত যি আইন কৰা হৈছে, অন্যান্য ধৰণে, অসমৰ বাগিচা সমূহৰ উন্নয়নৰ বাবে চৰকাৰে যি চিন্তা কৰি আছে সেই ক্ষেত্ৰত বাগিচা সমূহে যাতে উপাৰ্জন কৰি থাকিব পাৰে তাৰ বাবে যি ধৰণৰ পদক্ষেপ ল'ব লাগে সেই ধৰণে লৈ এই আন্দোলন সমূহৰ যাতে এটা সফল পৰিণতি হয়, তাৰ বাবে মই আপোনাৰ যোগেৰে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদিঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসম চাহ নিগমৰ বিষয়ে আমাৰ বিৰোধী দলৰ দলপতি ডাঙৰীয়াই যিটো বিষয় উত্থাপন কৰিছে, এই বিষয়টোত আমাৰ চৰকাৰৰ দৃষ্টি আকৰ্ষণ হৈছে। কিন্তু উপাধ্যক্ষ মহোদয়, দেখা যায় যে, অসম চাহ-নিগম বহু বছৰৰ পৰা loss ত চলি আছে আৰু যেতিয়ালৈকে ৩ কোটি কেজি চাহ-পাত, চাহ নিগমে উৎপাদন কৰিব নোৱাৰে, তেতিয়ালৈকে এইটো sustainable নহয়। সেইকাৰণে আমাৰ যিটো loss হয়, সেইটো বছৰি বাঢ়ি বাঢ়ি গৈ আছে। সেয়েহে, যোৱা দুটা বছৰত আমাৰ চৰকাৰ অহাৰ পিছত আমি কেইখন মান চাহ-বাগিচাত নতুনকৈ কলঘৰো স্থাপন কৰিছো আৰু বহু পৰিমাণে plantation ও কৰিছো। কিন্তু, plantation কৰাৰ পিছতো এতিয়ালৈকে আমি ৩ কোটি কেজি চাহপাত উৎপাদন কৰিবলৈ সক্ষম হোৱা নাই। শ্ৰমিক সকলে যিখিনি মজুৰী পাব লাগে এই মজুৰী খিনিৰ ক্ষেত্ৰতো আমি একমত। অন্যান্য বাগিচা সমূহে যি হাৰত তেওঁলোকক মজুৰী দিয়ে সেই হাৰত আমিও তেওঁলোকক মজুৰী দিব লাগে। অন্যান্য বাগিচাৰ দৰে. অন্যান্য বাগিছাৰ দৰে দিব লাগে, তেতিয়া ঘাটি কৰি আমি প্ৰায় ৮০ কোটি মান টকা বছৰত দিব লাগিব। বিত্ত বিভাগৰ লগত আমি এই সম্পৰ্কত যোগাযোগ কৰিছো । এই বাগান সমূহ আমি কেনেদৰে আগবঢ়াই নিব পাৰো, তাৰবাবে বিৰোধী দলপতি ডাঙৰীয়াই আমাক এটা suggestion দিছে কোনোবা expert committee লগাই বাগিছা সমূহ ভাল কৰিবৰ কাৰণে । আমিও সেইটোৰে চিন্তা-চৰ্চা কৰি আছো।

উপাধ্যক্ষ ডাঙৰীয়া, আপুনি জানে যে, বৰ্তমান দিনত চাহ উদ্যোগটো বেয়াৰ ফালে গতি কৰিছে। ইয়াৰ কাৰণটো হৈছে, ইয়াত যেতিয়া Natural Food Security Act implement হ'ল, তাৰ পিছত বাগিছাৰ মালিক সকলে যিখিনি social responsibility সেইখিনিও লবলগা হৈছে। তাৰ উপৰিও ৰেচনৰ চাউলটো তেওঁলোকে open market ৰ পৰা ৩৫ টকাত কিনি ৪০ পইচাত চাহ মজদুৰ ভাই সকলক দিবলগা হৈছে।

Assam Tea Company অসমৰ এটা prestigious Company. এই Tea Company ৰ চাহপাতে এটা সময়ত বিশ্বৰ বজাৰ দখল কৰিছিল আৰু বিশ্বৰ দৰবাৰত ইয়াৰ যথেষ্ঠ সুনাম আছিল। কিন্তু এই Company ও বিক্ৰী হৈ গ'ল। B.R Setthy নামৰ এজন ব্যক্তিয়ে এই Company টো ক্ৰয় কৰিছে। মাজতে McLeod য়েও বহুত ভাল ভাল চাহ বাগিছা বিক্ৰী কৰি দিছে। উপাধ্যক্ষ ডাঙৰীয়া, ডিব্ৰুগড়ৰ মৰাণৰ ওচৰতো বাওঁকাযে যিবিলাক ধুনীয়া ধুনীয়া চাহ বাগিছা আছিল , সেইবিলাক বিক্ৰী হৈ গ'ল। সেইকাৰণে, মই যিবিলাক Tea Company আছে যেনে- Tata Tea Company বা McLeod বা Dhanuka বা

Lakhi Tea Company আদি যিমান আছে, সকলোৰে লগত এখন Meeting কৰিছো। মই তেওঁলোকক অনুৰোধ কৰিছিলো তেওঁলোকৰ চাহ বাগান বিক্ৰী নকৰিবলৈ। McLeod আৰু Tata Company য়ে আৰু কেইখনমান চাহ বাগিছা বিক্ৰী কৰিবলৈ সিদ্ধান্ত লৈছিল। কিন্তু মই তেওঁলোকক অনুৰোধ কৰিলো যাতে এই বাগিছা সমূহ তেওঁলোকে বিক্ৰী নকৰে। গতিকে আজি Tata Tea Company, McLeod Tea Company বা Assam Tea Company ৰ দৰে prestigious Company ৰ এনেকুৱা অৱস্থা হৈছে।

অসমৰ যিটো CPC চাহ, এই CPC টোৱে আজি বিশ্বৰ বজাৰত আদৰ পোৱা নাই। competitive market ত এই চাহে বজাৰ দখল কৰিব পৰা নাই। Auction ত যিটো rate আমি পাব লাগে, সেইটো rate পোৱা নাই। গতিকে আজি Tea ৰ value addition কৰিবলৈ লৈছো। আমি চাহ বুলি কলে CPC ৰ চাহটোকে বুজো। কিন্তু আজিৰ দিনত চাহৰ কেইবাটাও value added item ওলাইছে। Green Tea হৈছে, Jesmine Green Tea ওলাইছে, White Tea, Yellow Tea এনেধৰণৰ বিভিন্ন Tea ওলাইছে। এইবিলাকৰ দামো যথেষ্ঠ বেছি। এই যিটো Jesmine Green Tea , তাৰ প্ৰতি কেজিৰ দাম হয় ১৮,০০০টকা। আমাৰ অসমতো এই চাহৰ পৰিক্ষণৰ কাৰণে আমি টোকলাই Tea Research ক দায়িত্ব দিছো। প্ৰতি কেজি Yellow Tea ৰ দাম ৯,০০০ টকা। টোকলাই Tea Reserch Company ক মই মাজতে মাতি আনি তেওঁলোকক কৈছিলো যে, Yellow Tea আপোনালোকে অসমতে produce কৰিব লাগে। তেওঁলোকে এতিয়া এই Yellow Tea ৰ variety টো উদ্ভাৱন কৰিছে। Green Tea টোও অসমত উদ্ভাৱন হৈছে। এতিয়া গোটেই বিশ্বতে organic Green Tea ৰ যিবিলাক আন আন organic value added চাহপাত যেনে Yellow Tea, White Tea আদিৰ যথেষ্ঠ আদৰ আছে। উপাধ্যক্ষ ডাঙৰীয়া , অসমৰ যিবিলাক চাহ বাগিছা আছে, সকলোতে Chemical Fertilizer use কৰে। কিন্তু এতিয়া নতুনকৈ আমাৰ যিবিলাক ক্ষুদ্ৰ চাহ খেতিয়ক হৈছে, তেওঁলোকে organic চাহ পাতৰ তৈয়াৰ কৰিবৰ কাৰণে আগবাঢ়ি আহিছে। সেই হিচাপে তেওঁলোকে দামো পাইছে।

গতিকে এই গোটেই চাহ উদ্যোগটোক যাতে উন্নত কৰিব পাৰি , তাৰ কাৰণে আমি এখন Tea park ৰ ব্যৱস্থা কৰিছো ছয়গাওঁত। সেই Tea park ত যিবিলাক value added Tea বা যিটো চাহৰ branding তাৰ সকলো ব্যৱস্থা provide কৰিম। এই Tea park খনৰ কাম বৰ্তমান চলি আছে। ডিব্ৰুগড়ৰ চাহ বাগিছা এখনে Gold Tea উলিয়ালে। Auction ত এই চাহপাতৰ মূল্য পালে ৩৯,১০০ প্ৰতি কিলোত আৰু open market ত এই চাহৰ মূল্য পালে ৮০,০০০ টকা প্ৰতি কেজিত। এই Tea Garden ৰ মালিক সকলৰ লগত মই যেতিয়া meeting কৰিলো আৰু কলো যে, Gold Tea production ত আপোনালোকে কিয় বেছিকে নকৰে? তেওঁলোকে কলে যে ইয়াক বহু বেছি পৰিমানে আমি কৰিব নোৱাৰো। কাৰণ সাধাৰণ চাহ পাত বিলাক যেনেকে তিনিটা কুহিঁপাতৰ পৰা কৰা হয়, gold Tea ৰ কাৰণে সেই তিনিটা কুহিঁপাতৰ মাজত থকা কলিটোৰ হে প্ৰয়োজন আৰু এইটো pluck কৰিব লাগে ৰাতিপুৱা ৪:৩০ পৰা ৫ বজাৰ আগতে। Drier ৰো পদ্ধতিটো বেলেগ। ইয়াৰ প্ৰস্তুতকৰণ পদ্ধতিটো যথেষ্ঠ কঠিণ কাৰণে এখন বাগিছাৰ পৰা বহুত কম পৰিমানৰ gold Tea হে প্ৰস্তুত কৰিব পৰা যায়। gold Tea তেওঁলোকে special Tea হিচাপে প্ৰস্তুত কৰিব পাৰিব কিন্তু গোটেই চাহপাত বিলাক gold Tea হিচাপে reform কৰিব নোৱাৰো বুলি কৈছে।

উপাধ্যক্ষ ডাঙৰীয়া, বিৰোধী দলপতি ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ আমি কিছুমান expert ক লৈ এই Tea garden সমূহ কেনেকৈ revive কৰিব পাৰো তাৰবাবে আলোচনা কৰি আছে। Tuklai Tea research Stationটো হৈছে World ৰ oldest Tea reserch station. যোৱাবছৰ আমি তেওঁলোকক পইচা দিছিলো। যোৱাকালি অসমৰ মুখ্যমন্ত্রী ডাঙৰীয়া আৰু বিপধান সভাৰ অধ্যক্ষ ডাঙৰীয়াই এই programme টো মুকলি কৰিছে। অসমৰ চাহ বাগিছাই কেনেদৰে বিভিন্ন value added চাহ প্রস্তুত কৰিব পাৰে বা কেনেদৰে international market দখল কৰিব পাবে তাৰ বাবে এই Tuklai Tea research Station য়ে ব্যৱস্থা লৈ আছে।

উপাধ্যক্ষ ডাঙৰীয়া আজি শ্রীলংকা, Korea বা Kenya ৰ চাহপাতে যিটো দাম পাইছে সেইটো আমাৰ চাহপাতে পোৱা নাই। ইয়াৰ কাৰণ হৈছে আমাৰ GIS নাই। এতিয়া আমি এই GIS টো কৰাৰ কাৰণে সিদ্ধান্ত লৈছো। Korea বা Kenya চাহপাত সমূহ machine ৰে pluck কৰা হয়, সেইকাৰণে তেওঁলোকৰ চাহৰ মানদণ্ড কম। কাৰণ machine ৰে pluck কৰিলে তিনিটা কুহিঁপাতৰ বাহিৰেও বেলেগ পাতো pluck কৰা হয়। পাছত তেওঁলোকে সেই চাহপাতৰ লগত অসমৰ কিছু চাহপাত মিহলাই দিয়ে। গতিকে এতিয়া আমি GIS system টো introduce কৰিম যাতে অসমৰ চাহপাত বেলেগে branding কৰিব নোৱাৰে। এই কথাটো আমি ভাৰত চৰকাৰলৈ লিখিছো। ইয়াৰ উপৰিও value added Tea ৰ বাবেও আমি ব্যৱস্থা গ্রহণ কৰি আছো। নিগমৰ ক্ষেত্রতো কৈছো যে আমি আজিৰ দিনত ১৩৭ টকাকৈ দিওঁ আৰু বৰাকত দিওঁ ১১৫ টকা বাকী চাহ বাগিছা সমূহৰ সমান যদি আমি এইটো দিবলগা হয়, additional আৰু ৮০ কোটি টকা আমাক লাগিব। গতিকে তেনেকুৱা এটা পর্য্যায়ত আচলতে নিগমটো আছে, আৰু আমি এশ কোটি টকা মুকলি কৰি দিয়া হয়, কিন্তু এশ কোটি টকা outstanding liability ত দিব লগা আছে, বকেয়া। কাৰণ বহুত বছৰ আগৰ পৰা এই বকেয়া বিলাক আছে। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া আপুনি শুনি আচঁৰিত মানিব যে চাহ বাগিছা বিলাকৰ যিবিলাক চাহ বাগিছা দূর্বল হৈ গৈছিল, আজিৰ পৰা বহু বছৰ আগত **১৯৬১** চনত নে **১৯৬২** চনত চৰকাৰে সিদ্ধান্ত ললে যে বাগিছাবিলাক এনেকৈ নষ্ট হৈ যোৱাত কৈ এটা corporation কৰি কৰা যাওঁক। এনেকৈ বাগিছাবিলাক ভাল হৈছিল নোহোৱা নহয়। কিন্তু আমাৰ চাহ নিগমৰ এনেকুৱা এটা দিন আহিল য'ত আটাইতকৈ ধুনীয়া Head Office আছিল Assam Tea Corporation Office টো আছিল Zoo Road, R.G. Baruah Road ত। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া নিগমৰ এনেকুৱা এটা দিন আহি গ'ল সেই Head Office টো বিক্রী হৈ গ'ল। যিটো নিগমৰ Head Office বিক্রী হৈ গৈছে আগতে পইচাৰ অভাৱত। এনেকুৱাকৈ এই নিগমটো চলি আছে। আমি চেষ্টা কৰি আছো যে কি উপায়ৰে এইটোক আগবাঢ়াই নিব পাৰো। আমি এইটো কথাত একমত যে অন্য বাগিছাসমূহে যি মজুৰী দিছে আমি সেইখিনি দিব লাগে। কিন্তু বর্তমান financial conspiracy, এই বাগিছাসমূহৰ পৰা যিখিনি income হব লাগে, সেই income খিনি হোৱা নাই। income খিনি নোহোৱাৰ কাৰণে আমি তেওঁলোকক যিখিনি আজি দিব লাগিছিল হয়তো সেইখিনি দিব পৰা নাই। কিন্তু উপাধ্যক্ষ ডাঙৰীয়া, এই বস্তুখিনি আমি বিত্তীয় বিভাগৰ লগত takeup কৰিছো আৰু এইটো takeup কৰাৰ ফলত এই সংক্রান্তত বিত্তীয় বিভাগে কিবা এটা reply দিব। গতিকে আমি সেইটো কথা একমত যে বৃদ্ধি হব লাগে আৰু নিগমৰ কর্মচাৰী সকল অৱসৰ লোৱাৰ পিছতো তেওঁলোকক আমি পেঞ্চন দিব পৰা নাই।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জঃ** বৰাকৰ চাহ বাগিছা বিলাকৰ ক্ষেত্ৰত কিবা discrimination কৰিব নেকি?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** বৰাকৰ চাহ বাগিছা বিলাকৰ ক্ষেত্ৰত discrimination টো আমি নকৰো কাৰণ আমাৰ মুখ্যমন্ত্ৰীৰ এটা কথাই যে পাহাৰ, ভৈয়াম, বৰাক, ব্ৰহ্মপুত্ৰ। গতিকে বৰাকৰ চাহ বাগিছা দুখন মানৰ বাহিৰে বাকী নিগমৰ অৱস্থা অতি বেয়া। মাননীয় সদস্য পুৰকায়স্থ দেৱে এই কথাটো ভালকৈ জানে। কিছুমান বাগিছাত গছে নাই, এনেকুৱা বহু ঠাইত হৈছে। অসমত ACMS য়ে rate বিলাক ঠিক কৰে। গতিকে বৰাকত ACMS নহলেও তাত যিটো union আছে, তেখেতসকলে rate টো ঠিক কৰে। বৰাকত discrimination টো union য়ে ঠিক কৰি থৈছে। গতিকে সমস্যা হৈছে এইটো। আমি ভাৰো যে চাহ বনোৱা ভাই সকলৰ ব্ৰহ্মপুত্ৰ ভেলিত যিমান মজুৰী পায়, বৰাকতো সিমান পাব লাগে। কিন্তু এইটো ACMS য়ে নিৰ্ণয় কৰে। ACMS ৰ লগত নিশ্চয় আমাতকৈ আপোনাৰ লোকৰ বেছি ভাল। ACMS ৰ লগত আপোনালোকে takeup কৰিব। গতিকে যিয়ে নহওঁক আমাৰ এই গোটেই সমস্যাটো আমি সমধান কৰিবলৈ চেষ্টা কৰিছো আৰু বিত্তীয় বিভাগৰ লগত এই বিষয়টো takeup কৰিছো, সম-পৰ্য্যায়ত আমি দিব পাৰো নেকি। কিন্তু চাহ নিগমৰ যিটো উৎপদান হৈ আছে বৰ্তমান সেই উৎপাদনৰ পৰা deficit ত আছো আজিৰ দিনত। কিন্তু এটা কথা ঠিক যে green tea leaf ৰ উৎপাদন আগতকৈ gradually increase হৈ আছে। এতিয়া দুই কোটি কেজিৰ ওচৰলৈকে green tea হব। গতিকে আমি যদি তিনি কোটি green tea কৰিব পাৰো, তেনেহ'লে এইটো sustain কৰিব। sustain কৰিলে আমি তেওঁলোকক যিটো দিব লাগে, এই খিনি দিব পৰা যাব। বনাচৰ ক্ষেত্ৰতো কওঁ যে বনাচটো আমি সদায় দি আছো। এই দুই এদিনতে বনাচৰ ঘোষণাও কৰিম। inspite of all odds. গতিকে তেওঁলোকক পূজাৰ আগে আগে বনাচটো দিয়াৰ ব্যৱস্থা কৰিম। ধন্যবাদ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নিঃ** মাননীয় উপাধ্যক্ষ মহোদয়, point of order এটা আছে। মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে জানিব বিচাৰিছো যে অসম চাহ নিগম লৈ পেলাই এখন সমিতি গঠন কৰা হৈছিলে আৰু এই সমিতিখনৰ সভাপতি মাননীয় বিত্তমন্ত্ৰী মহোদয়। আমি বিভাগীয় কৰ্তৃপক্ষৰ পৰা গম পাইছো যে মাননীয় উদ্যোগমন্ত্ৰীয়ে বিভিন্নি কাৰণত সময় দিব নোৱাৰাৰ কাৰণে ATC ৰ meeting খন পিছুৱাই গৈ আছে। এই সভাখন কেতিয়া অনুষ্ঠিত হব? আমিও সদস্য, আমিও ইচ্ছুক এই অসম চাহ নিগম লৈ পেলাই আমি বিধান সভাত আলোচানা কৰা ক্ষেত্ৰত আৰু চৰকাৰ পক্ষৰ ফালৰ পৰা আমি এটা উত্তৰ বিচাৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সেইটো কথা সত্য অৱশ্যে। মিটিং এবাৰ হৈছিল, তাৰ পৰৱৰ্তী মিটিঙো fix হ'ল। তাৰ পিছত মই বেলেগ মিটিঙত কৰবাত কৰবাত যাব লগীয়া হল, তেনেকৈ সময় নোহোৱাৰ ফলত ATC ৰ meeting খন হোৱা নাই। বিত্তমন্ত্ৰী ডাঙৰীয়া, এই সমিতিৰ সভাপতি । গতিকে বিত্তমন্ত্ৰী ডাঙৰীয়াৰ লগত মই আলোচনা কৰি অতি সোনকালে এখন মিটিং পাতিম আৰু মিটিং পতাৰ লগে লগে যিসকল বিধায়ক সমিতিৰ সদস্য নহলেও, কিন্তু Tea Garden ৰ লগত জড়িত আৰু কোনোবাই Tea Garden ৰ লগত জড়িত নহয়ো, কিন্তু তেওঁৰ সমষ্টিত Tea Garden আছে, আমি সেইসকল বিধায়ককো এই সমিতিৰ মিটিঙলৈ মাতি Assam Tea Corporation ৰ ক্ষেত্ৰত সিদ্ধান্ত লব

লাগিব। এই ক্ষেত্রত মই অতিসোনকালে বিত্তমন্ত্রীৰ লগত কথাখিনি পাতি সময় নির্ধাৰণ কৰি আপোনালোককো লৈ আলোচনা কৰিম।

**শ্রী ৰূপজ্যোতি কুৰ্মী, মৰিয়নিঃ** ATC ৰ বনাচো ঘোষণা কৰি দিয়ক।

**শ্রী চন্দ্রমোহন পাটোৱাৰী, সংসদীয় পৰিক্রমা মন্ত্রীঃ** নহয়, মই এইটো ঘোষণা কৰিব নোৱাৰো। মোৰ বক্তব্যৰ আৰম্ভনিতে মই কৈছো যে বর্তমান চাহ উদ্যোগৰ অৱস্থা কোন পর্য্যায়ত গৈছে, NFSA দিয়াৰ পিছত চাহ উদ্যোগৰ আজি অৱস্থা বেয়া। বেংগলে NFSA implement হোৱাৰ আগদিনাখন ৰেচনৰ ক্ষেত্রত এটা exceptional সিদ্ধান্ত লৈছে। কিন্তু আমি অসমত NFSA implement হোৱাৰ পিছত সেই ব্যৱস্থাটো কৰিব নোৱাৰাৰ কাৰণে মালিক পক্ষৰ ওপৰত ডাঙৰ এটা হেচা পৰিছে। সেইকাৰণে মাননীয় উপাধ্যক্ষ ডাঙৰীয়া মই এটা কথাই কব বিচাৰিছো যে অসম চাহ উদ্যোগটো অসমৰ এটা চিন। অসমৰ চাহ উদ্যোগে অসমক পৃথিৱীৰ মানুহৰ লগত চিনাকী কৰি দিছে। আপুনি ৰাছিয়াতে বা আমেৰিকাতে যাওঁক পৃথিৱীৰ যতে নাযাওঁক কিয়, Assam Tea পাবই। গতিকে উদ্যোগটো যাতে আমি শাক্তিশালী কৰি ৰাখিব পাৰো তাৰ কাৰণে সকলোৰে সহায় সহযোগিতাৰ মাধ্যমৰে আমি আগবাঢ়িব লাগিব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ । এতিয়া মই মাননীয় সদস্য শ্রী ৰমেন্দ্র নাৰায়ণ কলিতাক, তেখেতক বিষয়টো উত্থাপন কৰাৰ কাৰণে অনুৰোধ কৰিলো।

**শ্রী ৰমেন্দ্র নাৰায়ণ কলিতা, পূব-গুৱাহাটীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, "**অসমীয়া প্রতিদিন**" কাকতত **২৬** আগষ্ট তাৰিখে প্রকাশিত "**ভূমি পট্টাৰ দাবীত ধাৰাবাহিক আন্দোলনৰ সিদ্ধান্ত**" মই এই বিষয়টো আপোনাৰ জৰিয়তে মাননীয় ৰাজহ মন্ত্রী ডাঙৰীয়াৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, অকল গুৱাহাটীতে নহয়, সমগ্র অসমত যুগযুগ ধৰি বাস কৰি অহা অসমৰ বাসিন্দা সকলে, পৰিয়াল সকলে আজিলৈকে বহু পৰিয়ালে মাটিৰ পট্টা পাবলৈ সক্ষম হোৱা নাই। বিশেষভাৱে আমাৰ গুৱাহটী মহানগৰীটোত জনা মতে প্রায় **৮৫** হাজাৰ পৰিয়ালে এতিয়াও মাটিৰ পট্টা পাবৰ কাৰণে সক্ষম হোৱা নাই আৰু সেইকাৰণে বিশেষ ভাৱে আমি আমাৰ গুৱাহাটী কামৰূপ মেট্ৰ এৰিয়াত আমি আগতেও বিশেষ ভূমি উপদেষ্টা বোর্ডৰ জৰিয়তে বহু প্রস্তাৱ প্রেৰণ কৰিছিলো। কিন্তু দেখা গৈছে যে যিবিলাক প্রস্তাৱ প্রেৰণ কৰা হয়, সেই প্রস্তাৱসমূহ এতিয়া কার্য্যকৰী হোৱা নাই বহু ক্ষেত্রত । আজি যদি আমি চাবলৈ যাওঁ তেনেহলে হয়তো উপায়ুক্তৰ কার্য্যলয় আৰু বিশেষকৈ আমাৰ চৰকাৰী ৰাজহ বিভাগত প্রায় দুই তিনিটা ৰুম বোধহয়, আমাৰ এনেধৰনৰ প্রস্তাৱৰে পৰিপূর্ণ হৈ আছে। আৰু বিশেষ ভাৱে আমাৰ চৰকাৰ অহাৰ পিছত বিশেষকৈ মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই আমাৰ দেশৰ নির্বাচন আয়োগৰ মুখ্য নির্বাচনী আয়ুক্ত শ্রী হৰিশঙ্কৰ ব্রহ্ম ডাঙৰীয়ৰ নেতৃত্বত এটা ৭ জনীয়া কমিটি গঠন কৰি দিছিল।

**ড° নোমল মমিন, সদস্য ঃ-** উপাধ্যক্ষ মহোদয় Quorum নাই ।

**শ্রী আমিনুল ইছলাম, সদস্য ঃ-**উপাধ্যক্ষ মহোদয় Quorum নাই ।

(Quorum ৰ অভাৱ) ।

**মাননীয় উপাধ্যক্ষ ঃ-** কওঁক এতিয়া।

**শ্রী ৰমেন্দ্র নাৰায়ন কলিতা, সদস্য ঃ-** বিশেষকৈ আমাৰ খিলঞ্জীয়া বাসিন্দাক ভূমিৰ অধিকাৰ সাব্যস্ত কৰাৰ কাৰণে এনেধৰণে এটা কমিটি গঠন কৰি দিয়া হৈছিল। আৰু তেওঁলোকৰ সময়সীমা প্রায় ৩ মাহ দিয়া হৈছিল। পৰবর্তী সময়ত আৰু কিছু সময় তেওঁলোকে বিছৰাত আৰু কিছু সময় দিয়া হ'ল। তাৰ পিছত জনা মতে তেওঁলোকৰ যিখন প্রতিবেদন সেই প্রতিবেদনখন মাননীয়

মুখ্যমন্ত্ৰীৰ ওচৰত দাখিল কৰিছে। আৰু বিশেষভাবে আমাৰ হৰিশঙ্কৰ ব্ৰহ্ম ডাঙৰীয়াৰ নেতৃত্বত যিখন কমিটিয়ে ইতিমধ্যে প্ৰতিবেদন দাখিল কৰিলে, সেই সম্পৰ্কত বিশেষকৈ ৰাজ্য চৰকাৰে এতিয়ালৈকে কি ব্যৱস্থা গ্ৰহণ কৰিছে, এই সম্পৰ্কত আমি অৱগত নহয়। আৰু আশা ৰাখিছো হৰিশংকৰ ব্ৰহ্ম ডাঙৰীয়াৰ নেতৃত্বত যিখন প্ৰতিবেদন দাখিল কৰা হ'ল, এই প্ৰতিবেদনৰ ভিত্তিত, নিশ্চয় এখন নতুন ভূমিনীতি গ্ৰহণ কৰা হ'ব আৰু পৰৱৰ্তী সময়ত সেই ভূমিনীতিৰ জৰিয়তে, নিশ্চয় এখন ভূমি আইন প্ৰণয়ন কৰাৰ কাৰণে চিন্তা চৰ্চা আগত ৰাখি এনেধৰণৰ এটা কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিছে। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ যিখন Assam Land Revenue Regulation, 1886, এই আইনখন বৃটিছৰ দিনতে প্ৰণয়ন কৰা হৈছিল, ১৮৮৬ ত । আৰু বৃটিছে কৰা এই আইনখনে আজি লৈকে সেই আইনখনেই কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত ব্যৱস্থা লৈ থকা হৈছে। মাজে মাজে এই ১৮৮৬ৰ Land Revenue Regulation, এই আইন খন সংশোধন কৰা হৈছে। কিন্তু মই ভাবো যে বৃটিছৰ দিনৰ সেই আইনখন সম্পূৰ্ণ ৰূপে বাতিল কৰি এখন নতুন আইন প্ৰণয়ণ কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আৰু তাৰ কাৰণে এখন draft প্ৰস্তুত কৰিব লাগে, আৰু draft প্ৰস্তুত কৰাৰ পাছত, এই ভূমিনীতি বা ভূমি আইনৰ জৰিয়তে আমাৰ অসমৰ খিলঞ্জীয়া মানুহখিনি যাতে সুৰক্ষিত হ'ব পাৰে, তাৰ কাৰণে কিন্তু ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। আৰু অসম চুক্তি অনুযায়ী আমাৰ ৬ নং দফা অনুযায়ীও আমাৰ খিলঞ্জীয়া মানুহৰ সাংবিধানিক ৰক্ষাকবচৰ বাবেও আমাৰ এই ভূমি আইনখন বিশেষ ভাবে প্ৰয়োজন। আজি অবৈধভাৱে অহা প্ৰৱজনে, আজি বিশেষ ভাৱে আমাৰ খিলঞ্জীয়া

মানুহৰ পৰিচয়, আৰু বিশেষ ভাবে মাটি ভেটিৰ ওপৰত এটা প্ৰবল ভাবুকি আহিছে। গতিকে, বিশেষ ভাবে আজি আমি যদি চাবলৈ যাওঁ, তেনেহলে অবৈধ প্ৰৱজনে আজি অসমত বিশেষ ভাবে যিবিলাক Tribal Belt & Block আছে, যি বিলাক আমাৰ সত্ৰ আছে, যিবিলাক বনাঞ্চল আছে, যিবিলাক খেতি পথাৰ আছে, আজি সেই বিলাক দখল কৰি, বেদখল কৰি আজি তেওঁলোকে আমাৰ বিশেষকৈ জাতিৰ প্ৰতি এটা সংকট কঢ়িয়াই আনিছে। আমি যদি চাবলৈ যাওঁ, তেনেহলে অসমত আজিলৈকে কিন্তু জৰীপ কাৰ্য্য হোৱা নাই। গতিকে প্ৰযুক্তি বিদ্যাৰ প্ৰয়োগেৰে যাতে স্বচ্ছতা থাকিব পাৰে। তাৰ বাবে সমগ্ৰ অসমতে আমাৰ জৰীপৰ প্ৰয়োজন হৈছে। গতিকে উপাধ্যক্ষ ডাঙৰীয়া, আপোনাৰ জৰিয়তে মই মাননীয় ৰাজহ মন্ত্ৰীক অনুৰোধ জনাব বিছাৰিছো, যাতে সমগ্ৰ অসমতেই আমাৰ জৰীপ কাৰ্য্য চলাই আমাৰ খিলঞ্জীয়া মানুহৰ যি ভূমিৰ অধিকাৰ এই অধিকাৰ সাব্যস্ত কৰাৰ স্বাৰ্থত, আজি পুনৰ তেনে ধৰণৰ জৰিপকাৰ্য্য চলাটো নিতান্তই প্ৰয়োজন বুলি মই ভাবো। আৰু ঠিক তেনেকৈ আজি চাহ বাগিচা সমুহত যি মাটিৰ আৱন্টন দিয়া হৈছে, এই মাটিৰ আৱন্টনৰ ক্ষেত্ৰত, বৰ্তমান কি অৱস্থানত আছে, ত্ৰই সম্পৰ্কটো চাহ বাগিচাৰ মাটিৰ ক্ষেত্ৰটো এটা জৰিপ কাৰ্য্য চলোৱাটো নিতান্তই প্ৰয়োজন। গতিকে মই আশা ৰাখিছো যে, আজি যদি জৰিপ কাৰ্য্য চলাই বিশেষকৈ আমাৰ চাহ বাগিছাৰ ক্ষেত্ৰত অসমৰ মাটি ভূমিৰ ওপৰত, তেতিয়া হলে নিশ্চয় এটা স্বচ্ছতা আহিব বুলি মোৰ দৃঢ় বিশ্বাস আছে। বিশেষ ভাবে ছাৰ উত্তৰপূৰ্বাঞ্চলত আজি দেখা গৈছে, যে উত্তৰপূৰ্বাঞ্চলৰ ভূমিৰ অধিকাৰ খিলঞ্জীয়া মানুহৰ হাতত, খিলঞ্জীয়া মানুহৰ ওপৰত অধিকাৰ সাব্যস্ত কৰিছে। গতিকে আমাৰ অসমতো খিলঞ্জীয়া মানুহৰ হাতত যাতে ভূমিৰ অধিকাৰ থাকে তাৰ বাবে, উত্তৰপূৰ্বাঞ্চৰ যিটো বেলেগ ৰাজ্যৰ আৰ্হি, সেই আৰ্হি অসমতো প্ৰয়োগ কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আৰু তেতিয়া হলে হয়তো আমাৰ সাংবিধানিক ৰক্ষাকবচ ৬ নং দফা অনুযায়ী ভূমি যদি আমাৰ নাথাকে আমাৰ খিলঞ্জীয়া মানুহৰ হাতত, তেতিয়া হলে নিশ্চয় আমাৰ

খিলঞ্জীয়া মানুহৰ অস্তিত্বৰ প্ৰতি ভাবুকি আহিব আৰু খিলঞ্জীয়া মানুহৰ যিটো সাংবিধানিক ৰক্ষাকবচৰ কথা কোৱা হৈছে, সেই ৰক্ষা কবচ নিশ্চয় আমাৰ ৰক্ষা নহ'ব। সেই কাৰণে ভূমিৰ ওপৰত বিশেষ ভাবে এখন ৰাজ্য, খিলঞ্জীয়া মানুহৰ অস্তিত্বৰ পৰিচয়ৰ প্ৰতি যথেষ্ট্য খিনি নিৰ্ভৰ কৰে। আৰু সেই বাবে বিশেষ ভাবে মই অনুৰোধ জনাইছো যাতে মাননীয় মন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰে আৰু আমি এটা লক্ষ্য ৰাখিছো যে অ গ প চৰকাৰৰ সময়ত কৃষিৰ মাটি অকৃষি কাৰ্য্যলৈ ৰূপান্তৰিত হ'ব নোৱাৰে। আজি আইনত, ৰুলচত এই কথাবিলাক আছে। কিন্তু প্ৰকৃতাৰ্থত আজি অসমৰ কৃষিৰ মাটি, সেই কৃষিৰ মাটিখিনি আজি আমি ৰক্ষণাবেক্ষণ দিব পাৰিছো নে নাই? আমাৰ কিন্তু তেনেধৰণৰ আইনগত ব্যৱস্থা আছে। এতিয়া আমি দেখিছো যে বিশেষভাবে বহুটো কৃষিৰ মাটি আজি অ-কৃষি কাৰ্য্যলৈ ৰূপান্তৰিত হোৱা পৰিলক্ষিত হৈছে। কাৰণ মোৰ সমষ্টিতে বিভিন্ন ঠাইত দেখিছো যে, আজি Tribal Belt and Block টো আজি বিশেষভাৱে এনেধৰণে উদ্যোগ কৰাৰ কাৰণেও আজি অনুমতি প্ৰদান কৰা হৈছে। ঠিক তেনেকৈ কৃষিৰ মাটিতো বিভিন্ন ঠাইত তেনেধৰণৰ উদ্যোগ স্থাপন কৰি কৃষিৰ মাটি অকৃষি কাৰ্য্যলৈকে ৰূপান্তৰিত কৰাৰো ব্যৱস্থা আজি গ্ৰহণ কৰিছে, যদিও আমাৰ আইনগত ব্যৱস্থা আছে। মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াক অৱগত কৰিব বিচাৰিছো। দ্বীপৰ বিলখন হৈছে Wet land. পৃথিৱীৰ ভিতৰত এখন ডাঙৰ Wet land. যদি চোৱা যায়, তেনেহ'লে দেখা পোৱা যাব যে, আদি দ্বীপৰ বিলৰ পাৰতে কেইবাটাও গুদাম কৰাৰ কাৰণে কিন্তু অনুমতি দিয়া হৈছে। তেনেধৰণৰ মাটি যিটো আইনগত ব্যৱস্থাৰ মাজেৰে কৰিব নোৱাৰে। কিন্তু তেনেধৰণে বৃহৎ বৃহৎ ভিতৰে ভিতৰে অনুমতি প্ৰদান কৰি ১০-১১ টা গুদাম দ্বীপৰ বিলত নিৰ্মাণ কৰিবৰ কাৰণে ইতিমধ্যে অনুমতি পাইছে। এই ব্যৱস্থাসমূহ যদি নাচাও, তেনেহ'লে নিশ্চয় এটা সময়ত অসমৰ যি কৃষিভূমি, এই কৃষিভূমি সীমিত হ'ব আৰু তেতিয়া হয়তো অসমত এটা অচলাৱস্থাৰ সৃষ্টি হ'ব বুলি মই নিজে বিবেচনা কৰিছো। গতিকে মই মাননীয় উপাধ্যক্ষৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰিছো যে, আমাৰ যিটো ভূমি আইন হ'ব, সৰলীকৰণ কৰি অসমত বসবাস কৰা খিলঞ্জীয়া মানুহক যাতে ভূমিৰ পট্টা দি মানুহখিনিক যাতে সুৰক্ষিত কৰিব পাৰো আৰু তেওঁলোকে যাতে কোনো আঁচনিৰ পৰা বঞ্চিত নহয়। বেংকৰ পৰাও আজি ভূমি কৰ্তন নোহোৱা কাৰণে তেওঁলোকক লোন লোৱাৰ পৰাও বঞ্চিত হ'ব লগা হৈছে। গতিকে মই আশা ৰাখিছো এই ক্ষেত্ৰত চৰকাৰে এটা বাস্তৱ দৃষ্টিভংগী লৈ যাতে অতি শীঘ্ৰে গুৱাহাটী মহানগৰীৰ লগতে সমগ্ৰ অসমত খিলঞ্জীয়া মানুহখিনিক যাতে ভূমিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰে, তাৰবাবে অনুৰোধ জনাইছো। নহ'লে বিভিন্ন সংগঠন আছে, অৰাজনৈতিক সংগঠনেই কওঁক, ৰাজনৈতিক সংগঠনেই হওঁক এই ভূমি সমস্যাক লৈ হয়তো সমাগত দিনত হয়তো বৃহত্তৰ আন্দোলন গঢ়াৰ যি এটা প্ৰয়াস কৰিছে যাতে আমাৰ সিদ্ধান্তই তেনেধৰণৰ আন্দোলন গা-কৰি উঠিব নোৱাৰে। তাৰ বাবে আপোনাৰ জৰিয়তে মাননীয় ৰাজহ মন্ত্ৰীক অনুৰোধ জনাই মোৰ ক'বলগীয়াখিনি ইমানতে সামৰণি মাৰিছো।

**শ্ৰী উৎপল দত্ত, লক্ষিমপুৰ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই দুটা কথা যোগ দিব বিচাৰিছো। বিশেষকৈ মই কেইবাবাৰো বিধান সভাত এটা বিষয় উত্থাপন কৰি আহিছো। মোৰ সমষ্টিত পূৱ তেলাহী, লোহিত খাবলু, পশ্চিম তেলাহী, ঘোণাসুঁতি। এই এলেকাবোৰত জনজাতি মিচিং ৰাইজ বসবাস কৰে। আজি বিধান সভাত তৰাবিহীন প্ৰশ্নৰ উত্তৰত জনাইছেও, মাননীয় মন্ত্ৰী ডাঙৰীয়াই। পূৱ তেলাহী পঞ্চায়তৰ একলেচা মাটিও আজিলৈকে জৰীপ হোৱা নাই। যুগ যুগ ধৰি বসবাস কৰি আছে তেওঁলোকে মাটি পট্টা বিচাৰিলে তাত একটকাও মাটিৰ পট্টাও দিয়া হোৱা নাই। যোৱাবাৰ

বিধান সভাত মন্ত্ৰী ডাঙৰীয়াই এই প্ৰশ্নৰ উত্তৰত কৈছিল যে, জৰীপ কৰিবৰ কাৰণে লক্ষীমপুৰলৈ টিম পঠোৱা হৈছে। টিমাটো গ'ল। মাত্ৰ লোহিত খাবলু অঞ্চলত জৰীপ কৰিলে। পূৰ তেলাহী, ঘোণাসুঁতি আৰু পশ্চিম তেলাহীত নকৰিলে। যুগ যুগ ধৰি বসবাস কৰি থকা এই ব্যক্তি সকলৰ **শ্ৰী উৎপল দত্ত, লক্ষিমপুৰ ঃ** মাটিখিনি জৰীপ কাৰ্য্য নোহোৱাৰ কাৰণে তেওঁলোকে যথেষ্ট কষ্ট পাইছে। তেওঁলোকৰ লোন লবলগীয়া হ'লে তেওঁলোকৰ মাটিৰ পট্টা নাই। যিকোনো কামত তেওঁলোকৰ মাটিৰ পট্টা দিব পৰা নাই। বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক এই সুযোগতে আপোনাৰ জৰিয়তে আহ্বান জনাম যে, লক্ষামপুৰ সমষ্টিৰ পূৰ তেলাহী, লোহিত খাবলু, ঘোণাসুঁতি, পশ্চিমে তেলাহী, মিচিং জনজাতিৰ ৰাইজে তাত বসবাস কৰে। তেওঁলোকৰ কাৰোৰেই ম্যাদি পট্টা নাই। আজিলৈকে জৰীপ হোৱা নাই। এইটো এটা ডাঙৰ কথা। মই বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক বিধান সভাত অনুৰোধ জনাইছো, লক্ষিমপুৰ সমষ্টিৰ য'ত মাটিবিলাকৰ জৰীপকাৰ্য্য হোৱা নাই। মাটিৰ জৰীপ চলাব লাগে আৰু যুগ যুগ ধৰি বসবাস কৰা জনজাতীয় খিলঞ্জীয়া মানুহখিনিয়ে যাতে মাটিৰ পট্টাটো পায়, তাৰ কাৰণে মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী ডাঙৰীয়ালৈ অনুৰোধ ৰাখি মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী গুৰুজ্যোতি দাস, মঙ্গলদৈ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ ওচৰৰ বহুকেইখন ৰাজ্যই ইতিমধ্যে বহু মাটি অসমৰ বেদখল কৰি আহিছে। আজি এটা মাননীয় বিধায়ক শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ প্ৰশ্ন উত্তৰ দিছে চৰকাৰে অতি সোনকালে ইয়াৰ ব্যৱস্থা লব লাগে। বৰ্তমান সদস্য গৰাকীয়ে যি উপস্থাপন কৰিছে, থলুৱা ভূমিপুত্ৰ সকলক প্ৰধান মন্ত্ৰীৰ আৱাস যোজনাৰ যথেষ্টখিনি অনুমোদন হৈছে। বহুতৰ মাটি নথকাৰ কাৰণে দিবলৈ সুবিধা হোৱা নাই। লোনৰ পৰা বা বিভিন্ন চৰকাৰী সুবিধাৰ পৰা বঞ্চিত হৈছে। তাৰ অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এইক্ষেত্ৰত মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী ডাঙৰীয়াই কব।

**শ্ৰী ভবেশ কলিতা, মাননীয় ৰাজহ মন্ত্ৰী ঃ** সন্মানীয় উপাধ্যক্ষ মহোদয়, শ্ৰদ্ধেয় বিধায়ক । জ্যেষ্ঠ বিধায়ক শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই আজি পবিত্ৰ সদনত অতি গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছে। সচাঁকৈয়ে আমি সকলোৰেই জানো খাদ্য, বস্ত্ৰ, বাসস্থান এই গোটেইখিনি কথা ভূমিৰ ওপৰত উৎপত্তি হৈছে আৰু যিটো ভূমি বিবাদ ইতিমধ্যে তেখেতে কেইবাটাও গুৰুত্বপূৰ্ণ কথা উল্লেখ কৰিছে। অসমত স্থায়ীভাৱে বসবাস কৰি থকা পৰিয়াল সকলক যে, মাটিৰ পট্টা বা আবণ্টন দিও। ইতিমধ্যে আমি সকলোৰে অৱগত যে, Assam Land Revinew Regulation Act 1886, যিটো মেগ্নাকাৰ্টা বুলি কৈছিল। বেছিভাগ বিধায়কে আইনৰ ছাত্ৰ। সচাঁকৈ এইখন বৃটিছৰ নিৰ্ণয় আছিল। পৰৱৰ্তী সময়ত এইখন আমি সংশোধন কৰি 1889 লৈ আনিলো আৰু সেই হিচাপ মতে যিসকল ভূমিহীন পৰিয়াল আছে, তেওঁলোকক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিছো যে, SDLAC ( Sub-division Level Land Advisory Committee) জৰিয়তে গ্ৰাম্য অঞ্চলত আমি ভূমিহীনক দুবিঘা বাৰী-বস্তীৰ বাবে আৰু ৭ বিঘা কৃষিৰ বাবে। নগৰ অঞ্চলত বিশেষকৈ গুৱাহাটী মহানগৰৰ কাৰণে এককঠা তিনিলেচা আৰু টাউন এলেকাত দুকঠা মাটি দিয়াৰ ব্যৱস্থা আছে। ইতিমধ্যে এই ব্যৱস্থাটো টাউন এলেকাত ভূমি উপদেষ্টা পৰিষদৰ জৰিয়তে বিভাগলৈকে আহে, উপায়ুক্ত ডাঙৰীয়াৰ নেতৃত্বত হয়। ঠিক তেনেদৰে আজি পৰমশ্ৰদ্ধাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদেয়ে চোকা নিৰ্দেশ দিছে যে, যোৱা মাহত আমাৰ এখন ৰাজহ বিভাগৰ উচ্চ পদস্থ

বিষয়া সকলক লৈ সন্মানীয় মুখ্যমন্ত্ৰী মহোদয়ৰ উপস্থিতিত, মই নিজেও উপস্থিত আছিলো। তাতে কেইবাটাও গুৰুত্বপূৰ্ণ কথা চিন্তা-চৰ্চা কৰিছো আৰু আপোনালোকে শুনি ভাল পাব যে, জৰীপ কাৰ্য্য সচাঁকৈয়ে আমি কৰিব লাগিব। জি ভি আৰ পদ্ধতিত আমি আনিব লাগিব। গোটেই ব্যৱস্থাটোক ডিজিটেলাইজ কৰাৰ কাৰণে আমি প্ৰয়াস চলাইছো। ইতিমধ্যে সন্মানীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাক এইটো ব্যৱস্থা কৰি দিছে। আমাৰ শীতকালীন অধিবেশনৰ কাৰণে আমি যাব নোৱাৰিলো। তেলেংগানা আৰু হাইদৰাবাদত মই নিজে যাম লগতে সন্মানীয় বিধায়ক চাৰিজনে এই বিধান সভাৰ পৰা তাৰ্লৈ যাব লাগিব। লগতে উচ্চ পদস্থ বিষয়াসকল, লাটমণ্ডল, চক্ৰ বিষয়া যাব, এল আৰ যাব তাৰোপৰি এডি ছি ৰেভিনিউ তেনেকুৱা এটা বৃহৎ টিম এসপ্তাহ ষ্টাডিৰ কাৰণে যাম আৰু গোটেইখিনি কথা তাত পুংখানুপুংখভাৱে অধ্যয়ন কৰিম। সঁচাই ভূমি সংস্কাৰ কৰিবলৈ যথেষ্টখিনি কাম আছে। এই সংস্কাৰখিনি কৰিব লাগিব। তেতিয়াহে আমাৰ মাজত মাটিখিনি থাকিব। বহুত খেতিয়কে খেতি কৰি আছে। তেওঁলোকৰ মাজত খেতিৰ মাটি নাই, লোন লব নোৱাৰে কাৰণ মাটিৰ খাজনাৰ ৰচিদখন যদি দিব নোৱাৰে, লোন নাপায়। চৰকাৰী চাৰ্কোলাৰখনো নাপায়। এই কথাটোত বহুতে ভূক্তভোগী। ইয়াত এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰাৰ কাৰণে মই সন্মানীয় বিধায়ক শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া, শ্ৰীউৎপল দত্ত ডাঙৰীয়াই সেই একেই বিষয় উত্থাপন কৰিছে। ঘোণাসুঁতি, পশ্চিম তেলাহী, পূব তেলাহী আদিকে কৰি অঞ্চলৰ ৰাইজে মাটিৰ পট্টা নাই। এই মাটিৰ পট্টা পোৱাৰ ব্যৱস্থা আমাৰ চৰকাৰে কৰিব। ঠিক তেনেদৰে সন্মানীয় বিধায়ক শ্ৰী গুৰুজ্যোতি দাস ডাঙৰীয়াইও উল্লেখ কৰিছে যে সঁচাই প্ৰধান মন্ত্ৰীৰ আৱাস যোজনাৰ ঘৰ বনাবলৈ অক্ষম হৈছে, ভূমিৰ ম্যাদি পট্টা নথকাৰ কাৰণে। এই আটাইখিনি ব্যৱস্থা আমাৰ চৰকাৰে কৰাৰ কাৰণে দৃঢ় প্ৰতিজ্ঞ লগতে সন্মানীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই উল্লেখ কৰিছে যে ভাৰতৰ প্ৰাক্তন নিৰ্ব্বাচনী আয়ুক্ত হৰি শংকৰ ব্ৰহ্ম আয়োগৰ চুড়ান্ত প্ৰতিবেদন আমাৰ চৰকাৰৰ হাতত প্ৰদান কৰিছে। ইয়াক তন্ন তন্নকৈ পৰীক্ষা কৰি থকা হৈছে। ইয়াৰ ওপৰত ভিত্তি কৰি আমি নতুন ভূমি নীতি ল'বলৈ সক্ষম হ'ম। ইয়াৰ ওপৰত এটা বিস্তৃত প্ৰতিবেদন আমি আপোনালোকৰ ওপৰত দাঙি ধৰিবলৈ সক্ষম হ'ম লগতে আপোনালোকে জানি ভাল পাব যে আমাৰ চৰকাৰে ইতিমধ্যে ৮৫১৪খন পট্টা প্ৰস্তুত কৰি উলিয়াইছে আৰু ইয়াৰে ১০৪৫ খন আবন্টণৰ বাবে আমি প্ৰস্তুত কৰিছো। কিছুদিন পিছতে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি এখন জিলাত গৈ এই প্ৰক্ৰিয়া আৰম্ভ কৰিব। তাৰ পৰৱৰ্ত্তী সময়ত আমাৰ সন্মানীয় বিধায়কসকলে তেওলোকৰ নিজা নিজা সমষ্টিত গৈ মাটিৰ পট্টা বিতৰণ কৰিবলৈ সক্ষম হ'ব। আমাৰ হাতত থকা তথ্যমতে উপায়ুক্তসকলক আমি যি নিৰ্দ্দেশ দিছিলো মই সদনত গাই দিব বিচাৰিছো আউট অফ ৩৪ ডিষ্ট্ৰিক্ট। এতিয়ালৈকে আমি ২৩ খন জিলাত কিমান পট্টা প্ৰস্তুত কৰিবলৈ সক্ষম হৈছিলো। তিনিচুকীয়া - ৭৫, ডিব্ৰুগড়- ২৫৮, শিৱসাগৰ- ১১৯ , চৰাইদেউ- ১৮০, যোৰহাট-১৩৯৬, মাজুলী-২৫০, গোলাঘাট- ১৩৮৮, নগাওঁ- ৭২, হোজাই-২৩৪, মৰিগাওঁ- ১৬০, কামৰূপ (মহানগৰ) ৩০ কামৰূপ (গ্ৰাম্য)- ৫২৭, গোৱালপাৰা-৩৯৪, বঙ্গাইগাওঁ- ৮৫৫, বৰপেটা- ১০২, নলবাৰী-২২, দৰং-৪৪৭, শোনিতপুৰ- ৩০০, বিশ্বনাথ-৩০৮, লক্ষীমপুৰ- ১০০৫, ধেমাজী-১২০, কৰিমগঞ্জ-১৩৭, হাইলাকান্দি-১৩৫ ইত্যাদিকে ধৰি মুঠ ৮৫১৪

ইতিমধ্যে আমাৰ সন্মানীয় মুখ্যমন্ত্ৰী মহোদয়ে সকলো উপায়ুক্তকে নিৰ্দ্দেশ দিছে। সকলো চাব ডিভিজনকে নিৰ্দ্দেশ দিয়া হৈছে। যে সোনকালে চাব ডিভিজন লেভেলত লেণ্ড এডভাইছাৰি কমিটি বহিব লাগে। যিখিনি প্ৰভিজন, প্ৰপোজল আছে আমাৰ বিভাগলৈ পঠিয়াব লাগে। আমাৰ

গুৱাহাটী মহানগৰতো ভূমিৰ পট্টাদিয়াৰ বাবে কাম চলি আছে। শেহতীয়া ভাবে যিহেতু কোৰ্টত কনচেপশ্যনটো আহিছে আমি গুৱাহাটী- মিনিচিপালটি এৰিয়াত একঠা ৫ লোছাৰ পৰিৱৰ্ত্তে আমি ১ কঠাকৈ মাটিৰ পট্টা দিম। আগৰ যিখিনি আছে সেইখিনি বেলেগ হ'ব। নতুনকৈ যি এলটমেন্ট বা মাটিৰ পট্টা দিয়া হ'ব তাত ১ কঠা মাটিৰ পট্টা দিম।

আগৰ পলিচিমতে আমি ১ বিঘা মাটিত ৪ জনক মাটিৰ পট্টা দিছিলো কিন্তু নিউ পলিচিমতে আমি ১ বিঘা মাটিত ৫ জনক এল'টমেন্ট দিব লাগে। আমি বেনিফিচিয়াৰিৰ সংখ্যা বৃদ্ধি কৰিব লাগে। ইয়াৰ ওপৰত আমি এটা প্ৰতিবেদন যুগুত কৰি উলিয়াইছিলো । আপোনালোক ডিটেইলচ পঢ়ি শুনাইছো।

অসমত স্থায়ীভাৱে বসবাস কৰি থকা খিলঞ্জীয়া ভূমিহীন পৰিয়ালসমূহক ১৯৮৯ চনৰ চৰকাৰী ভূমিনীতি অনুসৰি বস্তি আৰু কৃষি উভয় উদ্দেশ্যে ভূ আবন্টণ / পট্টন দিয়াৰ ব্যৱস্থা আছে। সেই অনুসৰি গাওঁ লেকাত জিলা উপায়ুক্তসকলে মহকুমা ভূমি উপদেষ্টা সমিতিৰ অনুমোদন সাপেক্ষে ভূমিহীন খিলঞ্জীয়া পৰিয়ালক ঘৰ-বস্তিৰ বাবে ১ বিঘা আৰু কৃষিকাৰ্য্যৰ বাবে ৭ বিঘা ভূমিৰ আবন্টণ / পট্টন দিব পাৰে। আবন্টণ পোৱাৰ ৩ বছৰ পাছত আবন্টিত মাটিৰ বিপৰীতে বিতাথিকাৰীসকলক একচনীয়া পট্টা দিয়া হয় যদিহে আবন্টিত মাটি যি উদ্দেশ্যত দিয়া হৈছিল সেই উদ্দেশ্যতে ব্যৱহৃত হৈ থকা দেখা যায়। একচনা পট্টা পোৱাৰ ৩ বছৰ পিচত ম্যাদী পট্টা প্ৰদান কৰা হয় যদিহে সেই মাটি হস্তান্তৰিত কৰা নহয়। নগৰ এলেকাৰ ক্ষেত্ৰত ভূমি উপদেষ্টা সমিতিৰ অনুমোদন সাপেক্ষে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে প্ৰিমিয়াম আদায় মৰ্মে গুৱাহাটীৰ ক্ষেত্ৰত ১ কঠা ১০ লেচা আৰু আন টাউনৰ ক্ষেত্ৰত ২ কঠা জমিৰ পট্টনৰ ব্যৱস্থা বৰ্ত্তমানে চলি আছে।

ভূমি পট্টনৰ প্ৰচলিত প্ৰক্ৰিয়াৰ সৰলীকৰণৰ যোগেৰে অসমৰ খিলঞ্জীয়া ভূমিহীন পৰিয়ালসমূহক ক্ষীপ্ৰতাৰে ভূমি পট্টন দিয়া সন্দৰ্ভত ইতিমধ্যে ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগে কাৰ্য্যব্যৱস্থা হাতত লৈছে। গাওঁ এলেকাত আবন্টণৰ ৩ বছৰ পাছত একচনীয়া পট্টা প্ৰদানৰ সলনি ম্যাদী পট্টা প্ৰদানৰ সম্ভাৱনা সম্পৰ্কে বিচাৰ কৰি থকা হৈছে। নগৰ অঞ্চলৰ ক্ষেত্ৰতো পট্টন প্ৰক্ৰিয়া সৰলীকৰণ কৰাৰ মৰ্মে বিভাগীয়ভাৱে এক "পৰীক্ষণ তালিকা " প্ৰস্তুত কৰি ভূমি পট্টনৰ প্ৰস্তাৱসমূহ প্ৰেৰণ / পুন ঃ প্ৰেৰণৰ বাবে জিলাৰ উপায়ুক্তসকললৈ নিৰ্দ্দেশনা জাৰি কৰা হৈছে।

ভূমি আবন্টণ য় পট্টনৰ প্ৰস্তাৱসমূহ ক্ষীপ্ৰ নিস্পত্তিৰ অৰ্থে মহকুমা ভূমি উপদেষ্টা সমিতিৰ বৈঠকসমূহ প্ৰতিমাহে অনুষ্ঠিত কৰাৰ বাবেও জিলা উপায়ুক্তসকললৈ নিৰ্দেশনা জাৰি কৰা হৈছে। তাৰোপৰি খিলঞ্জীয়া ভূমিহীন পৰিয়ালসমূহক ভূমিৰ আবন্টণ বা পট্টন দিয়াৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ তেনে পৰিয়ালৰ তালিকা প্ৰস্তুতকৰণৰ বাবেও জিলা উপায়ুক্তসকললৈ নিৰ্দ্দেশনা জাৰি কৰা হৈছে।

ইতিমধ্যে ৰাজ্য চৰকাৰে প্ৰচলিত ভূমি আইন , ভূমিনীতি আদি পৰীক্ষা কৰি এক নতুন ভূমিনীতি তথা প্ৰচলিত আইন, নিয়মাৱলীত কাৰ্য্যক্ষম তথা বলিষ্ঠ সংযোজন অথবা অ-কাৰ্য্যকৰী দফাসমূহ কৰ্ত্তন সন্দৰ্ভত চৰকাৰক পৰামৰ্শ আগবঢ়াবলৈ ভাৰতৰ প্ৰাক্তন নিৰ্ব্বাচনী আয়ুক্ত শ্ৰীহৰিশংকৰ ব্ৰহ্মাৰ নেতৃত্বত এখন সমিতি গঠন কৰিছিল, যি সমিতিয়ে ইতিমধ্যে চুড়ান্ত প্ৰতিবেদন দাখিল কৰিছে আৰু এই প্ৰতিবেদন যোগে আগবঢ়োৱা পৰামৰ্শৰলী চৰকাৰে পৰীক্ষা কৰি এক নতুন ভূমিনীতি প্ৰনয়ণৰ কাম আৰম্ভ কৰিছে। অনুৰূপভাৱে খিলঞ্জীয়াৰ ভূমি অধিকাৰ সুৰক্ষিত কৰাৰ স্বাৰ্থত প্ৰচলিত ভূমি আইণত প্ৰয়োজনীয় সংশোধনী অনাৰ ক্ষেত্ৰতো বিভাগীয় প্ৰক্ৰিয়া হাতত লোৱা হৈছে।

ভূমিনীতি আৰু ভূমি আইনত উপযুক্ত সংযোজনেৰে খিলঞ্জীয়া ভূমিহীন পৰিয়ালসমূহক ভূমি আৱন্টন / পট্টন দিয়া প্ৰক্ৰিয়াটো অধিক খৰতকীয়া আৰু কাৰ্য্যক্ষম কৰাৰ প্ৰচেষ্টা অব্যাহত আছে। উপাধ্যক্ষ ডাঙৰীয়া ,আমাৰ সন্মানীয় ৰমেন কলিতা ডাঙৰীয়াই আৰু এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন 'দীপৰ বিল সম্পৰ্কে উত্থাপন কৰিছে। সঁচাই আমাৰ কৃষিভূমি ক্লাচিফিকেশ্যন হৈ আছে। ইণ্ডাষ্ট্ৰিয়েল লৈকে পৰিৱৰ্ত্তন কৰা হৈছে। আৰু এটা কথা কওঁ বহু ব্যৱসায়ীয়ে , উদ্যোগীয়ে এগ্ৰিকালচাৰেল লেণ্ড ইণ্ডাষ্ট্ৰী লেণ্ড হিচাপে ব্যৱহাৰ কৰি আছে। আগফালে কিছু প্লেনটেশ্যন কৰে আৰু পিছফালে প্ৰকাণ্ড এটা 'গোডাউন' বনায়। যাৰ বিনিময়ত আমাৰ চৰকাৰে ৰাজহৰ পৰা বঞ্চিত হৈ আছে। ৰাজহ ফাকিঁৰ ব্যৱস্থা চলি আছিল । যিটো আমাৰ নতুন ভূমি নীতি চলিব তাত যিটো জৰিপ চলিব তাত সকলো জল জল পট পট হ'ব । যিসকলে এই ক্ষেত্ৰত ফাঁকি বাজেৰে চালি আছে তেওঁলোকৰ ওপৰত আমি চৰকাৰৰ ফালৰ পৰা বিহীত ব্যৱস্থা ল'ম। ইণ্ডাষ্ট্ৰী আমাৰ হ'ব লাগিব, আমাৰ নিযোগ সৃষ্টি হ'ব লাগিব। কিন্তু যিসকল খিলঞ্জীয়াৰ কৃষিভূমি আছে এইখিণ্ডি আমি সংৰক্ষিত কৰি ৰাখিব লাগিব। এই ক্ষেত্ৰত কলিতা ডাঙৰীয়াক ধন্যবাদ জনাইছো যে, সঁচাই দীপৰ বিলত যি সচাকৈয়ে 'ৱেট লেণ্ড' মহামান্য উচ্চতম ন্যায়ালয়ৰ যি নিৰ্দ্দেশ আছিল যি ভি জি আৰ, পি জি আৰ , ৱেট লেণ্ড , গ্ৰেজিং এইবিলক আমি সংৰক্ষণ কৰি ৰাখিব লাগিব। সেইবিলাক আমি কাকো এটলমেন্ট দিব নোৱাৰো আৰু সেই মাটি বেদখলো কৰিব নোৱাৰো ইতিমধ্যে আমাৰ চৰকাৰ আৰু বিভাগে চোকা দৃষ্টি ৰাখিছে , সন্মানীয় মুখ্য মন্ত্ৰী মহোদয়ে আমাক নিৰ্দ্দেশ জাৰি কৰিছে যিসকলে এনেকুৱা মাটি বেদখল কৰিছে সেইখিনি উচ্ছেদ কৰাৰ কাৰণে আমি উপায়ুক্তসকলক পত্ৰ প্ৰেৰণ কৰিছো আৰু তাৰ কাম বৰ্ত্তমান চলি আছে। ......... ধন্যবাদ ।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া । আমাৰ গুৱাহাটী মহানগৰীত প্ৰায় ৮৫ হাজাৰ তকৈ বেছি ইয়াত পৰিয়াল আছে। এতিয়া মন্ত্ৰী ডাঙৰীয়াই যিটো তথ্য দিছে ৩০ টা পৰিয়ালক মাটিৰ পট্টা দিয়াত আৰু বেছি হ'ব , কিমান বেছি হ'ব সেইটো সময়ে ক'ব। এতিয়া মাননীয় উপাধ্যক্ষ ডাঙৰীয়া আমাৰ ইয়াতে পাহাৰ এঞ্চল আছে। এতিয়া পাহাৰ এঞ্চলতো বহু মানুহে বসবাস কৰি আছে। আজি যদি ৬ খন ৰাজ্যই পাহাৰত থকাৰ পাছতো মাটিৰ পট্টা পাব পাৰে তেন্তে গুৱাহাটী মহানগৰীত থকা সেই পাহাৰবিলাকতমাটিৰ পট্টা দিয়াৰ ক্ষেত্ৰত বিশেষভাবে চৰকাৰে কি ব্যৱস্থা লৈছে। সেইটো মই জানিব খুজিছো।

**শ্ৰী উৎপল দত্ত ঃ** লগতে এই যে চাৰ্ভে টীম বিলাক, লখিমপুৰলৈ পঠিয়াব নেকি ? মন্ত্ৰী ডাঙৰীয়াই বাকী উত্তৰখিনি ঠিকেই দিছে, আমি ভাল পাইছো যে মাটিৰ পট্টা দিব। আমাৰ তাত চাৰ্ভেই হোৱা নাই। চাৰ্ভে টীমটোক পঠিয়াব নেকি আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াৰ পৰা এটা সদনত আশ্বাস বিচাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ৰূপজ্যোতি কুৰ্মীয়ে কওঁক।

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। তেখেতে নিশ্চয় জ্ঞাত যে কাননগু, মণ্ডল আৰু চেইনমেন সকলে এলানি প্ৰতিবাদী কাৰ্য্যসূচী গ্ৰহণ কৰিছিল। যিহেতু মাটিৰ লগত তেওঁলোক জড়িত হৈ আছে, তেওঁলোকে যদি কাৰ্য্যসূচী অব্যাহত ৰাখে তেনেহলে মাননীয় মন্ত্ৰী মহোদয়ৰ যি সদিচ্ছা বা উত্তৰ আমি শুনা পালো, সেইটোত ব্যাঘাত ঘটিব। সেই কাৰণে আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কাননগু, মণ্ডল আৰু চেইনমেন সকলৰ আন্দোলনটো প্ৰত্যহাৰ কৰাৰ বাবে চৰকাৰে কেনে ব্যৱস্থা গ্ৰহণ কৰিছে।

**শ্ৰীনিজানুৰ ৰহমান ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিখন লিষ্ট গাই দিলে, তাত ধুবুৰী জিলাৰ নাম নাই। ধুবুৰী জিলাত প্ৰকৃততে আবেদন কৰাই নাই নে তাত ভূমি পট্টা দিয়াৰ কোনো পৰিকল্পনা নাই নেকি? যি খন লিষ্ট আপুনি গাই দিলে তাত আমাৰ ধুবুৰী জিলাৰ নামটো কোৱা নাই আপুনি।

**মাননীয় উপাধ্যক্ষ ঃ** ঠিক আছে, মাননীয় মন্ত্ৰী ।

**শ্ৰী কিশোৰ নাথ ঃ** এক মিনিট মই অলপ কৈ লওঁ, মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ বৰখলা সমষ্টিত যেনেকৈ হাতিচড়া GP আছে, চৌধ্যজুৰপতিৰ GP আছে লগতে ঝাৰনচলা GP আছে, সেই GPত মানুহ তাতে শ শ বছৰ ধৰি বসবাস কৰি আছে। কিন্তু আজিলৈকে কোনোধৰণৰ পট্টা পোৱা নাই। একে ধৰণৰ কথা, পট্টা নোপোৱাৰ কাৰণে PMAY ৰ ঘৰ তেওঁলোকে বনাব পৰা নাই বা কিবা Loan ল'বলৈ পৰা নাই। যেনেকৈ Fishery ৰ কাৰণে অলপ দিন আগতে আহিছিল, যে পট্টাৰ মাটি দিলে Fishery পাব। তেওঁলোকৰ মাটি আছে, কিন্তু পট্টা নাই কাৰণে তেওঁলোকে Fisheryৰ Loan পোৱা নাই। ঠিক তেনেকুৱা ধৰণৰ বহুত অসুবিধা আছে। সেই তিনিটা চাৰিটা মই কলো মাত্ৰ। সেই ঠাইখিনিৰ মানুহ বহু বছৰ ধৰি তাত বসাবাস কৰি আছে, কিন্তু তেওঁলোকৰ পট্টা নাই। মাননীয় মন্ত্ৰী মহোদয়ে মোৰ সমষ্টিৰ কথা অলপ তাত অন্তৰ্ভূক্ত কৰি ল'ব আৰু আগন্তুক দিনত যেতিয়া মোৰ সমষ্টিৰ মানুহে যদি অলপ লাভবান হয়, সেইটো আপোনাৰ পৰা অলপ বিচাৰিছো। ধন্যবাদ। মই আৰু এটা পইন্ট কৈ দিছো ইয়াৰ লগতে, মোৰ অঞ্চলত বাগানীয়া অঞ্চল বহুত আছে, ৭ টা বাগান মোৰ অঞ্চলত আছে। তাত চাইছো বহুত মাটি এনেকুৱা আছে মানুহে লৈ occupy কৰি বহি আছে। সেই ঠাই চাইছো আকৌ উদ্যোগৰ নিচিনা, প্ৰথমতে মানুহে কি কৰে অলপ মাটি কাটে, তাৰ পিছত এটা বাঁহৰ ঘৰ বনাই লয়, অলপ দিন পিছত দেখা যায় যে তাত অলপ Fencing কৰি ডাঙৰকৈ উদ্যোগৰ নিচিনা কিবা এটা কৰি লয়। ঠিক তেনেকুৱা ধৰণে মাটি occupy হৈ আছে বহুত ঠাইত। সেইটো আপোনালোকে অলপ চকু দিব। চাব বস্তুটো কি ধৰণে এইটো কৰা যায়, এইটো মোৰ কথা। ধন্যবাদ।

**শ্ৰীঅশোক শৰ্মা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, নলবাৰী জিলাত মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিওঁতে ২২ খন বুলি কৈছে। মই তেখেতৰ পৰা সেই কথাটো জানিব বিচাৰিম। ২২ খন জিলাৰ ভিতৰত কিন্তু মোৰ নলবাৰী সমষ্টিত বালিতাৰা নামৰ এখন গাওঁ আছে, যিখনত খিলঞ্জীয়া মানুহ বহু বছৰ বহি আছে কিন্তু তেওঁলোকৰ মাটিৰ পট্টা নাই। মাননীয় মন্ত্ৰী মহোদয়ে সেইটো ইয়াত উল্লেখ কৰিলে মই ভাল পাম, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী ভৱেশ কলিতা, মন্ত্ৰী ঃ** উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ সন্মানীয় বিধায়ক সকলে যিখিনি কথা কৈছে, সঁচা যে new technology adopt কৰা হৈছে, সকলোৱে জানে। Increase of land servey তাতো আমি polygon system ৰে কামখিনি কৰিব পৰা যায়, উৎপল দত্ত ডাঙৰীয়াই কথা এটা কৈছে যে, লখিমপুৰত আমি কাম খৰটকীয়া কৰিব লাগে গোটেইখিনি ৰিপোৰ্ট আমাৰ মাজত আহি পোৱা নাই। এই ক্ষেত্ৰত আমাৰ অসুবিধা হয়, আমাৰ পট্টা যিবিলাকত এইটো কোৱা হয় যে এখন পট্টাত ২০০ বিঘা মাটি থাকে। মোৰ নিজৰ এইবিলাক অভিজ্ঞতা আছে। আমি বিভিন্ন সময়ত দেখিবলৈ পাওঁ বহুতে খাজনা দিব নোৱাৰে। সেই বাবে এই পট্টাৰ size টো সৰু কৰাৰ কাৰণে আমি আজি আপোনালোকক সদনত জনাব পাই সুখী হ'ম। পট্টাৰ size সৰু কৰাৰ কাৰণে আমি বিভাগক দায়িত্ব দিছো। চাৰ্কোল অফিচাৰ সকলক আজিকালি

attached LR দিয়া হৈছে চাৰ্কোল অফিচত বা আমাৰ ৰেভিনিউ অফিচাৰ যিজন থাকে জিলা পৰ্য্যায়ত, ৰাজহ অতিৰিক্ত উপায়ুক্ত তেওঁলৈ নিৰ্দেশ দিয়া হৈছে। ইয়াৰ উপৰিও জৰীপ কাৰ্যত আমি সোনকালে কৰিব লাগিব। আপোনালোকক কৈছো যে আমাৰ study report যাব, আমাৰ সন্মানীয় বিধায়ক সকলেও যাব, আমি নিজেও যাম, উচ্চপদস্থ বিষয়া সকল যাব, গোটেই studyটো কৰাৰ হোৱাৰ পিছত আমি আনকি passbook ব্যৱস্থা কৰিম বুলি ভাৱিছো। Debit and Credit সম্পৰ্কত সন্মানীয় উপাধ্যক্ষ মহোদয়ৰ পৰা মই যদি এক বিঘা মাটি কিনো, সেইটো যদি দুই বিঘা থাকে, এক বিঘা মাটি তেখেতৰ পৰা Debit হ'ব আৰু এবিঘা মাটি মোৰ নামত Credit হ'ব, এই ব্যৱস্থা লৈ আমি আগ বঢ়িম বুলি ভাৱিছো। তেতিয়া গোটেইখিনি স্পষ্ট হৈ যাব আৰু এনেকুৱা বেমেজালি নাথাকিব। বহু ক্ষেত্ৰত দেখিবলৈ পাইছো আমাৰ কিশোৰ নাথ ডাঙৰীয়াই কৈছে যে সঁচা প্ৰধান মন্ত্ৰী আৱাস যোজনাৰ বহুতো বা আগত IAY ৰ ঘৰ আছিলে, ম্যাদি পট্টা নাথাকিলে ঘৰটো দিব নোৱাৰে। কাৰণ মাটি লাগিবই, সকলো আমি এই ক্ষেত্ৰত দায়বদ্ধ। এই মাটি দিয়াৰ ব্যৱস্থাটো আমাৰ চৰকাৰে কৰিছে আৰু মহানগৰৰ যিটো কথা কৈছে, যিটো হৰি শংকৰ ব্ৰহ্মাৰ আয়োগৰ প্ৰতিবেদন, এই প্ৰতিবেদনত গোটেই খিনি কথাত গন্য হ'ব আৰু খিলঞ্জীয়া সকলক আমি মাটিৰ পট্টা দিয়াত আমাৰ চৰকাৰ প্ৰস্তুত আছে, আমি দায়বদ্ধাতাত আছো আৰু এবাৰ দোহাৰিছো এই সমস্যা আজিৰ নহয় আগৰ চৰকাৰ বিলাকে এই সমস্যা সমধান নকৰিলে। কিন্তু আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় এই ক্ষেত্ৰত দায়বদ্ধতাৰে প্ৰকাশ কৰিছে, তেখেতে কৈছে যে আমি মাটি দিমেই। এই ক্ষেত্ৰত আমাৰ বিভাগক কঠোৰ নিৰ্দেশনা তেখেতে জাৰি কৰিছে। যোৱা মাহতো তেখেতে উপায়ুক্ত সকলৰ লগত বৈঠকত বহিছে। ক'ত কিমান হৈছে আমাৰ latest figure আমাৰ হাতত আহি পোৱা নাই। হয়তো ধুবুৰী জিলাত শূন্য দেখুৱাইছে, এইটো নাভাৱিব মই প্ৰথমতে কৈছো যে আমাৰ ৩৩ খন জিলা আছে administrative. ৩৩ খন জিলাতে অসমৰ ১২৬ টা বিধান সভা সমষ্টিৰ আমাৰ খিলঞ্জীয়া সকলে ভূমিৰ পট্টা পাবলৈ এই চৰকাৰৰ দিনত সক্ষম হ'ব। ধন্যবাদ।

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কাননগু, মণ্ডল সকলৰ আন্দোলনৰ কথাটো ৰ বিষয়টো কি হ'ব?

**শ্ৰী ভবেশ কলিতা, মন্ত্ৰী ঃ** Yes, আন্দোলনৰ কথাটো মোৰ বৈ গৈছিলে। ইতিমধ্যে আমাৰ বিভাগে এই কথাটো take up কৰিছে আৰু আমিও এক সিদ্ধান্ত লৈছো। আজি আপোনালোকক ক'বলৈ বাধ্য হৈছো, ক'ব নালাগিছিল। কিন্তু আমি মণ্ডল সকলক অন্য জিলালৈ বদলিকৰণ কৰাৰ ব্যৱস্থা কৰিছো। ইয়াৰোপৰি সন্মানীয় মণ্ডল সকলৰ বাবে আমি দুচকীয়া বাহনৰ ব্যৱস্থা কৰিছো। কাৰণ বহুত সময়ত আমাৰ যি সকল আৱেদনকাৰী থাকে তেওঁলোক বাটোৱাৰাৰ হওঁক বা তেওঁ land demarcation ৰ ক্ষেত্ৰত মণ্ডল জন লাগে, তেওঁলোকৰ equipment নাথাকে বা তেওঁলোকৰ যানবাহনৰ ব্যৱস্থা নাথাকে। যাৰ কাৰণে মাটিখিনি জোখমাপ কৰি দিব নোৱাৰে বা সীমাটো নিৰ্দ্ধাৰণ কৰি দিব নোৱাৰে, বাটোৱাৰাৰ কামটো কৰি দিব নোৱাৰে আৰু মণ্ডল সকলক সকাহ দিয়াৰ কাৰণে দুচকীয়া বাহনৰ আমাৰ চৰকাৰে ব্যৱস্থা কৰিছে। অতি সোনকালে সন্মানীয় মণ্ডল সকলে দুচকীয়া বাহন পাব আৰু SK সকলকো high level training দিয়াৰ ব্যৱস্থা কৰা হ'ব আৰু তেওঁলোকৰ যিটো চাৰ্ভিচ ৰুলৰ কথাখিনি আছে সেইখিনি আমাৰ চৰকাৰে লৈছে, বিভাগে লৈছে। তেওঁলোকৰ যিখিনি পাবলগীয়া সেইখিনি আমি বঞ্চিত নকৰো, কিন্তু তেওঁলোকে এটা প্ৰধান উদ্দেশ্য ৰাখিছে যে তেওঁলোকক জিলাৰ পৰা বদলীকৰণ কৰিব নালাগে। কিন্তু আমি

ভাৰো যে তেওঁলোকৰ কৰ্মউদ্যমটো বাঢ়িব বদলিকৰণ হ'লে। আমি ইমান দূৰত নিদিও, neighbouring জিলা বিলাকত দিয়াৰ কাৰণে আমি এক ব্যৱস্থা কৰিছো।

**শ্ৰী গনেশ কুমাৰ লিম্বু ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা বিষয় দৃষ্টিগোচৰ কৰিব বিচাৰিছো, গোটেই অসমত বসবাস কৰা থলুৱা গোৰ্খা সকলৰ মাটিৰ যথেষ্ট সমস্যা আছে। বিশেষকৈ ট্ৰাইবেল বেল্ট আমাৰ ওচৰ চুবুৰীয়াৰ যি বোৰ্ড, এই অঞ্চলত বসবাস কৰা আমাৰ গোৰ্খা সম্প্ৰদায় মাটিৰ পট্টাৰ ক্ষেত্ৰত আমি যথেষ্ট অসুবিধা দেখিবলৈ পাইছো। ঠিক তেনেকৈ নগৰতো, গুৱাহাটী নগৰতো, পাহাৰতে হওঁক, ভৈয়ামতে হওঁক আমাৰ মানুহ বিলাক বসবাস কৰে, সেয়ে মই মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো আমাৰ থলুৱা গোৰ্খা সকলক মাটিৰ ম্যাদি পট্টা দিয়াৰ অতি শীঘ্ৰে ব্যৱস্থা যাতে কৰে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** উপাধ্যক্ষ মহোদয়, মোৰ এটা কথা আছিল মন্ত্ৰী মহোদয়ক কবলগীয়া।

**মাননীয় উপাধ্যক্ষ ঃ** এইটো শেষ নহওতে আপুনি আৰম্ভ কৰি দিলে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** এক মিনিট উপাধ্যক্ষ মহোদয়, আমাৰ যিবিলাক neuation হয় সেইবিলাক online দিয়াৰ কথা আছিল, আগৰ মন্ত্ৰীয়ে কৈছিল। কিন্তু আজিলৈকে হোৱা নাই। এটা এটা neuation কৰিবলৈ ৩০-৪০ হাজাৰ টকা লাগে, সেইটো ভয়ঙ্কৰ এটা Recket হৈছে। উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে কিবা এটা সিদ্ধান্ত লয়। নহ'লে এইবিলাকত Recket হৈ গৈছে আৰু মানুহে বহু অসুবিধাৰ সন্মূখীন হৈ আছে, বহুত মানুহৰ লগত অন্যায় হৈ আছে।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** উপাধ্যক্ষ মহোদয়, সন্মানীয় আমাৰ শ্ৰী কমলাক্ষ দে পুৰকায়স্থই যিটো কৈছে বা আমাৰ লিম্বু ডাঙৰীয়াই এটা কথা কৈছে, recate টো বন্ধ কৰিব লাগে। মই বিভিন্ন ঠাইত সাধাৰণ মানুহ হিচাপে গৈছো, মই কোনো বিধায়ক বা মন্ত্ৰী হিচাপে যোৱা নাই। চাৰ্কোল অফিচত উপস্থিত হৈছো নিজে গৈ আৱেদনকাৰী সকলক সুধিছো যে চাৰ্কোল অফিচাৰে কিবা পইচা পাতি বিচাৰে নেকি এনেকুৱা ক্ষেত্ৰত, কিন্তু তেওঁলোকে আমাক কবলৈ ইচ্ছা নকৰে। যদি এনেকুৱা কিবা প্ৰমান দিয়ে আমি লগালগ action কৰিম। বিভাগীয় ভাৱে যি কৰিব লাগে কৰাত আমি ৰাজি আছো আৰু সন্মানীয় লিম্বু ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে, আমাৰ নেপালী সম্প্ৰদায়ৰ কথা কৈছে, তেখেত সকলেও পাব ১২৬টা বিধান সভা সমষ্টিৰ সকলো মানুহক মাটিৰ পট্টা দিয়াৰ কাৰণে আমাৰ চৰকাৰ প্ৰস্তুত আৰু এই ক্ষেত্ৰত আমাৰ বৰচলা সমষ্টিৰ আমাৰ ১২৬টাৰ ভিতৰতে আছে বা আমাৰ অন্যান্য সমষ্টিৰ সেই সম্প্ৰাদায়ৰ ব্যক্তি সকল সেই জনগোষ্ঠী সকল তেওঁলোকে নিশ্চয় মাটিৰ পট্টা পাবলৈ সক্ষম হব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, ইয়াৰ পিছত Item No. 2 এতিয়া মাননীয় সদস্য, শ্ৰী আমিনুল ইছলামে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০১৮ চনৰ ৫ ছেপ্তেম্বৰ তাৰিখৰ "দৈনিক অগ্ৰদূত" কাকতত প্ৰকাশিত "১৪ কোটি টকা ব্যয়ৰে নিমাণ কৰিছিল গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষই বগাহাতীত পৰিণত অত্যাধুনিক পাৰ্কিং প্লেচ" শীৰ্ষক বাতৰিটোৰ প্ৰতি গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ৫ ছেপ্তেম্বৰ ২০১৮ তাৰিখৰ "দৈনিক অগ্ৰদূত" কাকতত প্ৰকাশিত "১৪ কৌটি টকা ব্যয়ৰে নিমাণ কৰিছিল গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষই বগাহাতীত পৰিণত অত্যাধুনিক পাৰ্কিং প্লেচ" শীৰ্ষক বাতৰিটোৰ চৰকাৰৰ দৃষ্টি গোচৰ কৰিবলৈ মোক সুবিধা দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো। আমি সৰুতে পঢ়িছিলো বগা

হাতী ব্ৰহ্ম দেশত পায়, আমাৰ ভাৰতত বগাহাতী নাপায়। এতিয়া এই বাতৰিটোত দেখা পালো যে গুৱাহাটীত বগাহাতী ওলাইছে, গতিকে এই ক্ষেত্ৰত মই চৰকাৰৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো যে গুৱাহাটীত GMD য়ে যিটো অত্যাধুনিক বহুখলপীয়া স্বয়ংক্ৰিয় পাৰ্কিং প্লেচ নিৰ্মাণ কৰিছিল ৰাধা গোবিন্দ পথত আৰু এই পথত ১৪ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা এই পাৰ্কিং প্লেচটোত ৩০২খন চাৰিচকীয়া বাহন আৰু ৭০ৰ খন দুচকীয়া বাহন তাত পাৰ্কিং কৰাৰ ব্যৱস্থা আছে। এই পাৰ্কিং প্লেচটো উদ্বোধন কৰাৰ দিনা যোৱা বছৰৰ ১৭ অক্টোৱৰ তাৰিখে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তেখেতে নিজে উদ্বোধন কৰিছিল আৰু তেতিয়া কোৱা হৈছিল যে এই পাৰ্কিং প্লেচ এখন উদ্বেধন কৰাৰ পিছত যান-যটৰ সমস্যা কিছু পৰিমাণে হ্ৰাস পাব। আৰু অতি ব্যস্ত এটা জনপথত কাষত নিৰ্মাণ কৰা হৈছিল ৰাধা গোবিন্দ পথত আৰু তেতিয়া আশা কৰা হৈছিল এই পাৰ্কিং প্লেচত যদি ৩০০খন বাহন ইয়াত ৰখাই অন্তত যি বিলাক গাড়ী ৰাস্তাৰ কাষত পথৰ দাতিত পাৰ্কিং কৰি ৰাখে সেই ৰাস্তাৰ কাষত গাড়ী বিলাক নাৰাখিলে ৰাস্তাটো অলপ বহল হৈ থাকিব। কিন্তু দেখা গল এই পাৰ্কিং প্লেচটো এক প্ৰকাৰ পৰিত্যক্ত হোৱাৰ নিচিনা। ১৪কোটি ব্যয় সাপেক্ষে নিৰ্মাণ কৰাৰ পিছত যোৱা দিন বিলাকত দেখা গল যে ইয়াত দিনৰ ৮ বজাৰ পৰা ৰাতি ৯ বজালৈকে কেতিয়াবা দিনটোত এখনো গাড়ী পাৰ্কিং প্লেচত নাৰাখে। গাড়ী বিলাক পথৰ দাতিত আগত যেনেকৈ ৰাখিছিলে পথৰ কাষতে ৰাখি থয় আৰু যাৰ কাৰণে ৰাস্তা যিমান বহল একাংশ Parking কৰা গাড়ীয়ে দখল কৰে। কম পৰিসৰৰ মাজেৰে গাড়ী বিলাক অহা যোৱা কৰিব লাগে যাৰ ফলত যান-যটৰ সমস্যাটো সমাধান হোৱা নাই। যদি উৎসৱ পাৰ্বন থাকে সেই দিন বিলাকত দুচকীয়া বাহন তাত যিখিনি মুকলি ঠাই আছে, তাত Parking কৰা দেখা যায়। চাৰিচকীয়া বাহন খুৱ কম। এইখন এনেকুৱা লাগিছে, যেন শ্ৰদ্ধাঞ্জলি কাননক Target কৰি Parking place টো বনোৱা হৈছে। শ্ৰদ্ধাঞ্জলি কাননক যি Visitors আহে, তেওঁলোকে হয়টো নিজৰ দুই এখন গাড়ী ইয়াত Parking কৰে বাকী আশে-পাশে যিমান বিলাক ব্যৱসায়ী প্ৰতিষ্ঠান আছে, অন্য প্ৰতিষ্ঠান যি সকল মানুহ আহে, তেওঁলোকৰ গাড়ী বিলাক এই Parking place নাৰাখে। এইখন Parking place ত প্ৰায় ১৩ জন কৰ্মচাৰী আছে। আৰু ১৩জন কৰ্মচাৰী এনেকুৱা হল দিনটো যেতিয়া গাড়ী নাথাকে কৰ্মচাৰী সকলে কি কৰিব বাতৰিটোত লিখিছে তেওঁলোকে দিনটো মহ আৰু মাখি মাৰি থাকে। যিহেতু তেওঁলোকৰ কাম নাই, আৰু গাড়ী তাত Parking য়ে নকৰে গতিকে মহ আৰু মাখি মাৰে আৰু ইয়াৰ ফলত গুৱাহাটীত হয়টো মেলেৰিয়াৰ সমস্যা অলপ সমাধান হব। অলপ মহ মাখি কমিলে হয়টো স্বাস্থ্য জনিত ভাৱে উপকাৰ হব। কিন্তু যান-যটৰ সমস্যাটো কিন্তু সমাধান নহল। গতিকে এই ক্ষেত্ৰত আমি এটা কথা বিবেচনা কৰিব লাগিব যে ইয়াত আগ্ৰহী কিয় নহয়, শ্ৰদ্ধাঞ্জলি কাননলৈ অহা লোকৰ বাহিৰে ওচৰে পাজৰে যি বিলাক প্ৰতিষ্ঠানলৈ মানুহ আহে বা অন্যান্য ব্যৱসায়িক কামত আহে, তেওঁলোকে ৰাস্তাৰ কাষতে ৰাখে। যদি অত্যাধুনিক স্বয়ং ক্ৰিয় Parking place হয় য'ত গাড়ী সোমোৱা ওলোৱাত যদি বাধা নাই কম সময়ত ওলাব সোমাব পাৰে তেনেহলে নিশ্চয় এইটো ব্যৱহাৰ হব লাগিছিল আৰু যদি তাত কিবা technical problem আছে, তেনেহলে সেইটো নিৰাময়ৰ কাৰণে চৰকাৰে ব্যৱস্থাটো কৰিব লাগিব আৰু যদি গাড়ী সোমোৱা ওলোৱা সমস্যা নাই, কেৱল সহজ হিচাপে জনসাধৰণে ৰাস্তাৰ কাষতে ৰাখিলে সহজতে ওলাই যাব পাৰে যদি সেই কাৰণে কৰি আছে, তেনেহলে তেওঁলোকক নিশ্চয় বাধ্য কৰিব পৰা নাই চৰকাৰে। চৰকাৰে এইটো ব্যৰ্থ হৈছে তেওঁলোকে Parking place তে ৰাখিব লাগিব। ৰাস্তাৰ কাষত ৰাখি যান-যট সৃষ্টি কৰিব নোৱৰিব। এই ক্ষেত্ৰত সজাগতা বা প্ৰশাসনে বাধ্য কৰিব পৰা

কোনো পদক্ষেপ হয়টো লব পৰা নাই। ইয়াত ৰাইজে গাড়ী বিলাক ৰাস্তাৰ কাষতে Parking কৰি আছে। Parking place ত Parking নকৰে, প্ৰথম কথাটো হল ১৪ কৌটি টকা ব্যয় কৰিছে, ইমান ব্যয় বহুল Parking place টো নিৰ্মাণ কৰা হৈছিল। যদি সৎ ব্যৱহাৰে নহয় কামে নহয় যান-যটৰ সমস্যাটো সমাধানে নহয়, প্ৰথম কথাটো হল পইচাটো অপব্যয় হল ইমান বৃহৎ এটা প্ৰকল্প। দ্বিতীয় কথাটো হ'ল যি সমস্যা সমাধানৰ কাৰণে কামটো কৰা হৈছিল সমস্যাটো সমস্যা হৈ থাকিল সমাধান নহল। আৰু এটা কাৰণত মই DCক অনুৰোধ কৰিব বিচাৰিছো, যে গুৱাহাটীখন আমি এখন Smart City কৰিব গৈ আছো, আৰু Smart City হবলৈ এই যান-যটৰ সমস্যাটো সমাধান বা যাতায়তৰ সুবিধা সকলো ফালৰ পৰা Convenient এটা Position আমি সকলো ফালৰ পৰা গঢ় দিব লাগিব। গতিকে এই Smart City ৰ ক্ষেত্ৰত চৰকাৰে হয়টো আমাৰ সদনতো কিছুমান প্ৰশ্নৰ ওপৰত তথ্য দিছে যে কেইটামান Water ATM আৰু Bio Toilet বনাইছে। কেইটামান Water ATM আৰু Bio Toilet বনালে Smart City হৈ নাযায়, আমি যান-যটৰ সমস্যা পাৰ্কিং ৰ সুবিধা এনেধৰণৰ কথা বিলাক গোটেই গুৱাহাটীখন এখন Convenient যথেষ্ট সৰ্বাংগ সুন্দৰ জনসাধাৰণৰ কাৰণে এটা Welfare city হিচাপে গঢ় দিয়াটো Smart City কাৰণে অতি গুৰুত্বপূৰ্ণ কথা। এই ক্ষেত্ৰত চৰকাৰে গুৰুত্ব দিব বুলি মই আশা কৰিছো আৰু গণেশগুৰিৰ যিটো Flyover ৰ তলতো এটা Parking ৰ ব্যৱস্থা কৰা হৈছিল তাত বেৰ দি পেলাই স্থান নিৰ্ধাৰণ কৰা হৈছিল কিন্তু তাত Parking কৰাৰ বাবে মুকলি কৰি দিয়া নাই। এতিয়া লৈকে যোৱা Budget Session ত এই কথাটো কোৱা হৈছিল যে Metro ৰ DC ক দায়িত্ব দিয়া হব যাতে অতি সোনাকালে ইয়াতো Parking কৰাৰ ব্যৱস্থা কৰিব পাৰিব। গতিকে মই চৰকাৰক এইটো দৃষ্টি আকৰ্ষণ কৰি অনুৰোধ জনাব বিচাৰিছো যাতে এই Parking বিলাকো মুকলি কৰি দিয়ে আৰু ৰাধা গোবিন্দ পথত১৪ কৌটি টকা ব্যয় কৰি যিটো Ultra Modern Parking place কৰা হৈছে, যাতে সৎ ব্যৱহাৰ হয় তাতে যাতে গাড়ী ৰাখিবলৈ বাধ্য কৰোৱা হয়, গাড়ী বিলাক পথৰ কাষত ৰাখি যাতে যান-যট সৃষ্টি নকৰে তাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লব এই সম্পৰ্কে যাতে সদনত অৱগত কৰে। এইটো মই দৃষ্টি আকৰ্ষণ কৰি মোক এইখিনি কথা কোৱাৰ সুযোগ দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই ৫৪ ৰুলত যি বিষয়টো উত্থাপন কৰিছে, “দৈনিক অগ্ৰগৃত” কাকতত প্ৰকাশিত বগাহাতীত পৰিণত অত্যাধুনিক পাৰ্কিং প্লেচ” শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। এই গোটেই যিটো বিষয় সেইটো মই খুব মনোযোগেৰে শুনিছো বক্তব্য খিনি। আচলতে কি হৈছে Parking place বনোৱাৰ পিছতো তাত গাড়ী নাৰাখে এই যে অৱস্থাটো হৈছে, এই কথাটো Municipality হওঁক GMDA হওঁক বা Traffic Police হওঁক এই তিনিটা agencies ইয়াৰ লগত জড়িত। কিন্তু এই তিনিটা সংস্থাৰ ওপৰত আৰু এটা সংস্থা আছে সেইটো হৈছে - আমি নিজে অৰ্থাৎ জনসাধাৰণ। আমি নিজেই মানসিক ভাবে প্ৰস্তুত হ'ব লাগিব যে চৰকাৰে পাৰ্কিংৰ বাবে যি স্থান নিৰ্বাচন কৰি দিছে তাত আমি গাড়ী ৰাখিব লাগে - আমি ৰাস্তাত গাড়ী ৰাখিব নালাগে। এই মানসিকতাটো যেতিয়ালৈকে নাহে, তেতিয়ালৈক যিমান পাৰ্কিং নকৰক কামটো নহয়। আমি বাধ্য কৰিব লাগিব। উপাধ্যক্ষ ডাঙৰীয়া আপুনি নাইবা আমি যেতিয়া দিল্লী নাইবা মুম্বাই, লণ্ডন, আমেৰিকা যাও তেতিয়া আমি তাত দেখিবলৈ পাও যে তাত ড্ৰাইভাৰ বিলাকে গাড়ী

ৰখাবলৈ কলেও গাড়ী নৰখায়। ড্ৰাইভাৰজনে কয় যে আগত পাৰ্কিং আছে তাত গাড়ী ৰখাম আৰু তাৰ পৰা আপুনি খোজকাঢ়ি আহিব লাগিব। তাত আমি দেখিবলৈ পাইছো যে য'ত পাৰ্কিং নাই তাত গাড়ী নাৰাখে, য'ত পাৰ্কিং আছে তাতহে ৰাখে। উল্লেখিত মহানগৰ সমূহত মানুহৰ মাজত এই মানসিকতাটো আছে যাৰ ফলত তাত যানজটৰ সমস্যাটো কম হয়। কিন্তু আমাৰ ইয়াত এই মানসিকতা নাই। আমাৰ ইয়াত জি.এছ. ৰোডত দেখিবলৈ পাব যে তাৰ দুয়োকাষে অসংখ্য গাড়ী ৰখাই থয়। পল্টন বজাৰত যদিও আমাৰ এ.এছ.টি.চিত পাৰ্কিং আছে যদিও মানুহে গাড়ী নাৰাখে, মানুহে ৰাস্তাতে ৰাখি থয়। ঠিক তেনেদৰে জুৰোডত যিটো পাৰ্কিং আছে তাতো একে অৱস্থা হৈছে। অধ্যক্ষ ডাঙৰীয়া আপুনি এটা ভাল কথা কৈছিল যে -এটা সামজিক আন্দোলন হ'ব লাগে। এই কথাটোত মই আপোনাক সমৰ্থন কৰো - এইটো এটা ভাল কথা। সামাজিক আন্দোলন হ'ব লাগে আৰু আমি নিজেও গাড়ি যতে ততে ৰখাৰ ক্ষেত্ৰত সজাগ হ'ব লাগে বা আমি এই কথাখিনিত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। জি.এম.চি বা জি.এম.ডি.এ তাত এটা সুন্দৰ পাৰ্কিং বনাই দিছে, তাত আজিকালি কোনো ফিজ লোৱাও নহয়। তথাপিও মানুহে তাত গাড়ী নাৰাখে - ৰাস্তাতে ৰাখে। মানুহে নীতি-নিয়ম নামানে। য'ত কাম থাকে তাতে গাড়ীখন ৰখাই থয়। গতিকে মানুহ এই মানসিকতাতোৰ পৰিবৰ্তন আহিব লাগিব। বৰ্তমান বিমান বন্দৰলৈ যাবলৈ হ'লে দুই ঘন্টামান আগতে যাব লগা পৰিস্থিতি হৈছে - মই মাজতে ভাবিলো ৰাষ্ট্ৰীয় ঘাইপথ হৈ গ'লে সোনকালে পাম কিন্তু অধ্যক্ষ মহোদয় ৰাষ্ট্ৰীয় ঘাইপথৰ অৱস্থাটোও একেই। বৰ্তমান গুৱাহাটীৰ অৱস্থা হৈছে যে ৰোগী এজন আনিবলৈ সমস্যাৰ সৃষ্টি হৈছে। যানযজৰ এই সমস্যাটোৰ বাবে এতিয়া দিল্লীত অ'ড নাম্বাৰ ইভেন নাম্বাৰ কৰিছে। গাড়ীৰ সংখ্যা বাঢ়ি গৈছে কিন্তু ঠাই কম হৈ আহিছে। সেই কাৰণে আমি সকলোৰেই বিষয়টোৰ ক্ষেত্ৰত মানসিক ভাবে প্ৰস্তুত হ'ব লাগিব যে - য'ত পাৰ্কিং আছে তাতহে গাড়ী ৰাখিম। এই কথাটোত আমাৰ পুলিচে ভালদৰে কাম কৰিব লাগিব। যদি পাৰ্কিং নোহোৱা স্থান পাৰ্কিং কৰে তেতিয়া পুলিছে গাড়ী উঠাই নিব লাগিব। এই ক্ষেত্ৰত যদি মোৰ গাড়ীও থাকে তেতিয়া উঠাই নিব লাগিব। যদি মন্ত্ৰী গাড়ী উঠাই লৈ যায় তেতিয়া কোনো অন্য মানুহে তাত গাড়ী ৰাখিবলৈ সাহস নকৰিব। পুলিচে যদি তেনেকুৱা কৰে তেতিয়া হ'লে এই পাৰ্কিংজোন বিলাক ব্যৱহাৰ হ'ব। এই ক্ষেত্ৰত জি.এম.চি, জি.এম.ডি. আৰু যানবাহন আৰক্ষীও ভালদৰে কাম কৰিব লাগিব। এই বিষয়টো সম্পৰ্কত মই এটা বিবৃতি দাঙি ধৰিব বিচাৰিছো - ১। অসম চৰকাৰৰ বিশেষ পৰিকল্পনাৰ অধীনত যোৱা ২০১৪ চনত চৰকাৰৰ প্ৰশাসনিক অনুমোদন (এ.এ) পত্ৰ নং জি.ডি.ডি. ৫৫/২০১৩/১০৮ তাৰিখ ০৮.০১.২০১৪ যোগে আৱন্টন দিয়া ১৪.৩৪ কোটি টকাৰে গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষই মহানগৰীৰ জুৰ'ডত অৱস্থিত শ্ৰদ্ধাঞ্জলি কাননৰ সন্মুখত এটি বহু খলপীয়া স্বয়ংক্ৰিয় গাড়ী ৰখা আস্থান নিৰ্মাণৰ কাম হাতত লৈছিল। এই প্ৰকল্প নিৰ্মাণৰ কাম গুৱাহাটী মহানগৰ উন্নয়ন কৰ্ত্তৃপক্ষই Formal Work Order No. GMDA/DEV/2/2014/96 dated - 11/12/2014 পত্ৰযোগে আৰম্ভ কৰে আৰু ২০১৭ চনৰ ২৫ ছেপ্টেম্বৰ তাৰিখে কাম সম্পূৰ্ণ হয়। ২। এই গাড়ী ৰখা আস্থানত এনে সময়তে একেলগে তিনশ দুইখন চাৰিচকীয়া আৰু প্ৰায় পশিছখন দু-চকীয়া বাহন ৰখাৰ সুবিধা আছে। ৩। নিৰ্মাণ সম্পূৰ্ণ হৈ উঠাৰ পিছত এই গাড়ী ৰখোৱা আস্থানখন যোৱা বছৰৰ সোতৰ অক্টোবৰ তাৰিখে অসম মাননীয় মুখ্যমন্ত্ৰীয়ে ৰাইজলৈ মুকলি কৰে আৰু তাৰ পিছৰে পৰা গুৱাহাটী মহানগৰ উন্নয়ন কৰ্ত্তৃপক্ষই ইয়াক নিজাববীয়াকৈ চলাবলৈ লয়। ৪। এই গাড়ী ৰখোৱা আস্থানত গাড়ী পাৰ্কিং কৰাৰ উদ্দেশ্যে, প্ৰতিদিনে ৰাতিপুৱা দহ বজাৰ পৰা নিশা এঘাৰ বজালৈ কম বেছি পৰিমানে বিভিন্ন চাৰি- চকীয়া আৰু দু-চকীয়া বাহনৰ সমাগম

হয় আৰু যোৱা জানুৱাৰী মাহৰ পৰা যোৱা আগষ্ট মাহলৈকে চৰকাৰে ধাৰ্য কৰি দিয়া নিৰিখ অনুযায়ী পাৰ্কিং মাচুল আদায়ৰ বিনিময়ত মুঠ দুই দশমিক পম্পন্ন লাখ টকা সংগ্ৰহ হয়। ৫। নিবিদাৰ চুক্তি অনুসৰি, এই বহু খলপীয়া স্বয়ংক্ৰিয় গাড়ী ৰখা আস্থান নিৰ্মাণৰ দ্বায়িত্বত থকা প্ৰতিষ্ঠানটোৱেই এবছৰলৈ এই প্ৰকল্পৰ পৰিচালনা আৰু ৰক্ষণাবেক্ষণৰ দায়িত্বত আছিল আৰু যোৱা ২৫ ছেপ্টেম্বৰ, ২০১৮ ত তেওঁলোকৰ ম্যাদৰ অন্ত হোৱাত নতুন নিবিদা আহ্বান প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। ৬। এই গাড়ী ৰখোৱা আস্থানত গাড়ীৰ পাৰ্কিং সূচল কৰাৰ উদ্দেশ্যে সদাব্যস্ত জুৰ'ডৰ ওপৰত যানবাহনৰ অবৈধ পাৰ্কিং ৰোধ কৰাৰ উদ্দেশ্যে প্ৰয়োজনীয় নিষেধাজ্ঞা আৰোপৰ বাবে গুৱাহাটী মহানগৰ উন্নয়ন কৰ্ত্তৃপক্ষৰ তৰফৰ পৰা বিভাগীয় পত্ৰ নং GMDA/DEV/2/2014/part/48, dated - 8/12/2017 যোগে মহানগৰ আৰক্ষী আয়ুক্তলৈ অনুৰোধ জনোৱা হৈছিল, যাতে নিৰ্দিষ্ট দূৰত্বত গাড়ীসমূহ জুৰ'ডৰ ওপৰত অবৈধ ভাবে পাৰ্কিং কৰাৰ পৰিবৰ্তে এই বহু খলপীয়া স্বয়ংক্ৰিয় গাড়ী ৰখা আস্থানলৈ আহে। এই মৰ্মে মহানগৰ আৰক্ষী আয়ুক্তই সংশ্লিষ্ট আৰক্ষী থানা সমূহলৈ বিভাগীয় নিদেৰ্শনা দিয়া বুলিও জানিব পৰা গৈছে। ৭। এই গাড়ী ৰখোৱা আস্থানৰ কাষতে জুৰ'ডত নিৰ্মিত বহু মহলীয়া Guwahati Central Mall লৈকো প্ৰতিদিনে বহু যান বাহনৰ আগমন হোৱা হেতুকে, উক্ত বিল্ডিংৰ স্বত্বাধিকাৰীয়ে অতিৰিক্ত গাড়ীসমূহ এই বহুখলপীয়া স্বয়ংক্ৰিয় গাড়ী ৰখোৱা আস্থানলৈ পাৰ্কিং কৰাৰ বাবে প্ৰস্তাৱ প্ৰেৰণ কৰে। সেই বাবে প্ৰতি সপ্তাহৰ বিশেষকৈ শনি আৰু দেওবাৰে নিশাৰ ভাগলৈকে যথেষ্ট সংখ্যক গাড়ী উক্ত পাৰ্কিং আস্থানত পাৰ্কিং কৰা দেখা যায়। সেয়েহে সপ্তাহটোৰ এই দুটা দিনত তুলনামূলক ভাবে কিছু অধিক পাৰ্কিং মাছুল সংগৃহীত হয়। ৮। ইতিমধ্যে জুৰ'ডত নিৰ্মিত বহুমহলীয়া Times Square Mall ৰ স্বত্বাধিকাৰীয়েও এই বহুখলপীয়া স্বয়ংক্ৰিয় গাড়ী ৰখা আস্থানত তেওঁলোকৰ পঞ্চাশখন গাড়ী পাৰ্কিং কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে আৰু সেই মৰ্মে তেওঁ গুৱাহাটী মহানগৰ উন্নয়ন কত্তৃপক্ষলৈ এটি প্ৰস্তাৱ দাখিল কৰিছে এই সন্দৰ্ভত এখন বুজাবুজিৰ চুক্তিও প্ৰস্তুত হৈছে আৰু এই চুক্তিৰ খচৰা গুৱাহাটী মহানগৰ উন্নয়ন কৰ্ত্তৃপক্ষৰ আইনী পৰামৰ্শদাতাৰ দ্বাৰা ইতিমধ্যে ভেট কৰা হৈছে। শীঘ্ৰেই সম্পাদিত হ'বলগীয়া এই চুক্তি কাৰ্য্যকৰী হ'লে এই বহুখলপীয়া স্বয়ংক্ৰিয় গাড়ী ৰখা আস্থানটিৰ পূৰ্ণ ব্যৱহাৰ ল'ব আৰু ইয়াৰ দ্বাৰা অধিক মাচুল সংগৃহীত হ'ব বুলি আশা কৰা হৈছে। যিহেতু স্বয়ংক্ৰিয় পাৰ্কিং প্ৰক্ৰিয়াটোৰ লগত গুৱাহাটী মহানগৰীৰ নাগৰিকসকল অভ্যস্ত নহয়, সেয়ে প্ৰথম পৰ্য্যায়ত ইয়াৰ পৰা ৰাজহ সংগ্ৰহ আশা কৰা ধৰণে নহ'ব পাৰে। কাৰণ ইতিমধ্যে জনা গৈছে যে ইন্দোৰকে ধৰি ভাৰতৰ অন্যান্য চৰত এনেধৰণৰ বহুখলপীয়া স্বয়ংক্ৰিয় গাড়ী ৰখা আস্থান ফলপ্ৰসু হৈছে। দিন আগবঢ়াৰ লগে লগে আৰু উপৰোক্ত বন্দবস্তিসমূহ কাৰ্য্যকৰী হ'লে উক্ত পাৰ্কিং আস্থানৰ পৰা অধিক মাচুল আদায় হ'ব বুলি আশা কৰিব পাৰি।

অধ্যক্ষ ডাঙৰীয়া, এইটো GMDA ৰ পৰা এইখিনি মাননীয় সদস্য গৰাকীৰ জাননীৰ ওপৰত বক্তব্য ৰখা হল। গতিকে আমি এই Parking ত যে গাড়ী বিলাক ৰাখিব লাগে এইক্ষেত্ৰত মনসিক ভাৰে আমি সকলোৱে প্ৰস্তুত হোৱাটো ভাল হ'ব বুলি আশা কৰো।

**মাননীয় অধ্যক্ষ ঃ** আচলতে ভৰলু নদীৰ পৰা নিৰ্মলপ্ৰভা বৰদলৈ পথ (চিৰিয়াখানালৈ) সেইখিনি যদি 'No parking'বুলি দি দিয়ে , মই ভাৱো তেতিয়াহ'লে বহুত ভাল হব।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী,**

**সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, এই সম্পৰ্কত আমাৰ আৰক্ষী আয়ুক্তলৈকে জি এম ডি এৰ ফালৰ পৰা চিঠি লিখিছে। আৰক্ষী আয়ুক্তই জনাইছে যে এই অঞ্চলৰ অন্তৰ্গত যি থানা

আছে তাত ইতিমধ্যে কথাটো জনোৱা হৈছে। তথাপি অধ্যক্ষ মহোদয়, আপুনি যিহেতু কথাটো উল্লেখ কৰিছে মই আজি আকৌ জি এম ডি এক কম যে আৰক্ষী আয়ুক্তই বিষয়টো কাৰ্যকৰী হৈছেনে নাই চাব লাগে আৰু সেইখিনি ঠাই 'No parking Zon' হিচাপে চিহ্নিত কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**এতিয়া কাৰ্য্যসূচী নং- (৩) ৩০১, বিশেষ প্ৰসঙ্গ, শ্ৰীচক্ৰধৰ গগৈ**

**শ্ৰীচক্ৰধৰ গগৈ, বিধায়কঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্যপৰিচালনাৰ নিয়ামাৱলীৰ নিয়ম অনুসৰি মই এটি গুৰুত্বপূৰ্ণ বিষয় আমাৰ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বিষয়টো হ'ল- আমাৰ অসম চৰকাৰে মাননীয় মুখ্যমন্ত্ৰী আৰু মাননীয় গড়কাপ্তানী মন্ত্ৰীদ্বয়ৰ উদ্যোগত এটি আঁচনি গ্ৰহণ কৰিছিল। আমাৰ অসমৰ বিভিন্ন প্ৰান্তত সিঁচৰিত হৈ থকা চাহ বাগিচা বিলাকৰ মাজত যিবিলাক বাট-পথ আছে, সেই বাট-পথখিনি নিৰ্মাণ কৰিবৰ কাৰণে এই আঁচনিখন লোৱা হৈছিল। আমাক কোৱা হৈছিল যে- প্ৰত্যেকখন বাগিচাৰ বাবে ১ কোটিকৈ টকা দিয়া হ'ব আৰু উক্ত টকা ব্যয় কৰি যিমানখিনি পৰা যায় ৰাস্তা পকীকৰণ কৰা হ'ব।কিন্তু শেহতীয়াকৈ আমি এটা কথা গম পাইছো যে প্ৰত্যেকজন বিধায়কৰ সমষ্টিত যিমান সংখ্যক চাহ বাগিচা আছে, সেই বাগিছা অনুসৰি আমাক কিন্তু ধনৰ আৱন্টন দিয়া হোৱা নাই। যোৱা ২০১৭চনত আমি যেতিয়া জন-ধন-মেলা পাতি বাগিচাই বাগিচাই শ্ৰমিকসকলক ধন পুৰস্কাৰ দিছিলো, সেই ধন পুৰস্কাৰ মেলাত মোৰ সমষ্টিৰ পৰা ১৮ খন চাহ বাগিচা অন্তৰ্ভুক্ত হ'ল আৰু সেই ১৮ খন চাহ বাগিচাই পুনৰ মই নথিভুক্ত কৰি আমাৰ বিভাগীয় মন্ত্ৰী ডাঙৰীয়া আৰু বিভাগীয় বিষয়া সকললৈ ৰাস্তা নিৰ্মাণ কৰিবৰ কাৰণে প্ৰেৰণ কৰিছিলো। পিছত মই খবৰ কৰি জানিব পাৰিলো যে মোৰ সমষ্টিৰ মাত্ৰ চাৰিখন বাগানহে নিৰ্বাচন কৰা হৈছে। এইটো যে অকল মোৰ ক্ষেত্ৰত হৈছে এনেকুৱা নহয়,অন্যান্য বিধায়ক সকলৰ সমষ্টিৰ ক্ষেত্ৰটো এইটো হৈছে। গতিকে মই বিভাগীয় মন্ত্ৰী মহোদয়ক জনাব খুজিছো যে এই চাহ বাগিচাৰ যি সকল লোক আছে, অসমত তেওঁলোকৰ ডেৰশ বছৰতকৈ অধিক কালৰ এটা ইতিহাস আছে। বিগত দিন বিলাকত এই চাহ জনগোষ্ঠীৰ শ্ৰমিক সকলক বিভিন্ন ৰাজনৈতিক দলে বিভিন্ন সময়ত ভোট বেংক হিচাপে ব্যৱহাৰ কৰিও ৰাজনৈতিক মুনাফা লাভ কৰা আমি দেখিছো, কিন্তু সেই হিচাপে এই শ্ৰমিক সকলৰ উন্নয়ণৰ দিশত বিশেষ কাৰ্য্য ব্যৱস্থা লোৱা আমি দেখা নাপালো। মই মাননীয় মুখ্যমন্ত্ৰী আৰু গড়কা প্তানি বিভাগৰ মন্ত্ৰীদ্বয়ক ধন্যবাদ জনাইছো যে তেখেতসকলে এটা উদ্যোগ লৈছে। অন্ততঃ চাহ বাগিছাৰ লোক সকলক পকী পথত খোজ কঢ়াৰ ব্যৱস্থা কৰাৰ কাৰণে ১ কোটিকৈ টকা তেওঁলোকে দিবলৈ আগবাঢ়িছে। কিন্তু মাজতে এই যিটো য'তি পৰিছে, কি কাৰণত এই য'তি পৰিছে ইয়াক নাইকিয়া কৰিব লাগে । আমি বিভাগীয় কাৰ্য্যালয়ত খবৰ কৰি এটা কথা গম পালো যে যি বিলাক চাহ বাগিচা The Plantation of Labour Act, 1951 and Assam Plantation Labour Rules ৰ অধীনত Labour Commissioner অফিচত পঞ্জীয়ন হ'ব সেই বিলাককহে নিৰ্বাচন কৰা হব। আমি অধ্যয়ন কৰি গম পাইছো যে বেছিভাগ বাগানৰ Labour Commissioner অফিচত পঞ্জীয়ন নাই। তেওঁলোকৰ Indian Tea Board ৰ লগত বা অন্যান্য যি National level ৰ tea related board আছে, তাত পঞ্জীয়ন আছে। এতিয়া সেই কথাটো লৈ যদি আমি চাহ শ্ৰমিক সকলক বঞ্চিত কৰিবলৈ যাওঁ, মই ভাবো চাহ শ্ৰমিক সকলক আমি বলিৰ পঠা সজোৱা হব। আমাৰ যিসকল স্থায়ী উপাযুক্ত আছে, তেওঁলোকৰ

হাতটো এখন চাহ বাগিচাৰ তালিকা থাকে। গতিকে তেওঁলোকৰ পৰা তালিকা খন গ্ৰহণ কৰক। এই যিটো Labour Commissioner অফিচত পঞ্জীয়ন কৰাৰ কথাটো কোৱা হৈছে এইটো বাৰণ কৰি যিকোনো Indian Tea Board য়েই হওঁক, বা অন্যান্য ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ যিবোৰ সংগঠন আছে তেওঁলোকৰ লগত পঞ্জীয়ন কৰাই হওঁক স্থানীয়ভাৱে যি গৰাকী উপাযুক্ত থাকে তেওঁৰ দ্বাৰাই নিৰ্বাচনৰ কৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। নহ'লে আমাৰ বহুত বিধায়কৰ এলেকাত চাহবাগিচাৰ শ্ৰমিক সকল বঞ্চিত হোৱাটো নিশ্চিত হৈ পৰিব। গতিকে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা মই ইয়াৰ সদুত্তৰ বিচাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰীতপন কুমাৰ গগৈ,শক্তি মন্ত্ৰী ঃ** ( গড়কাপ্তানি মন্ত্ৰীৰ হৈ উত্তৰ দিয়ে) মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়ামাৱলীৰ ৩০১নং নিয়ম অনুসৰি আমাৰ সন্মানীয় বিধায়ক শ্ৰী চক্ৰধৰ গগৈ ডাঙৰীয়াই অসম চৰকাৰৰ গড়কাপ্তানি বিভাগৰ জৰিয়তে চাহ বাগিচাসমূহত নিৰ্মাণ কৰিবলৈ লোৱা পকীপথৰ ওপৰত কেইবাটাও গুৰুত্বপূৰ্ণ বক্তব্য ৰাখিছে। আমি সকলোৱে জানো যে ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ আজি ৭০ বছৰ পাৰ হৈ গ'ল। এই ৭০ বছৰত অসমত যিমানবিলাক চাহ-বাগিচা আছে সেই চাহ-বাগিচা বিলাকত থকা চাহ-শ্ৰমিক সকলৰ ভিতৰুৱা ৰাস্তাসমূহ নিৰ্মাণ কৰাৰ ক্ষেত্ৰত আগৰ কোনো এখন চৰকাৰে কোনো ধৰণৰ পদক্ষেপ লোৱা নাছিল। আমাৰ চৰকাৰ অহাৰ পিছত অসমৰ মাননীয় মুখ্যমন্ত্ৰীমহোদয় আৰু গড়কাপ্তানি মন্ত্ৰী মহোদয়ৰ তৎপৰতাত আমি গড়কাপ্তানি বিভাগৰ তৰফৰ পৰা এইবাৰ ব্যৱস্থা গ্ৰহণ কৰিলো যে অসমত যিমানবিলাক চাহ-বাগিচা আছে,সেই চাহ-বাগিচাসমূহত থকা প্ৰতিখন চাহ-বাগিচাৰ লাইনৰ ৰাস্তা নিৰ্মাণ কৰিবৰ বাবে ১কোটিকৈ টকা খৰচ কৰিম। তাৰ লগে লগে আমি আমাৰ গড়কাপ্তানি বিভাগৰ বিভিন্ন পৰ্যায়ত যিসকল বিষয়া আছে,তেওঁলোকৰ লগতে আমি বিধায়ক সকলৰ লগতো কথা পাতিলো। আমি তেখেত সকলক কৈছো যে- চাহ-বাগিচাৰ লাইনত নিৰ্মাণ কৰিবলগীয়া সকলোবোৰ ৰাস্তাৰ নামসহ প্ৰাক্কলন প্ৰেৰণ কৰিব লাগে।

আমাৰ পি ডব্লিউ ডি বিভাগৰ বিভিন্ন পৰ্য্যায়ৰ যিসকল বিষয়া আছে এই বিষয়া সকলক আমি কেইবাবাৰো মাতিলো। বিধায়ক সকলৰ লগতো আমি কথা পাতিলো আৰু তাৰপিছত আমি তেওঁলোকক কৈছো যে যিমান চাহবাগিছা আছে এই চাহবাগিচা সমূহৰ শ্ৰমিকৰ লাইনৰ যিবোৰ ৰাস্তা এই ৰাস্তা সমূহ নিৰ্মাণৰ কাৰণে তেওঁলোকে estimate সহ নাম বিলাক প্ৰেৰণ কৰিব লাগে আৰু সেইখিনি প্ৰেৰণ কৰাৰ পিছত আমি দেখিবলৈ পালো যে আমি এটা কথাত প্ৰতিশ্ৰুতিবদ্ধ যে অসমত যিমানখিনি চাহবাগিছা আছে সিমানখিনিত আমি ৰাস্তা নিৰ্মাণ কৰিবৰ কাৰণে। কিন্তু আমাৰ মাজলৈ যেতিয়া ৰাস্তা বিলাক আহিল আমি দেখিলো যে সৰু ডাঙৰ অসংখ্য ৰাস্তাৰ নাম আহিছে। তেতিয়া এটা কথা বিবেচনা কৰিবৰ কাৰণে প্ৰেৰণ কৰা হ'ল যে যিবিলাক চাহবাগিছা আছে সেই চাহবাগিছা বিলাকৰ পঞ্জীয়ণ কৰা থাকে। Plantation Labour Act 1951ৰ Assam Plantation Labour Rules আছে তাত তেওঁলোকৰ এটা registration থাকে আৰু আমি শ্ৰম বিভাগৰ লগত কথা পাতিলো। তেওঁলোকক ক'লো যে আপোনালোকৰ তাত যিবিলাকৰ registration আছে সেই লিষ্ট বিলাক আমাক উলিয়াই দিয়ক। আমি পৰ্য্যায়ক্ৰমে এইখিনি চেংচন দি যাম। প্ৰথম পৰ্য্যায়ত আপোনালোকে জানি ভাল পাব যে ১৯৪ খন চাহবাগিছাৰ ৰাস্তা নিৰ্মাণ কৰিবৰ কাৰণে আমি ইতিমধ্যে চেংচন কৰিছো। ইয়াৰ পিছৰ পৰ্য্যায়ত তিনিদিন আগতে আৰু ৫৪ খন চাহবাগিছাৰ লিষ্ট আমালৈ আহিছে। সেইখিনি আমি চেংচন কৰিবলৈ গৈ আছো।

শ্ৰম বিভাগৰ ফালৰ পৰা যিখিনি আমাক লিষ্ট দি আছে পৰ্য্যায়ক্ৰমে সেই লিষ্টখিনি আমাৰ পি ডব্লিউ ডিয়ে চেংচন কৰি গৈ থাকিব আৰু এইটো কথা আমি আপোনালোকক প্ৰতিশ্ৰুতি দিছো। শ্ৰম বিভাগৰ লিষ্টখন পোৱাৰ উপৰি আমি শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ৰ লগত কথা পাতিছো। অহা তিনি বা চাৰি তাৰিখে আমি এই গোটেই কথাখিনি আলোচনা কৰিম যিখিনি বিষয় আজি সন্মানীয় সদস্য সকলে উত্থাপন কৰিছে যে Indian Tea Board ৰ কিছুমান আমাৰ registration আছে এইখিনি সমস্যা কেনেকৈ সমাধান কৰিব পৰা যায়, এই বিষয়ে আমি শ্ৰম বিভাগৰ লগত কথা পাতিম আৰু কথা পাতি আমাৰ চাহবাগিছা এলেকাত যিসকল বিধায়ক আছে তেওঁলোকৰ যাতে কোনো কাৰণতে সমস্যাৰ সৃষ্টি নহয় এই কথাটোৰ প্ৰতি আমি বিশেষভাৱে গুৰুত্ব আৰোপ কৰিম আৰু গুৰুত্ব আৰোপ কৰি আমি পৰ্য্যায়ক্ৰমে এই সমস্যা সমূহৰ সমাধান কৰি সকলোৰে যাতে চাহবাগিছা অঞ্চলৰ ৰাইজৰ উন্নয়ণৰ কাৰণে, শ্ৰমিকৰ উন্নয়ণৰ কাৰণে প্ৰতিখন চাহবাগিছাত ১ কোটি টকাকৈ পাব পাৰে তাৰ ব্যৱস্থা যাতে আমি কৰিব পাৰো তেনেধৰণৰ চিন্তাৰে আমি আগবাঢ়িম। এতিয়া আমি ১৯৪ খন চাহবাগিছাত দিছো। তাত ১৯০.২০৯৫ কোটি টকা ইতিমধ্যে আমি চেংচন কৰিছো আৰু ইয়াৰ পিছতে যি ৫৪ খন চাহবাগিছা আহিছে সেইখিনিৰ কাৰণেও ৫৪ কোটি টকা চেংচন কৰা হৈছে। বাকী আমাৰ ৭৫০ খনতকৈ ওপৰ আমাৰ চাহবাগিছা আছে। আমাৰ যিমানবিলাক চাহবাগিছা আছে সেইখিনি আমি পৰ্য্যয়িক্ৰমে শ্ৰম বিভাগৰ লগত কথা পাতি কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিম।

**Hon'ble Speaker ঃ** Now I would like to request Shri Nurul Huda to raise his matter under 301.

**শ্ৰী নুৰুল হুডা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১৮ চনৰ ২২ চেপ্তেম্বৰ তাৰিখে "অসমীয়া প্ৰতিদিন কাকত " ত প্ৰকাশিত "নগাওঁৰ উত্তৰ খাটোৱাল গাওঁৰ পুখুৰীত ১১ হাজাৰ ভল্টৰ বৈদ্যুতিক তাঁৰ চিঙি অঘটন, শিশু সহ পৰিয়ালৰ ৬ জন লোকৰ কৰুণ মৃত্যু আৰু জুৰীয়াত শ্বৰ্ট চাৰ্কিট হৈ ১৭ টা ঘৰ ভস্মীভূত" এই বিষয়টো আজি সদনত উত্থাপন কৰিবলৈ অনুমতি দিয়াৰ কাৰণে মই অধ্যক্ষ ডাঙৰীয়াক ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, নগাওঁ জিলাৰ ৰূপহীহাট বিধান সভা সমষ্টিৰ অন্তৰ্গত উত্তৰ খাটোৱাল গাওঁত যোৱা ২১ চেপ্তেম্বৰ ২০১৮ তাৰিখে ১১ হাজাৰ ভল্টৰ বৈদ্যুতিক তাৰ চিঙি এটা পুখুৰীত পৰি আছিল। উক্ত পুখুৰীটোত পৰিয়ালৰ লোকে মাছ ধৰি থাকোতে আকস্মিক ভাৱে বিদ্যুৎ প্ৰবাহিত হৈ এজন সপ্তম শ্ৰেণীৰ ছাত্ৰ সহ ৬ জন লোকৰ কৰুণ মৃত্যু ঘটে। ঘটনাটোত আন পাঁচজন লোক গুৰুতৰ ভাৱে আহত হয়। ঘটনাটোৱে ৰাজ্যজুৰি আলোড়ন সৃষ্টি কৰো বিদ্যুৎ বিভাগৰ দায়িত্বহীনতা তথা অকৰ্মন্যতাৰ পৰিণতিত ৰাজ্যজুৰি বৈদ্যুতিক বিষয়ত জড়িত দূৰ্ঘটনা ব্যাপক হাৰত বৃদ্ধি পাই আহিছে। কিয়নো, একেদিনাই ৰূপহীহীট বিধান সভা সমষ্টিৰ অন্তৰ্গত জুৰীয়া উন্নয়ণ খণ্ডৰ অধীনস্থ পামকালিয়াডিঙা গাওঁত বৈদ্যুতিক শ্বৰ্ট চাৰ্কিট জনিত কাৰণত অগ্নি সংযোগৰ ফলত ১২ টা পৰিয়ালৰ ১৭ টা ঘৰ-দুৱাৰ সম্পূৰ্ণ ৰূপে ভস্মীভূত হয়। যোৱা ০৮-০৬-২০১৮ তাৰিখে জুৰীয়াৰ থিয়টাঙনী গাওঁৰ বিদ্যুৎ বিভাগৰ অস্থায়ী কৰ্মচাৰী শ্ৰী অতুল চন্দ্ৰ বৰা কৰ্মৰত অৱস্থাত বিদ্যুৎ পৃষ্ঠ হৈ মৃত্যু হয় । দুৰ্ঘটনা তিনিটাত নিহত আৰু আহতৰ লগতে ক্ষতিগ্ৰস্ত পৰিয়াল সমূহৰ প্ৰয়োজনীয় ক্ষতিপুৰণ আদায় দিয়াত বিভাগীয় নীতি-নিৰ্দ্দেশনা তথা নিয়মাৱলী প্ৰতিবন্ধক ৰূপে থিয় দিছে।

উত্তৰ খাটোৱাল গাওঁৰ ওপৰেৰে পাৰ হৈ যোৱা ১১ হাজাৰ ভল্টৰ বৈদ্যুতিক তাৰ নিশাৰ ভাগত চিঙি পৰে। ৰাতিপুৱালৈ বিদ্যুৎ বিভাগক তাঁৰ চিঙি থকা কথাটো অৱগত কৰা স্বত্তেও

বৈদ্যুতিক তাঁৰ যোৰা নলগোৰাকৈ বিদ্যুৎ সংযোগ দিয়ে। যাৰ পৰিণতিত উক্ত ভয়াৱহ দূৰ্ঘটনাটো সংঘটিত হয়। ঘটনাটোৰ মাজত বিদ্যুৎ বিভাগৰ ব্যৰ্থতা, অকৰ্মন্যতা তথা অদক্ষ্যতাই প্ৰতিপন্ন হোৱা নাই, বিভাগটো এতিয়া হত্যাকাৰীৰ ৰূপত অবতীৰ্ণ হৈছে। ৰাজ্য জুৰি বিদ্যুৎ বিভাগৰ দায়িত্বহীনতাৰ পৰিনতিত এনে দূৰ্ঘটনা দ্ৰুতগতিত বৃদ্ধি পাবলৈ ধৰিছে। যাৰ প্ৰতিৰোধৰ বাবে জৰুৰী ব্যৱস্থা প্ৰয়োজনীয় হৈ পৰিছে।

প্ৰাকৃতিক দূৰ্য্যোগ তথা সন্ত্ৰাসবাদীৰ হাতত নিহত লোকসকলে যি হাৰত ক্ষতিপূৰণ লাভ কৰে, সেই হাৰত বৈদ্যুতিক দূৰ্ঘটনাত আহত ক্ষতিগ্ৰস্ত লোক সকলে, নিহত লোকৰ নিকতাত্মীয় সকলে লাভ নকৰে। উত্তৰ খাটোৱাল, জুৰিয়া আৰু পাম কালিয়াডিঙাত দূৰ্ঘটনাৰ বলি সকলো একেধৰণৰ বঞ্চণাৰ বলি হৈছে। মাননীয় অধ্যক্ষ মহোদয়, এই ঘটনাটো যেতিয়া ৰাতিপুৱা পুখুৰীত তাঁৰ চিঙা দেখা পাইছিলে আৰু লগে লগে আব্দুল মতিম বোলা এজন মানুহে ৪.৫৯ মিনিটত বিদ্যুৎ বিভাগৰ কৰ্মচাৰীক টেলিফোন যোগে কথাটো জনাইছিলে আৰু যেতিয়া পুখুৰীত মাছ মৰা অৱস্থাত দেখা পালে সেই পুখুৰীৰ মালিক ইনামুল, তেওঁ ০৫.১০ মিনিটত বিদ্যুৎ বিভাগৰ কৰ্মচাৰীৰ ঘৰত গৈ ক'লে যে বিদ্যুতৰ তাঁৰ চিঙি পুখুৰীত পৰি আছে আৰু মাছ বিলাক মৰিব ধৰিছে। গতিকে আমি মাছ বিলাক ধৰিব লাগিব আপুনি কি কয়? তেওঁ ক'লে যে আমাৰ লাইন কাটি থোৱা আছে আপোনালোকে মাছ ধৰকগৈ। তেওঁলোকে আহি মাছ ধৰা আৰম্ভ কৰিলে। প্ৰায় ১ ঘণ্টাৰ ওপৰত মাছ ধৰাৰ পিছত হঠাৎ বিদ্যুৎ প্ৰবাহিত হৈ এই ৬ জন লোকৰ থিতাতে মৃত্যু হ'ল আৰু পাচঁজন মানুহ গুৰুতৰ ভাৱে আহত হ'ল। এতিয়াওঁ এজন মানুহ চিকিৎসাধীন হৈ আছে হস্পিটালত। তেওঁ কোনো সহায় পোৱা নাই। এজন সপ্তম শ্ৰেণীৰ ছাত্ৰ, তেওঁ খুব প্ৰতিভাবান ছাত্ৰ আছিলে। পঢ়া-শুনাত খুব ভাল। দুখীয়া ঘৰৰ সন্তান। এই ল'ৰাজনৰ বহুত সম্ভাৱনা আছিলে আৰু এই সম্ভাৱনা থকা ল'ৰাটোৱে হঠাৎ মৃত্যুবৰণ কৰিব লগীয়া হ'ল। মানৱীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে এজন মানুহ এক্সচিডেণ্ট হ'লে সেই মানুহজনক ইঞ্চুৰেঞ্চ কোম্পানীয়ে এটা হিচাব কৰি ১০ ৰ পৰা ৫০ লাখ লৈকে টকা তেওঁলোকক সাহাৰ্য্য দিয়ে আৰু কোনোবা উগ্ৰপন্থীয়ে গুলীয়াই মাৰিছে বা আনকোনো দূৰ্ঘটনাত ক্ষতিগ্ৰস্ত হৈছে সেই সকলকো ৰাজ্য চৰকাৰে ৫ লাখ আৰু কেন্দ্ৰীয় চৰকাৰে ৩ লাখ বা ৭ লাখকৈ টকা দিয়ে। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই এইটো অনুৰোধ কৰিব বিচাৰিছো যে এই দূৰ্ঘটনা গ্ৰস্ত পৰিয়াল সকলৰ এনেকুৱা এটা অৱস্থা হৈ আছে আপুনি দেখিলে আচৰিত হ'ব। আজি কোনোবা সৰু সৰু ল'ৰা-ছোৱালী লৈ বিধৱা হৈছে, তেওঁলোকৰ পৰিয়াল চলিবৰ কাৰণে কোনোধৰণৰ ব্যৱস্থা নাই। গতিকে অধ্যক্ষ মহোদয়, মানৱীয়তাৰ খাতিৰত যদি এই কথাটো চিন্তা কৰা নহয় তেনেহ'লে যিসকল মানুহৰ মৃত্যু হৈছে সেই সকলক প্ৰাকৃতিক দূৰ্যোগত মৃত্যু হোৱা বুলি বিবেচনা কৰি যাতে কম পক্ষেও নিহত সকলক ২০ লাখকৈ টকা দিব আৰু প্ৰত্যেকটো পৰিয়াল চলিব পৰাকৈ যাতে একো একোটা চাকৰিৰ ব্যৱস্থা কৰা হয় সেই কথাটো মই অনুৰোধ জনালো আৰু আহত পৰিয়াল সকললৈকে ১০ লাখকৈ টকা দিয়াৰ ব্যৱস্থা কৰিব লাগে। যিসকলৰ গা পুৰি গৈছে আৰু হস্পিটালত এতিয়ালৈকে ককবকাই আছে তেওঁলোকে কিন্তু এপইচাও নাপালে। বিদ্যুৎ ৰ Short circuit হৈ একেলগে ১২ টা পৰিয়ালৰ ১৭টা ঘৰ পুৰি শেষ হৈ গৈছে। তেওঁলোকে একো বচাব পৰা নাই। একেবাৰে সৰ্বশেষ অৱস্থাত তেওঁলোক আছে। এতিয়া থাকিবলৈ তেখেতৰ ঘৰ নাই, খাবলৈ খাদ্য নাই। এনেকুৱা অৱস্থাত তেওঁলোক আছে আৰু এটা মৰ্ম্মান্তিক ঘটনা হৈছে, মোৰ সমষ্ঠি থিয় দাৱনী গাওঁৰ অতুল চন্দ্ৰ বৰা নামৰ বিদ্যুৎ বিভাগৰ অস্থায়ী কৰ্মচাৰী আছিল।

তেওঁ ৰাতিপুৰা অফিচত গৈ চহী কৰাৰ পিছত তেওঁক লাইন চেক কৰিবলৈ দায়িত্ব দিয়া হৈছিল। লাইন চেক কৰিবলৈ গৈ লাইনৰ খুঁটাত উঠাৰ পিছতেই তেখেতৰ মৃত্যু হৈছিল। তেওঁ পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী সদস্য আছিল। কিন্তু আজি দুই মাহলৈকে বিদ্যুৎ বিভাগৰ কোনো কৰ্মচাৰীয়েই তেওঁৰ খবৰ নল'লে, সহায় কৰাৰ কথাতো দূৰৰ কথা। তাৰ উপৰিও আমাৰ সমষ্টিত বহু ঠাইত লাইনৰ তাঁৰসমূহ ওলমি আছে আৰু মাটিৰ পৰা দুই-তিনি ফুটামান উচ্চতাত ট্ৰেন্সফ'ৰমাৰ বহুৱাইছে। যাৰ ফলত কেইদিনমান আগতে এটা গৰুও মৰিছে।

**মাননীয় অধ্যক্ষ ঃ** সেইটো এটা অন্য বিষয়। এনেকুৱা ঘটনা সকলো সমষ্টিতে হৈ আছে। কিন্তু আপুনি যিটো মূল কথা কৈছে, সেইটো অতি গুৰুত্বপূৰ্ণ কথা। সেইটো হৈছে যে বিদ্যুৎ বিভাগে তাত ক্ষতিপূৰণসমূহ কি ধৰণে দিয়ে, সেইটো আমি জনা উচিত। বাকী কথাবোৰ যেনে- বিদ্যুৎৰ তাঁৰ উৰলি গৈছে, সেইবোৰ আমি সলনি কৰিব লাগিব। আপোনাৰ মূল কথাটোৰ উত্তৰটো মন্ত্ৰীৰ পৰা শুনি লওঁ আৰু বাকী আনুষংগিক কথাবোৰৰ উত্তৰো মন্ত্ৰীয়ে দিব।

**শ্ৰী তপন কুমাৰ গগৈ, মাননীয় মন্ত্ৰী, (ৰাজ্যিক স্বতন্ত্ৰ), শক্তি ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২১ চেপ্তেম্বৰ ২০১৮ তাৰিখে নগাওঁ জিলাৰ ৰূপহী ঘাটোৱাল অঞ্চলত আমাৰ বিদ্যুৎ বিভাগৰ ১১ হাজাৰ ভল্টৰ বৈদ্যুতিক তাঁৰত লাগি সপ্তম শ্ৰেণীৰ এজন ছাত্ৰকে প্ৰমুখ্য কৰি ৬ জন লোকৰ যি মৃত্যু হৈছিল, সেই মৃত্যুত আমি সকলোৰে অতি দুঃখিত আৰু এইটো অতি দুৰ্ভাগ্যজনক ঘটনা। এই গোটেই ঘটনাটো আজি সদনৰ মজিয়াত ৩০১ নং নিয়মৰ অধীনত মাননীয় বিধায়ক শ্ৰী নুৰুল হুদা ডাঙৰীয়াই উত্থাপন কৰিছে। মই ঘটনাটো বিস্তৃতভাৱে নকওঁ । যিহেতু হুদা ডাঙৰীয়াই ইতিমধ্যে বৰ্ণনা দিছে। ঘটনাৰ দিনাখন প্ৰথমতে তেওঁলোকে পুখুৰীত মাছ ধৰি ঘৰলৈ গৈ ভাত খাই পুনৰ মাছ ধৰিবলৈ অহাৰ পিছত হঠাৎ যেতিয়া তাত বিজুলী সংযোগ হ'ল, তেতিয়া সেই ৬ জন লোকৰ মৃত্যু হৈছিল। এই ঘটনাটোৰ প্ৰতি আমি সকলোৰে অৱগত। এই ঘটনাটো হোৱাৰ পিছত মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই গোটেই ঘটনাটো অতি তৎপৰতাৰে বিবেচনা কৰিছে আৰু তাৎক্ষণিকভাৱে সেই সময়ত নগাওঁত থকা আমাৰ জলসম্পদ মন্ত্ৰী শ্ৰী কেশৱ মহন্ত ডাঙৰীয়াক তালৈ যাবলৈ নিৰ্দ্দেশ দিছিল। সেই মৰ্ম্মে তেওঁ ঘটনাস্থলী আৰু চিকিৎসালয়তো গৈছিল। মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দ্দেশ মতে মইও সোণাৰিৰ পৰা বাহিৰে বাহিৰে ঘটনাস্থলীলৈ গৈছিলো। ঘটনাস্থলীলৈ যোৱাৰ সময়ত নুৰুল হুদা ডাঙৰীয়াই আমাক ফোন কৰিছিল আৰু আমি তেখেতক জনাইছিলো যে আমি তালৈ গৈ আছো আৰু ৰাইজক সংযত হ'বলৈ ক'ব। জানাজা হোৱাৰ আগমূহূৰ্ত্তত মই গৈ তাত উপস্থিত হৈছিলো আৰু শ্ৰী নুৰুল হুদা ডাঙৰীয়া তাতেই আছিল। তাত গৈ আমি আমাৰ কথাখিনি কৈছিলো। এইটো কাৰ দোষত হৈছে সেইটো জনাৰ বাবে ১৫ দিনৰ বাবে আমি এটা তদন্ত দিছিলো। ১৫ দিনৰ ভিতৰত তাৰ প্ৰতিবেদন আহিব। এই ঘটনাটোৰ ফলত ৬ জন মানুহ ক্ৰমে ইনামুল হক, ৰফিকুল ইছলাম, আছিকুল ইছলাম, মইনুল হক, হবিবুৰ ৰহমান, আনিছুৰ ৰহমান এই ৬ গৰাকী লোকৰ মৃত্যু হোৱাৰ পিছত ৰাইজ, আপোনালোক আৰু সংগঠনে দাবী কৰিছিল যে ইয়াৰ ওপৰত এটা অনুসন্ধান হ'ব লাগে। আমাৰ ৩ জন বিষয়া ক্ৰমে সত্যেন্দ্ৰ নাথ কলিতা, পৰিচালন সঞ্চালক AEGCL, কুলচন্দ্ৰ শৰ্মা, মুখ্য মহা প্ৰৱন্ধক, মুখ্য কাৰ্য্যলয় APDCL, ত্ৰৈলোক্য বৰা, নিৰাপত্তা বিষয়া APDCL ৰ নেতৃত্বত আমি এটা অনুসন্ধান দিছিলো। এই অনুসন্ধানৰ প্ৰতিবেদন অহাৰ পিছত আমি কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিম। তাৎক্ষণিকভাৱে আমি যিসকল বিষয়া তাত আছিল, তাৰ দায়িত্বত থকা পল্লৱ দাস, উপ-সংমণ্ডল অভিযন্তা, চামগুৰি বৈদ্যুতিক উপ-সংমণ্ডল, দীপক প্ৰধান, কনিষ্ঠ অভিযন্তা, প্ৰৱন্ধক চামগুৰি বৈদ্যুতিক উপ-সংমণ্ডল

আৰু ফকৰুদ্দিন আহমেদ লাইনমেন এই তিনি জনকে আমি তাৎক্ষণিকভাৱে নিলম্বন কৰিছো। আমি উপলব্ধি কৰিছো যে তেওঁলোকৰ গাফিলতিৰ কাৰণে এই ঘটনাটো সংঘটিত হ'ব পাৰে। তাৰ লগে লগে আমাৰ APDCL ৰ নিয়ম অনুসৰি মৃতকৰ পৰিয়াললৈ ৫ লাখ টকাকৈ আমি ঘোষণা কৰিছো আৰু তেওঁলোকক সেই টকাখিনি ইতিমধ্যে দিয়া হৈছে। তিনি টা কথা আপুনি উল্লেখ কৰিছে। কিন্তু মই এটা কথা উল্লেখ কৰিব বিচাৰিছো যে ৰাইজক লৈ ৰাজনীতি কৰা ভাল নহয়। তেওঁলোকক কেতিয়াও পণবন্দী কৰা উচিত নহয়। তাত তাঁৰডাল ছিঙাৰ পিছত আজিলৈকে আমি তাঁৰডাল লগাব পৰা নাই কাৰণ ২২ তাৰিখে আমি তাঁৰডাল লগাবলৈ বিষয়াসহ তালৈকে মানুহ পঠিয়াইছিলো। তাত আমাৰ এজন প্ৰাক্তন বিধায়ক তথা মানুহখিনিয়ে আমাৰ বিষয়সকলক বাধা প্ৰদান কৰিলে আৰু ক'লে যে ১১ হাজাৰ কিলোৱাট তাঁৰডাল লগোৱাৰ আগতে তাত গাৰ্ড দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমি ক'লো যে আমি তাত যিডাল তাঁৰ গৈছে, তাৰ তলত গাৰ্ড দিয়াৰ ব্যৱস্থা কৰি দিম। লগতে আমাক ক'লে যে তাত যিটো ট্ৰেন্সফ'ৰমাৰ আছে, সেইটো আমাক ঘেৰী দি ফেনচিং দিবলৈ ক'লে। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, আমি যেতিয়া ট্ৰেন্সফ'ৰমাৰ লগাওঁ আমি সেইটো ফেনচিং দি ঘেৰী দিওঁ। ঠিক একেধৰণে আমি সেই ট্ৰেন্সফ'ৰমাৰটো ফেনচিং দি ঘেৰী দিছিলো। কিন্তু ফেনচিংখিনি কোনোবাই চোৰ কৰি লৈ গুচি গ'ল যাৰ ফলত সেইটো উন্মুক্ত অৱস্থাত আছে। আমি ক'লো যে আমি সেইটো ঘেৰী দিম। এইখিনি কোৱাৰ পিছতো এজন প্ৰাক্তন বিধায়কে আমাৰ বিষয়াৰ লগত টেলিফোনযোগে ফোন কৰি জনাই যে এইখিনি কাম নকৰাৰ পৰ্য্যন্ত তাত কাম কৰিব নিদিয়ে। যাৰ ফলত সেই কামটো সেইদিনা কৰিব পৰা নগ'ল। ২৩ তাৰিখে পুনৰ কাম কৰিবলৈ যাওঁতে শ্ৰী নুৰুল হুদা ডাঙৰীয়াই জনায় যে তাত কাম কৰিব দিয়া নহ'ব। তাৰ আগতে যিখিনি তাঁৰ ছিঙিছে সেইখিনিত Cable কৰিবলৈ ক'লে। কিন্তু ১১ হাজাৰ কিলোৱাট তাঁৰডাল Cable কৰিব নোৱাৰে বুলি বিষয়াসকলে ক'লে আৰু সেইকাৰণে সেইডাল তাঁৰ হিচাপে বান্ধিব বুলি ক'লে। সেইকাৰণে এইটো যেনেকৈ আছে আমি সেইটো তেনেধৰণে লগাব লাগিব আৰু তাৰ কাৰণে মানুহ পঠাইছো। কিন্তু শ্ৰী নুৰুল হুদা ডাঙৰীয়াই সেই সময়ত তাত বাধা প্ৰদান কৰিছিল।

**শ্ৰী নুৰুল হুদা, বিধায়ক (ৰূপহী) ঃ** মই এনধৰণৰ কোনো কথা কোৱা নাই। যদি মই কৈছো ইয়াৰ ওপৰত এটা তদন্ত হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এইটোৰ ওপৰত তদন্ত হ'ব। এতিয়া মাননীয় মন্ত্ৰীয়ে ক'ব।

**শ্ৰী তপন কুমাৰ গগৈ, মাননীয় মন্ত্ৰী, (ৰাজ্যিক স্বতন্ত্ৰ), শক্তি ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, তাৰ পিছতে যেতিয়া আমাৰ বিষয়াসকলে শ্ৰী নুৰুল হুদা ডাঙৰীয়াৰ লগত কথা পাতিলে, আৰু তেখেতে মানুহখিনিক পুনৰ কাম কৰিবলৈ দিলে। তেতিয়া তাৰ মানুহখিনিয়ে ক'লে যে প্ৰথমতে বিধায়ক ডাঙৰীয়াই কামটো বন্ধ কৰিবলৈ দিলে আৰু এতিয়া পুনৰ কাম কৰিবলৈ দিছে। এইবোৰ কাৰণতেই আমি এতিয়ালৈ তাত তাঁৰ লগাব পৰা নাই আৰু মানুহখিনিক পোহৰৰ ব্যৱস্থা কৰি দিব পৰা নাই। সেইকাৰণে মই কৈছো যে আমি এইবোৰ ক্ষেত্ৰত ৰাজনীতি বাদ দি আমি মানুহখিনিক পোহৰৰ ব্যৱস্থাটো কৰি দিয়াৰ সুবিধাটো দিব লাগে। সেইকাৰণে মই এই কথাখিনি জনসাধাৰণক অৱগত কৰিলো। তাতকৈ ডাঙৰ কথাটো হৈছে আমাৰ যিখিনি মানুহ তাত লাইন লগাবলৈ গৈছিল সেই মানুহখিনিক নিশা ১০ বজালৈ ঘেৰাও কৰি থোৱা হৈছিল। তাৰ পিছত আমি উপায়ুক্তৰ লগত কথা পাতি পুলিচ আৰু CRPF ৰ বিষয়াক লগত লৈ সেই লোকসলক উদ্ধাৰ কৰি আনিবলগীয়া হৈছিল। এনেকুৱা ধৰণৰ পৰিস্থিতিৰ সৃষ্টি হ'লে মানুহ তালৈ কেনেকৈ কাম কৰিবলৈ

যাব। এইবোৰ কথাৰো আমি গুৰুত্ব প্ৰদান কৰিব লাগে। তিনি টা কথা শ্ৰী নুৰুল হুদা ডাঙৰীয়াই উল্লেখ কৰিছিল। তাৰে এটা হৈছে যে এতিয়াও বহু মানুহ আছে যিসকলে তাত চিকিৎসাধীন হৈ আছে। মই আপোনালোকক আজি ক'ব বিচৰিছো যে ...Nagaon Civil Hospital ৰ Superintendant য়ে আমালৈ কাগজ পঠাইছে আৰু আমি এই কাগজখিনি লৈছো। ৰূপহীৰ যি গৰাকী Circle Officer আছে, তেখেতলৈ আমি যোৱা ২৮ তাৰিখে চিঠি দিছো। তাত যি সকলৰ মৃত্যু হৈছে আৰু যি সকল চিকিৎসাধীন হৈ আছে তেনে মানুহৰ list এখন যাতে আমাক দিয়ে, কিন্তু, Circle Office ৰ পৰা এতিয়ালৈকে আমাৰ ওচৰলৈ চিঠি আহি পোৱা নাই আৰু চিঠি আহি পালে আমি ব্যৱস্থা গ্ৰহণ কৰিম। Nagaon Civil Hospital ৰ Superintendant য়ে আমালৈ চিঠি পঠাইছে যে দুগৰাকী মানুহে তাৰ হস্পিতালত ভৰ্তি হৈছিল, এগৰাকী হ'ল- ছাহজাহান আলী আৰু আন গৰাকী হ'ল অনজৰুল ইছলাম। ইয়াত স্পষ্ট ভাৱে উল্লেখ কৰিছে যে তেওঁলোক ভৰ্তি হোৱাৰ পিছত তেওঁলোকৰ কোনো ধৰণৰ injury নাই। গতিকে এই কথাখিনি আপোনাক অৱগত কৰিলো। ইয়াৰোপৰি, মই আপোনাক আৰু এটা কথা অৱগত কৰিব বিচাৰিছো যে, যি সকল লোক বিদ্যুৎ স্পৃষ্ট হৈ হস্পিতালত ভৰ্তি হৈছে তেওঁলোকক আমাৰ তৰফৰ পৰা চিকিৎসা কৰাৰ নিয়ম আছে । ক্ষতিগ্ৰস্ত সকলৰ ভিতৰত, Minor সকলক ২০ হাজাৰ টকা, major সকলক ৫০ হাজাৰ টকা আৰু permanently disable হৈ যোৱা সকলক ১ লাখ টকালৈ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা আমাৰ আছে আৰু এই ক্ষেত্ৰতো আমি সেই ব্যৱস্থা কৰি আছো। কিন্তু এই ব্যৱস্থা সমূহ কৰিবলৈ হলে আমাক তথ্যৰ প্ৰয়োজন হ'ব আৰু সেয়েহে আমি Hospital ৰ Superintendant, Circle Officer ৰ পৰা তথ্য বিচাৰিছিলো। তেওঁলোকে যেতিয়া আমাক তথ্য সমূহ দিব তেতিয়া আমি মানুহখিনিৰ বাবে আমাৰ ফালৰ পৰা যি কৰিব লগীয়া আছে সেই ব্যৱস্থা সমূহ কৰিবলৈ আমি সাজু আছো। কিন্তু, আপুনি যিটো কথা কৈছে যে, আজিৰ তাৰিখতো বিদ্যুৎ স্পৃষ্ট মানুহ খিনি হস্পিতালত চিকিৎসাধীন হৈ ককবকাই আছে, এনে ধৰণৰ কথা আপুনি আমাক তথ্য সহকাৰে দিয়ক কিয়নো তথ্য সহকাৰে দিলে আমি তাৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সাজু আছো। অযথা, নোহোৱা কথাবোৰ কৈ পৱিত্ৰ সদনক বিপথে পৰিচালিত কৰিব নালাগে। মই ইয়াত যিখিনি কথা কৈ আছো, তথ্যৰ আধাৰতে কৈ আছো।

ইয়াৰ লগতে আপুনি দুটা কথা সন্নিবিষ্ট কৰিছে, এটা হৈছে- আপোনাৰ কলিয়াদীঙা পাম অঞ্চলত Short circuit হৈ ১২ ঘৰ মানুহৰ ঘৰ জ্বলি গৈছিল। কিন্তু, এই ঘটনাটো Short circuit ৰ ফলত হৈছে নে gas ৰ ফলত হৈছে, কথাটো তথ্য সহকাৰে কোনোৱে এতিয়ালৈকে আমাক ক'ব পৰা নাই। জিলা উপায়ুক্তৰ তৰফৰ পৰা প্ৰতিবেদন আমি ইতিমধ্যে লৈছো। এই ঘটনাটোত আমি দুঃখিত, কিন্তু Short circuit হ'ল বুলিয়েই যে APDCL ৰ দোষ হ'ব, এনে নহয়। Short circuit ভিতৰত হৈছিল, সেইটো APDCLৰ দোষৰ কাৰণে হোৱা নাই। কোনোবা এঘৰ মানুহৰ ঘৰত যদি Inverter এটা বেয়া হৈ আছে আৰু তাৰ পৰা বিদ্যুৎ স্পৃষ্ট হৈ যদি কোনো মানুহ মৃত্যুৰ মুখত পৰে তেন্তে ইয়াৰ কাৰণ APDCL ৰ দোষৰ কাৰণে নহয়, শক্তি বিভাগৰ দোষৰ কাৰণে নহয়। ক'ৰবাত বিদ্যুৎ জড়িত ঘটনা হ'ল বুলিয়েই যে ইয়াৰ কাৰণ APDCL, তেনে নহয়। আপোনালোকে এই কথাবোৰ যাতে অনুভৱ কৰে। এই ১২ ঘৰ মানুহৰ ঘৰ জ্বলি যোৱাত শক্তি বিভাগৰ দোষ নাই। তথাপিও আমি জিলা উপায়ুক্তক কৈছো যে এইটো ক্ষেত্ৰত এটা ব্যৱস্থা গ্ৰহণ কৰিব লাগে। জিলা উপায়ুক্ত ডাঙৰীয়াই এই গোটেইখিনিৰ ক্ষেত্ৰত, ২১ তাৰিখে ১ বজাত কলিয়াদিঙা পাম গাঁৱত যিটো ঘটনা সংঘটিত হৈ গ'ল, সেই ঘট নাৰ খবৰ

পোৰাৰ লগে লগে সুৰক্ষাজনিত কাৰণত কোনো মানুহ, ধন-জনৰ যাতে হানি নহয় তাৰ বাবে DTR ৰ main supply যিটো আছিল, সেই supply ৰ line man, CBDF Franchisees ৰ হাৰমূল আলী, তেওঁ গৈ সেইখিনি কাটি দিছে । এই খিনি কৰাৰ পিছত Short circuit হৈছে নে অন্য কিবা কাৰণত হৈছে তাৰ কোনো তথ্য আমাক এতিয়ালৈ দিব পৰা নাই। এই কথাখিনি জিলা উপায়ুক্তক কোৱাৰ পিছত, তেওঁ SDRF ৰ জৰিয়তে আমাৰ যি system আছে, সেই system ত পেলাই ৯৫, ১০০ টকা দিয়াৰ যি ব্যৱস্থা আছে, তাৰ জৰিয়তে দিয়াৰ বাবে তেখেত সকলক আমি অনুৰোধ জনাইছিলো। তেখেতে সেই ব্যৱস্থাটো গ্ৰহণ কৰিছে। এই কথাখিনি মই আপোনাক অৱগত কৰিলো। ইয়াৰ লগতে আন এটা বিষয় আপুনি উত্থাপন কৰিছে যে, ০৮-০৬-২০১৮ তাৰিখে জুৰীয়াত যিটো ঘটনা সংঘটিত হৈ গ'ল, তাত অতুল চন্দ্ৰ বৰা নামৰ যি জন ব্যক্তিৰ কথা কৈছে, তেওঁ APDCL বা শক্তি বিভাগৰ কৰ্মচাৰী নহয়। সমগ্ৰ অসমতে বহু কৰ্মচাৰী APDCL ৰ অধীনত কাম কৰি আছে। কিন্তু জুৰীয়াত সংঘটিত হৈ যোৱা ঘটনাৰ সকলোখিনি মানুহেই যে APDCL ৰ কৰ্মচাৰী, সেইটো নহয়। আপোনালোকৰ তাত Outsourcing agency য়ে কাম কৰি আছে। সেই Outsourcing agency টো এটা ঠিকাদাৰৰ প্ৰতিষ্ঠান। আমাৰ পৰা তেওঁলোকে ঠিকা লৈছে। এই Outsourcing agency টোৰ নাম হ'ল- M/S Electro Meuseum আৰু এই প্ৰতিষ্ঠানটোৰহে কৰ্মচাৰী আছিল অতুল চন্দ্ৰ বৰা। অতুল চন্দ্ৰ বৰাই যেতিয়া গম পাইছিল যে জুৰীয়াৰ 11KV Feeder টোত নিম্ন মানৰ voltage আহিছিল, তাৰ পিছত তেওঁ APDCL ৰ লাইনমেন জনক নিজেই কথাটো জনাইছিল। তাৰ পিছত তেওঁ নিজেই ঘটনা স্থলীলৈ গৈ Gang switch টো বিচ্ছিন্ন কৰি দিছিল। যিডাল Gang ৰ পৰা কম voltage আহি আছিল, তেওঁ সেই ডাল বন্ধ কৰি দিলে। কিন্তু দুৰ্ভাগ্য ক্ৰমে, যিডাল Gang ৰ connection বন্ধ কৰা আছিল, তেওঁ সেই ডালত নুঠি ভূল বশতঃ আন ডালতহে উঠি যায়। কিন্তু এইখিনিতে এটা কথা যে, APDCL ৰ ফালৰ পৰা অতুল চন্দ্ৰ বৰাক লাইন কাটি তাত উঠাৰ বাবে কোনো permission দিয়া হোৱা নাছিল। তেওঁ অবৈধ ভাৱে, অকৰ্তৃত্বশীল ভাৱে তাত উঠিছিল। গতিকে তেওঁ connection থকা Gangত উঠাৰ ফলতেই দুৰ্ঘটনাত পতিত হয়। আপুনি কৈছে যে, অতুল চন্দ্ৰ বৰা আমাৰ অস্থায়ী কৰ্মচাৰী, কিন্তু তেওঁ আমাৰ অস্থায়ী কৰ্মচাৰী নহয়, M/S Electro Meuseum ৰ হে কৰ্মচাৰী। ইতিমধ্যে M/S Electro Meuseum ৰ লগত আমি কথা পাতিছো আৰু তেওঁৰ against ত যি insurance থাকিব লাগে সেইটো কৰা আছিল গতিকে সেই insurance ৰ টকা তেওঁৰ পৰিয়ালে কেইদিন মানৰ ভিতৰতে পাব। এই কথাখিনি মই সদনক অৱগত কৰিলো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ ।

**মাননীয় শ্ৰী নুৰুল হুদা, (ৰূপহীহাট)ঃ** অধ্যক্ষ মহোদয়, কৰ্মচাৰী জন যে APDCL ৰ অস্থায়ী কৰ্মচাৰী আছিল আৰু তেওঁ যে অফিচত চহী কৰি গৈছিল তাৰ তথ্য আছে। এই তথ্যখিনি মই মন্ত্ৰী মহোদয়ক তেখেতৰ কাৰ্যালয়ত গৈ দিম। তেওঁ যি খিনি কথা কৈছে সেইখিনি সত্য নহয়।

**মাননীয় অধ্যক্ষঃ** আপুনি কথাখিনি সত্য নহয় বুলি নক'ব। আপুনি ক'ব পাৰে যে মোৰ তাত কিছু সন্দেহ আছে। কাৰণ মন্ত্ৰী ডাঙৰীয়াই কথাবোৰ কাগজৰ পৰা পঢ়িহে কৈছে, এনেই কোৱা নাই। মই ভাৱো যে এনেবোৰ ঘটনাত মানৱীয়তাৰ কথা জড়িত হৈ আছে। কোনো মানুহৰ দুৰ্ঘটনাত মৃত্যু হ'লে সকলোৰে approach টো একে লগে কৰিলে ভাল। আপুনি যিহেতু নিজেই ap-

proach লৈছে, সেয়েহে মই মন্ত্ৰী ডাঙৰীয়াকো কৈছো যে তেখেতে যাতে আপোনাৰ লগত কথা পাতি মীমাংসা কৰে।

এতিয়া কাৰ্যসূচী নং ৪- উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদিঃ** মাননীয় অধ্যক্ষ, মই ২০১৭-১৮ চনৰ "অসম পেট্ৰ'কেমিকেল লিমিটেড"ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ** কাৰ্যসূচী নং ৫- শক্তি মন্ত্ৰী।

**শ্ৰী তপন কুমাৰ গগৈ, মাননীয় ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী, শক্তি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০১৭-১৮ চনৰ "Assam Electricity Regulatory Commission" ৰ বাৰ্ষিক প্ৰতিবেদন খন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। ইয়াৰ পিছত ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰীয়ে পুনৰ এটা প্ৰতিবেদন দাখিল কৰিব।

**শ্ৰী তপন কুমাৰ গগৈ, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০১৫-২০১৬ চনৰ অসম Power Distribution Company Limited ৰ ১৩ তম বাৰ্ষিক প্ৰতিবেদনৰ হিচাপ সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Point of order.

**শ্ৰী শেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, Rule 301ত আপুনি অধ্যক্ষ হোৱাৰ আগতে আমাৰ এই সদনত প্ৰতিদিনে মাত্ৰ এটা বিষয়হে উত্থাপন কৰাৰ নিয়ম আছিল । আপোনাক ধন্যবাদ জনাইছো যে Parliament ৰ আৰ্হি অনুসৰি এতিয়া ৩০১ত ৫ টা কৈ বিষয় উত্থাপন হয়। কিন্তু আপুনি ইমান সুযোগ দিয়াৰ সত্বেও, আমি লক্ষ্য কৰিছো, যিটো আপুনিও নিশ্চয় জ্ঞাত যে এইবাৰ বিধানসভাত যোৱা সোমবাৰৰ পৰা কোনোদিনে ৫ টা বিষয় উত্থাপন কৰা হোৱা নাই। ইয়াৰ মূল বাধাটো হ'ল- 301(C)(1). ইয়াত আছে যে No Member shall raise more than one matter in a week. আগতে এই কথাটো ঠিকে আছিলে। কিন্তু এতিয়া যিহেতু আপুনি ৫ টা বিষয় উত্থাপন কৰিবলৈ দিছে, সেইকাৰণে মই আপোনাক অনুৰোধ কৰিছো যিহেতু সপ্তাহত ৫ দিন থাকে , সেয়েহে maximum no টো ৫ কৰিব লাগে। not more than 5.

ঠিক তেনেদৰে ৫৪ তো এটা আছে যে "Not more than one such matter shall be raised at the same sitting" মানে গোটেই sitting টোত ৫ টা। এই দুটা যদিও যথেষ্ঠ ভাল intention লৈ আপুনি কৰিছে, মই আপোনাক অনুৰোধ জনাম যে Rule Committee ৰ লগত বহি এই দুটা more than one matter যাতে issue কৰিব পাৰে আৰু বিশেষকৈ ৩০৫ ত ৫ টা বিষয় উত্থাপন কৰিব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** Thank you. কথাটো এনেকুৱা যে মন্ত্ৰীক বাদ দি ১২৬ জন বিধায়ককেই মই ইয়াত participate কৰাটো বিচাৰো। কেইজনমান আমাৰ সক্ৰিয় সদস্য আছে, তেওঁলোকে বহুত দিয়ে। কিন্তু Rule টো কৰাৰ কাৰণ হৈছে যে সপ্তাহত যদি প্ৰত্যেকে এটাকৈ পাবলৈ হয়, তেতিয়াহলে সপ্তাহত অন্ততঃ ২৫ জনক দিব পাৰিম।

তথাপিও এই কথাটো মই চকু ৰাখিম । যদি এই কথাটোৱে ভৱিষ্যতে কিবা দিগদাৰ কৰে মই এইটো আৰু অকনমান increase কৰিব পাৰো নেকি চাম।

**শ্ৰী আব্দুল খালেক ঃ** এসপ্তাহ আগতে যে Notice দিব লাগে এই Notice ৰ gap টো

অকনমান কমাই দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** মই এই কথাটো আপোনাক কওঁ যে, Zero Hour টো হৈছে যোৱা ৩ দিনৰ ভিতৰত হোৱা ঘটনাৰ ওপৰত। তাৰ আগত মই দিবই নাপায়। কিন্তু কোনেনো ৩ দিনৰ ভিতৰত দিয়ে? কিন্তু মই flexibility ৰাখিছো। মই মানুহখিনিক বুজাইছো যে যিকেইটা কথা House ত আনিবলৈ কোনো পদ্ধতি নাই, তিনিদিনত হৈছে, যেনেকে earthquake বা আন কিবা ডাঙৰ দুৰ্ঘটনা বা আপোনাৰ সমষ্টিত কিবা ঘটনা ঘটিছে তাৰ ওপৰত Law and order আনিবৰ কাৰণে'Zero Hour' .

Secondly, 301ৰ যিটো কথা কৈছে, সেইটো মই বুজিছো। কিন্তু এটা এসপ্তাহৰ পৰা notice খিনিক চাই কোন কেইটা দিব পাৰো সেইটো মিলাবৰ কাৰণে এইটো কৰা হৈছে। I am open for any suggestion. আপোনালোকৰ suggestion খিনি মই পাইছো আৰু আপোনাৰটোও মোক দিয়ক। প্ৰয়োজন হলে Rule Committee লগত বহি মই এইটো ঠিক কৰি লম।

যোৱাকালি আমিনুল ইছলাম ডাঙৰীয়াই এটা ভাল কাম কৰিছে, মই ভাল পাইছো। Supplementary Question ত হাত দঙা-দাঙি হৈ থাকে তাৰ বাবে দলবিলাকে যদি ৰাতিপুৱা নিজৰ নিজৰ chamber ত discuss কৰি লয় যে কোনজনে প্ৰথম, কোনজনে দ্বিতীয় question কৰিব। তেনেদৰে যদি এখন list বনাই লয়, then I will be happy.

As per Rule মই দুটা Supplementary দিব লাগে। একেটা দলৰে মই দুই বা তিনিজনক দিব নোৱাৰো। মই সদায় তিনিটাকে দি আছো কাৰণ বিধায়িনী দল ৪ টা আছে। কোনোৱা এটা deprieve হ'লেও তিনিটা যাতে হয়।

**শ্ৰীমতী নন্দিতা দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি যেনেদৰে কৈছে যে Supplementary ত আমাৰ question খিনি জানিব লাগিব বা specific যাতে হয়, এই ক্ষেত্ৰত আধা ঘন্টাৰ আগতে যাতে answer list খন পাওঁ, তেতিয়া আমি আমাৰ specific কথাখিনিয়ে ক'ব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** সদনৰ বিষয়খিনি Newspaper ত যাব নালাগে। সেইকাৰণে আমি last moment ত দিওঁ। সেইকাৰণে আপোনালোকে অলপ alert হ'ব। আপোনালোকে House আৰম্ভ হোৱাৰ atleast আধা ঘন্টা আগতে আহি discuss কৰি ল'ব। আপোনালোকে কোনটো most important supplymentary.

House be adjourned till day after tomorrow 9:30 am.